● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

আজি কোনোবাই গছৰ ছাঁত জিৰাবলৈ সুযোগ পাইছে কাৰণ আন কোনোবাই বহু আগতেই সেই গছজোপা ৰুই থৈছিল।

ৱাৰেন বাফেট
*আমেৰিকাৰ ব্যৱসায়ী*



৭ ভাৰতত চলিত মাহতে আৰম্ভ জিঅ'ৰ ৫ জি সেৱা
১৫ ভাৰতক পঞ্চমটো সোণ দিলে টিটিৰ পুৰুষৰ দলে
৪ জেহাদীৰ তৎপৰতা আৰু বিভাজনৰ ৰাজনীতি

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৯৪তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ১৭ শাওণ ১৪২৯ ভাস্কৰাব্দ ৩ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 3 August 2022 মূল্য ঃ ৯.০০ টকা

■ লন বলত সাফল্য ঃ অসমলৈ প্ৰথমটো স্বৰ্ণ ■ বাৰ্মিংহামৰ সাফল্যই উন্মাদনাৰ সৃষ্টি কৰিলে ধনশিৰিত

# ইতিহাস ৰচি কমনৱেল্‌থত স্বৰ্ণজয় ভাৰতৰ



■ নয়নমণিৰ কৃতিত্বত আনন্দত চকুলো টুকিলে কণমানি কন্যা তনয়াই ■ ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰী-মুখ্যমন্ত্ৰীৰ অভিনন্দন

**নিউজ ব্যুৰ'/অগ্ৰদূত বাৰ্তা**
**নতুন দিল্লী/বৰপথাৰ/সৰুপথাৰ, ২ আগষ্ট ঃ** বাৰ্মিংহামত ইতিহাস সৃষ্টি কৰি কমনৱেল্‌থ গেমছৰ লন বলত স্বৰ্ণপদক জয় কৰিলে ভাৰতৰ মহিলা দলে। আজি প্ৰতিযোগিতাৰ মহিলাৰ 'ফ'ৰ্ছ'ৰ ফাইনেলত ভাৰতে দক্ষিণ আফ্ৰিকাক ১৭-১০ পইণ্টৰ ব্যৱধানত পৰাজিত কৰে। অসমৰ প্ৰতিভাৱান খেলুৱৈ নয়নমণি শইকীয়াসহ ভাৰতীয় দলটোৰ এই কৃতিত্বই বিশেষ তাৎপৰ্য বহন কৰিছে। কিয়নো এইবিধ খেল ভাৰততে বিশেষ পৰিচিত নহয় আৰু কমনৱেল্‌থ গেমছত ভাৰতে প্ৰথমবাৰলৈ লন বলত কোনো পদক জয় কৰিলে। যাৰ বাবে চলিত কমনৱেল্‌থ গেমছত ভাৰতীয় ক্ৰীড়াবিদে যথেষ্ট সফলতা অৰ্জন কৰা সত্ত্বেও লন বলৰ স্বৰ্ণজয়ক বিশেষ কৃতিত্ব প্ৰদান কৰা হৈছে। ভাৰতীয় দলটোৰ এই সফলতাত ১০ পৃষ্ঠাত চাওক

২০১০ৰ পৰা এই অভিজাত খেলত প্ৰতিদ্বন্দ্বিতা দেশৰ

কেনেদৰে খেলে এই খেল? কিয়েই বা ইয়াৰ নীতি-নিয়ম

# অসমৰ পৰাই আৰম্ভ হৈছিল দেশৰ লন বলৰ জয়যাত্ৰা

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২ আগষ্ট ঃ** অসমৰ নয়নমণি শইকীয়াসহ ভাৰতৰ চাৰি খেলুৱৈয়ে আজি কমনৱেল্‌থ গেমছৰ লন বলত স্বৰ্ণপদক জয় কৰি ইতিহাস সৃষ্টি কৰিলে। প্ৰথমবাৰলৈ ভাৰতৰ কোনো খেলুৱৈয়ে এই ক্ৰীড়া সমাৰোহত লন বলৰ ফাইনেলত



প্ৰৱেশ কৰিলে। কেৱল ফাইনেলত প্ৰৱেশতে সন্তুষ্ট নাথাকি মহিলাৰ চাৰিজনীয়া দলটোৱে আজি দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰি দেশবাসীক গৌৰৱান্বিত কৰিলে। অথচ এই অখ্যাত খেলবিধত ভাৰতে স্বৰ্ণপদক লাভ কৰাৰ পাছতে আনন্দত ১০ পৃষ্ঠাত চাওক

## বিধায়ক কিনা-বেচাৰে আমাৰ মুখ্যমন্ত্ৰীয়ে বিশেষ স্থান লাভ কৰিছে!

ঝাৰখণ্ড কাণ্ডক লৈ কটাক্ষ বিধায়ক কমলাক্ষ্যৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২ আগষ্ট ঃ** বিধায়ক কিনা-বেচাৰ ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰতৰ ভিতৰত এক সুকীয়া স্থান দখল কৰা বুলি আজি অসম বিধানসভা চৌহদত সাংবাদিকৰ আগত মন্তব্য কৰে বিধায়ক তথা অসম প্ৰদেশ ১০ পৃষ্ঠাত চাওক

■ আফগানিস্তানৰ আভ্যন্তৰীণ মন্ত্ৰীৰ কাবুলস্থিত আৱাসত আমেৰিকাৰ আক্ৰমণ ■ মাৰ্কিন ড্ৰ'নৰ দ্বাৰা নিক্ষেপ কৰা ক্ষেপণাস্ত্ৰত ছিন্ন-ভিন্ন দুৰ্ধৰ্ষ অল জৱাহিৰী ■ ঘোষণা কৰিলে ৰাষ্ট্ৰপতি বাইডেনে

# নিঃশব্দ আক্ৰমণত নিহত অল-কায়দাৰ মুৰব্বী

চীনক অগ্ৰাহ্য কৰি মাৰ্কিন নেতৃত্বৰ টাইৱান ভ্ৰমণৰ দিনা সংঘটিত ঘটনাক লৈ জল্পনা-কল্পনা

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২ আগষ্ট ঃ** চীনৰ ভাবুকিক অগ্ৰাহ্য কৰি মাৰ্কিন প্ৰশাসনৰ অন্যতম গুৰুত্বপূৰ্ণ নেন্সী পেল'চিৰ টাইৱান ভ্ৰমণৰ দিনাই মাৰ্কিন ক্ষেপণাস্ত্ৰৰ আঘাতত ছিন্ন-ভিন্ন হ'ল দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী সংগঠন অল-কায়দাৰ মুৰব্বী আয়মান-অল-জৱাহিৰী। কাবুলতে আজি অল-কায়দাৰ মুৰব্বী নিহত হোৱাৰ তথ্য সদৰী কৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে। আমেৰিকাৰ ড্ৰ'নৰ পৰা নিক্ষেপ কৰা ক্ষেপণাস্ত্ৰৰ আঘাতত ৯/১১ৰ আক্ৰমণৰ অন্যতম চক্ৰান্তকাৰীৰ



মৃত্যু হোৱা বুলি সদৰী কৰে বাইডেনে। ২৫ বছৰ পাছত আজি টাইৱানৰ ৰাজধানী টাইপেত মাৰ্কিন সংসদৰ অধ্যক্ষা পেল'চিৰ বিমান অৱতৰণৰ দিনাই জৱাহিৰী নিহত হোৱাৰ এই ঘটনা পৰিকল্পিত পদক্ষেপ নে নিতান্তই কাকতালীয় তাক লৈ চৰ্চা চলিছে। মাৰ্কিন ৰাষ্ট্ৰপতি বাইডেনে টুইটত লিখিছে যে যোৱা শনিবাৰে কাবুলত মানৱবিহীন আক্ৰমণ কৰে আমেৰিকাই। এই আক্ৰমণতে জৱাহিৰী নিহত হোৱাৰ বতৰা দি বাইডেনে লিখিছে, 'কিমান দেৰী হ'ল সেয়া ১০ পৃষ্ঠাত চাওক

## ১২ ছেপ্টেম্বৰৰ পৰা বিধানসভাৰ শৰৎকালীন অধিৱেশন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২ আগষ্ট ঃ** অসম বিধানসভাৰ শৰৎকালীন অধিৱেশন অহা ১২ ছেপ্টেম্বৰৰ পৰা অনুষ্ঠিত হ'ব। এক অধিসূচনাৰ জৰিয়তে উক্ত দিনা পুৱা ৯.৩০ বজাৰ পৰা এই অধিৱেশন অনুষ্ঠিত হ'ব বুলি সদৰী কৰা হৈছে।

## টেট শিক্ষকে ইংৰাজীতে শিক্ষাদানৰ আগ্ৰহ প্ৰকাশ কৰিছে ঃ পেগু

**ধেমাজি, ২ আগষ্ট ঃ** চৰকাৰী বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান ইংৰাজী ভাষাত পঢ়ুৱাৰ বাবে লোৱা সিদ্ধান্ত অতি সঠিক আৰু ই ৰাজ্যৰ শিক্ষা ক্ষেত্ৰখনলৈ যুগান্তকাৰী পৰিৱৰ্তন আনিব বুলি দাবী কৰিছে ৰাজ্যৰ শিক্ষা মন্ত্ৰী ৰণোজ ১০ পৃষ্ঠাত চাওক

২০১৪ৰ পৰা দেশে কোনো অমৃত পোৱা নাই

## পুঁজিপতিক সহায় কৰিবলৈ ঘৰে ঘৰে ত্ৰিৰংগা কাৰ্যসূচী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২ আগষ্ট ঃ** চৰকাৰে স্বাধীনতাৰ অমৃত মহোৎসৱ পাতিছে যদিও বিজেপি চৰকাৰৰ দিনত বিগত ২০১৪ৰ পৰা চলিত ২০২২লৈ দেশৰ নাগৰিকে কোনো অমৃত পোৱা নাই। এইখন চৰকাৰৰ দিনত দেশবাসীয়ে ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩২° | ২৬° |
| ডিব্ৰুগড় | ৩১° | ২৬° |
| দিল্লী | ৩৫° | ২৮° |
| কলকাতা | ৩০° | ২৮° |
| মুম্বাই | ৩২° | ২৭° |
| চেন্নাই | ৩২° | ২৭° |
| বাংগালুৰু | ২৭° | ২০° |
| শ্বিলং | ২৩° | ১৮° |

*২ আগষ্ট, ২০২২*



পৰীক্ষা বহী পুনৰীক্ষণৰ দাবীত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদত উত্তপ্ত গুৱাহাটী বিশ্ববিদ্যালয়, মঙলবাৰে।

পীযুষ হাজৰিকাই প্ৰকাশ কৰিলে আলোকচিত্ৰ ঃ পশ্চিমবংগৰ চিআইডিৰ তদন্ত তীব্ৰতৰ ঃ কলকাতাত পুনৰ জব্দ বৃহৎ পৰিমাণৰ ধন

# ঝাৰখণ্ডৰ বিধায়কক মুখ্যমন্ত্ৰী শৰ্মাই সাক্ষাৎ কৰাই দিছিল কয়লা মন্ত্ৰীৰে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২ আগষ্ট ঃ** বৃহৎ অংকৰ নগদ ধনসহ কলকাতাত গ্ৰেপ্তাৰ হোৱা ঝাৰখণ্ডৰ তিনি কংগ্ৰেছী বিধায়কৰ প্ৰসংগত ক্ৰমাৎ আকৰ্ষণীয় হৈ পৰিছে পটভূমি। গ্ৰেপ্তাৰৰ পূৰ্বে তিনি কংগ্ৰেছী বিধায়কে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰিছিল বুলি পশ্চিমবংগ আৰক্ষীৰ চিআইডিয়ে তথ্য সদৰী কৰাৰ পাছতে মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু তথ্য আৰু জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকাই আজি টুইটাৰযোগে আৰম্ভ কৰে প্ৰতি-আক্ৰমণ। কংগ্ৰেছ বিধায়কক ক্ৰয় কৰি ঝাৰখণ্ডৰ চৰকাৰৰ পতন ঘটাবলৈ চেষ্টা কৰা বুলি অভিযোগ তুলি মুখ্যমন্ত্ৰী ড° শৰ্মাৰ বিৰুদ্ধে আৰক্ষীত এজাহাৰ দাখিল কৰা বিধায়ক কুমাৰ জয়মংগল সিঙে নিয়মীয়াকৈ অসমৰ মুখ্যমন্ত্ৰীৰে যোগাযোগত থাকে বুলি আজি তথ্য প্ৰকাশ কৰিছে মন্ত্ৰী হাজৰিকাই। মন্ত্ৰীজনে টুইটাৰযোগে কুমাৰ জয়মংগল সিঙে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ স'তে কেন্দ্ৰীয় কয়লা মন্ত্ৰী প্ৰহ্লাদ যোশীক সাক্ষাৎ কৰাৰ ছয় পৃষ্ঠাত চাওক

■ হাত খৰচ লাভ কৰে এবিটিৰ সদস্যই ■ বিতৰ্কিত জাকিৰ নায়কৰ মানসিকতা পৰিৱৰ্তনৰ কিতাপ উদ্ধাৰ বৰপেটাত ■ পশ্চিমবংগৰ স'তে যোগসূত্ৰ উদ্ধাৰ ■ উপস্থিত বিশেষ তদন্তকাৰী

# জেহাদীৰ ধন প্ৰেৰণৰ উৎস বিচাৰি অনুসন্ধান

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২ আগষ্ট ঃ** জেহাদী সংগঠনৰ সদস্য হোৱাৰ সূত্ৰে 'হাত খৰচ' লাভ কৰে একাংশই। তাৰ বাবে ক'ৰ পৰা কিদৰে ধনৰ লেনদেন হয় সেই সন্দৰ্ভত বৰপেটাত শেহতীয়াকৈ ধৃত আনছাৰুল্লা বাংলা টীম (এবিটি)ৰ সদস্যসকলৰ ধাৰাবাহিক জেৰা অব্যাহত ৰখা হৈছে। ইতিমধ্যে মৰিগাঁৱত ধৃত এজন সন্দেহযুক্ত জেহাদীৰ লগত ধনৰ ব্যাপক লেনদেনৰ তথ্য উদ্ধাৰ হৈছে। তাৰ বিপৰীতে অসমত এবিটিয়ে অভিকেন্দ্ৰৰূপে ব্যৱহাৰ কৰা বৰপেটাত ধৃত সদস্যসকলৰ ক্ষেত্ৰত ধন লেনদেনৰ বিষয়টো স্পষ্ট নহ'লেও মাজে সময়ে সেইসকলে হাত খৰচ পোৱাৰ তথ্য উদ্ধাৰ হৈছে। ধৃত কে'বাজনো অভিযুক্তই সেই কথা সদৰী কৰিছে; কিন্তু তেওঁলোকক কোনে কিদৰে ধনৰ যোগান ধৰিছিল তাৰ তথ্য স্পষ্ট হোৱা নাই। জেৰাত পোহৰলৈ অহা তথ্য অনুসৰি শ্বৰীয়া আইনৰ প্ৰতি আসক্ত কৰিবলৈ ধৃত প্ৰতিজনকে কে'বাটাও উৎসৰ পৰা বিভিন্ন কিতাপপত্ৰ, পুস্তিকা আদি যোগান ধৰা হৈছিল। সেইবোৰৰ ভিতৰত বিতৰ্কিত ইছলামিক পণ্ডিত জাকিৰ নায়কৰ কে'বাখনো মানসিকতা পৰিৱৰ্তন বিষয়ক কিতাপ আৰু পুস্তিকা উদ্ধাৰ হৈছে। তদুপৰি আৰবী ভাষাত লিখা আন বহু পুস্তিকাৰ ভাবাৰ্থ উদ্ধাৰৰ প্ৰক্ৰিয়া অব্যাহত আছে। এই কিতাপবোৰো কেনে যোগান ধৰিছিল তথা কোন উৎসৰ পৰা আহিছিল তাক ১০ পৃষ্ঠাত চাওক

## হাবুং টি ইণ্ডাষ্ট্ৰিৰ চিটিচি মেচিনত ভৰি সোমাই ঘূণীয়া হ'ল শ্ৰমিক

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়/ধেমাজি, ২ আগষ্ট ঃ** ৰাজ্যৰ চাহ ফেক্টৰী সমূহত জীৱন মৃত্যুৰ স'তে যুঁজি কৰ্মচাৰীসকলে নিজৰ কৰ্ম কৰি থকাৰ সময়ত ইটোৰ পাছত সিটো দুৰ্ঘটনা সংঘটিত হ'বলৈ ধৰাত উদ্যোগটোলৈ অশনি সংকেত নামি আহিছে। ডিব্ৰুগড়ৰ লেপেটকটা চাহ বাগিচাত মইনা নায়কৰ ভয়ংকৰ ঘটনাৰ পৰৱৰ্তী সময়ত ৰাজ্যত আন ছয় পৃষ্ঠাত চাওক

আৰক্ষীৰে হতাহতি ঃ আটক কৰি আঁতৰাই নিলে ঃ অধিকাংশই অনুত্তীৰ্ণ ঃ কৰ্তৃপক্ষ

# বহী পুনৰীক্ষণৰ দাবীত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদত উত্তপ্ত গুৱাহাটী বিশ্ববিদ্যালয়

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২ আগষ্ট ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয়সমূহৰ পঞ্চম ষাণ্মাসিকৰ চূড়ান্ত পৰীক্ষাৰ বহী চোৱাত ব্যাপক বিসংগতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। সেয়েহে বহীসমূহ পুনৰ পৰীক্ষাৰ দাবী জনাই আজি কে'বাখনো মহাবিদ্যালয়ৰ পৰা অহা কে'বাশ ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় ভৱনৰ মূল দুৱাৰৰ সমীপত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। দীৰ্ঘসময় ধৰি এই প্ৰতিবাদ চলাৰ ফলত বিশ্ববিদ্যালয়ৰ কাম-কাজত ব্যাঘাত জন্মে। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই প্ৰথমতে ছাত্ৰ-ছাত্ৰীসকলক সৈমান কৰাৰ চেষ্টা চলায় যদিও প্ৰতিবাদ অব্যাহত ৰখাত অৱশেষত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীক মাতিবলগীয়া হয়। তাৰ পাছত জালুকবাৰীৰ আৰক্ষীৰ এটা দল প্ৰতিবাদস্থলীত ছয় পৃষ্ঠাত চাওক

## বৰপেটাত জেহাদীৰ সন্দেহত পুনৰ এজনক গ্ৰেপ্তাৰ

১০ জনলৈ বৃদ্ধি ধৃত

**বিশেষ সংবাদদাতা**
**বৰপেটা, ২ আগষ্ট ঃ** জেহাদী সংগঠন আনছাৰউল্লাহ বাংলা টীম (এবিটি)ৰ লগত জড়িত থকাৰ অভিযোগত বৰপেটাত আৰু এজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ধৃত লোকজন হ'ল বৰপেটাৰ গৰেমাৰী নিবাসী ছফিক উদ্দিন আহমেদ। জেহাদী কাৰ্যকলাপত জড়িত থকাৰ তথ্য উদ্ধাৰৰ পাছতে আৰক্ষীয়ে ছফিকক কৰায়ত্ত কৰাৰ অভিযান চলায়; কিন্তু তাৰ ১০ পৃষ্ঠাত চাওক

বিভিন্ন আঁচনিৰ অধীনত গ্ৰাহকক মাটি দিয়াৰ নামত ভুৱা প্ৰতিষ্ঠান খুলি ধন আত্মসাৎ কৰা শিৱসাগৰৰ চাৰি যুৱক বিআইইঅ'ৰ জালত

# বিভিন্ন আঁচনিৰে মাটি দিয়াৰ নামত পাঁচ শতাধিকৰ পৰা ধন সংগ্ৰহ

স্বয়ম্ভূ পৰিচালন সঞ্চালক জ্যোতি গগৈ পলাতক ■ ভাষ্য সংগ্ৰহৰ বাবে ২০ ভুক্তভোগীলৈ জাননী



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২ আগষ্ট ঃ** ভুৱা বিত্তীয় প্ৰতিষ্ঠানৰ আৰ্হিৰে গ্ৰাহকক মাটি দিয়াৰ নামত ৰাজ্যত ২০০৯ৰ পৰা ২০১৪লৈ লুণ্ঠনৰ জাল পেলোৱা 'ৰিয়েল ইষ্টেট এণ্ড কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেড' নামৰ এটা ভুৱা প্ৰতিষ্ঠানৰ চাৰিজনকৈ প্ৰৱঞ্চকক আজি অসম আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ ১০ পৃষ্ঠাত চাওক

## চেঙা তেল



*পেকেটত সোমাই জিএছটি লাগিল বুলি আমাৰ আগত দাম বাঢ়িল বুলি বাহাদুৰী মাৰিব নালাগে!*

বিদ্যালয় প্ৰাদেশিকীকৰণ বন্ধ-ইংৰাজী ভাষা জাপি দিয়াৰ প্ৰতিবাদ

# তীব্ৰ ভাষা আন্দোলন গঢ়ি তোলাৰ হুংকাৰ এবছু-বড়ো সাহিত্য সভাৰ

**অগ্ৰদূত বাৰ্তা**
**টংলা, ২ আগষ্ট ঃ** ভাষা, সাহিত্য সংস্কৃতি, শিক্ষা, মাধ্যম নহ'লে এটা জাতিৰ স্বকীয় পৰিচয় বিচাৰি পোৱা নাযায়। প্ৰথমে আমি আমাৰ প্ৰজন্মক নিজৰ মাকক ভাল পাবলৈ শিকাব লাগিব তাৰ পাছত নিজৰ মাতৃভাষাক আৰু তেনেকৈ জাতি আৰু দেশখনক ভাল পোৱা কৰিব পাৰিলে আমি সফল হ'ম। চৰকাৰখনে আদৰ্শ বিদ্যালয় স্থাপনৰে মাতৃভাষাক ধ্বংস কৰাৰ ষড়যন্ত্ৰ ১০ পৃষ্ঠাত চাওক



আন্তঃৰাষ্ট্ৰীয় মঞ্চত পুনৰ বিকৃত ৰূপত উপস্থাপন

## বিহুৰ বাবে চেন্সৰ ব'ৰ্ড গঠনৰ পৰামৰ্শ শিল্পী সংস্থাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২ আগষ্ট ঃ** বিহুৰ স্বকীয়তা আৰু মৰ্যাদা ৰক্ষাৰ বাবে এখন 'চেন্সৰ ব'ৰ্ড'ৰ প্ৰয়োজনীয়তাৰ আজি উল্লেখ কৰে বিহু কৃষ্টি পৰিষদ অসমে। আজি ইয়াত এক সংবাদমেলত পৰিষদৰ নেতৃবৃন্দই কয় যে চেন্সৰ ব'ৰ্ড নথকা বাবেই বিহু নৃত্যক সঘনে বিকৃত ৰূপত উপস্থাপনৰ ঘটনা সংঘটিত হৈ ১০ পৃষ্ঠাত চাওক

টিউছনলৈ ওলাই যোৱাৰে পৰা নিৰুদ্দেশ ঃ অপৰাধীৰ শুংসূত্ৰ পোৱা নাই আৰক্ষীয়ে

# লামডিঙত ছাত্ৰীৰ বিবস্ত্ৰ মৃতদেহ উদ্ধাৰ, ধৰ্ষণ কৰি নৃশংস হত্যাৰ সন্দেহ

**অগ্ৰদূত বাৰ্তা**
**কাকী, ২ আগষ্ট ঃ** যি সময়ত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'বেটি বচাও বেটি পঢ়াও' আহ্বান জনাইছে সেই সময়ত হোজাইৰ লামডিঙত সংঘটিত হৈছে এক জঘন্য ঘটনা। যি ঘটনাই ৰেলনগৰীখনত যে যুৱতী-মহিলাৰ নিৰাপত্তা নাইকিয়া হৈছে সেই কথাকেই প্ৰমাণ কৰিছে। যোৱা নিশা লামডিঙৰ কৃষ্ণবস্তিৰ শালবাগানত ৱিবস্ত্ৰ অৱস্থাত এগৰাকী ছাত্ৰীৰ মৃতদেহ উদ্ধাৰ হয়। ইয়াকে লৈ চাঞ্চল্য বিৰাজ কৰিছে লামডিঙত। গণেশটিলাৰ বাসিন্দা ছাত্ৰীগৰাকী টিউচনলৈ বুলি কালি বিয়লি চাৰি বজাত ঘৰৰ পৰা ওলাই আহিছিল। কিন্তু ৰহস্যজনকভাৱে ছাত্ৰীগৰাকীৰ মৃতদেহ নিশা কৃষ্ণবস্তিৰ শালবাগানত উদ্ধাৰ হয়। স্থানীয় লোকে যুৱতীগৰাকীক প্ৰথমে ধৰ্ষণ কৰি হত্যা কৰাৰ সন্দেহ ১০ পৃষ্ঠাত চাওক

## স্বাস্থ্য বিভাগৰ চতুৰ্থ বৰ্গৰ পদৰ বাছনি পৰীক্ষা চাৰি ছেপ্টেম্বৰত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২ আগষ্ট ঃ** বানপানীৰ বাবে কে'বাবাৰো স্থগিত ৰাখিবলগীয়া হোৱা অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ চতুৰ্থ বৰ্গৰ পদৰ লিখিত পৰীক্ষা অহা চাৰি ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব। আজি ইয়াত সাংবাদিকৰ আগত এই ঘোষণা কৰে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। মন্ত্ৰীজনে লগতে কয় যে চতুৰ্থ বৰ্গৰ পৰীক্ষাৰ পাছতে তৃতীয় বৰ্গৰ ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, ৩ আগষ্ট, ২০২২ বুধবাৰ পৃষ্ঠা তিনি



# বিছমুথিয়াৰীক জনজাতিকৰণক লৈ বিৰূপ মন্তব্য নকৰিবলৈ সকীয়নি

অগ্ৰদূত বাৰ্তা

**দোতমা, ২ আগষ্ট ঃ** কিছুদিন পূৰ্বে প্ৰাক্তন সাংসদ চানছুমা খুংগুৰ বিছমুথিয়াৰীয়ে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰুদ্ধে মন্তব্য কৰিবলৈ গৈ কোচ ৰাজবংশীৰ লগতে অন্য পাঁচ জনগোষ্ঠীৰ জনজাতিৰ মৰ্যাদা পোৱাৰ যোগ্যতা নাই বুলি টুলুঙা আৰু অপমানসূচক মন্তব্য আগবঢ়োৱা বুলি চিলাৰায় উন্নয়ন মঞ্চই গৰিহণা দিয়ে। প্ৰাক্তন সাংসদজনে জনজাতিকৰণৰ বিৰোধিতা কৰিবলৈ গৈ সংবিধানৰ অনুচ্ছেদ ৩৪১ অনুসৰি কোচ ৰাজবংশীৰ লগতে অন্য পাঁচ জনগোষ্ঠীৰ জনজাতিৰ মৰ্যাদা লাভ কৰাৰ যোগ্যতা নাই বুলি কৰা মন্তব্য সম্পূৰ্ণ ভিত্তিহীন আৰু অপ্ৰাসংগিক বুলি অভিহিত কৰে চিলাৰায় উন্নয়ন মঞ্চৰ উপ-সভাপতি হৃদয় কুমাৰ ৰায়ে। কিয়নো ভাৰত চৰকাৰে সংবিধান অনুসৰি জনজাতিকৰণৰ বাবে যি পাঁচটা বৈশিষ্ট্যৰ আৱশ্যক সেয়া কোচ ৰাজবংশী জনগোষ্ঠীৰ আছে বুলি প্ৰকাশ কৰি জনজাতিকৰণৰ ক্ষেত্ৰত কোনো বাধা নাই বুলি ইতিমধ্যে প্ৰকাশ কৰিছে। ২০১৯ৰ জানুৱাৰীতেই *ছয় পৃষ্ঠাত চাওক*

## গাঁওবুঢ়া বুলবুল হুছেইন-ৱাৰ্ড সদস্যাৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিবাদ

**কলগাছিয়া, ২ আগষ্ট ঃ** দুৰ্নীতিৰ বিৰুদ্ধে ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰ কঠোৰ হৈ আহিছে যদিও দুৰ্নীতি কৰাসকলে দুৰ্নীতি কৰিয়েই গৈছে। এইবাৰ বৰপেটা জিলাৰ ভৱানীপুৰ খণ্ডৰ অন্তৰ্গত কুমিল্লাপাৰা গাঁও পঞ্চায়তৰ গৰেমাৰী গাঁৱত বানপানীৰ সময়ত শিবিৰ পাতি থকা লোকক বান সাহায্যৰ পৰা বঞ্চিত কৰাৰ অভিযোগ উঠিছে। বান সাহায্য বিতৰণৰ ক্ষেত্ৰত ব্যাপক দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উত্থাপন হৈছে। *ছয় পৃষ্ঠাত চাওক*

■ ধুবুৰীৰ চৈবাৰীৰ ৰাজপথত দুষ্কৃতিকাৰীৰ তাণ্ডৱ ■ ছাই কঢ়িওৱা ছখন বাহনৰ ক্ষতিসাধন

# ধন দাবী কৰি ট্ৰাক চালকক হাৰাশাস্তি



*জনজাতিকৰণকে ধৰি বিভিন্ন দাবীত আছুৰ প্ৰতিবাদ, বঙাইগাঁৱত।*

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ/চাপৰ, ২ আগষ্ট ঃ** যোৱা নিশা প্ৰায় ১১ বজাত চাপৰ থানাৰ অন্তৰ্গত চৈবাৰীত দুৰ্বৃত্তৰ দলে ছালাকাটিৰ পৰা ছাই কঢ়িওৱা ছখন ট্ৰাক তথা কন্টেইনাৰত আক্ৰমণ কৰি ক্ষতিসাধন কৰা ঘটনাই অঞ্চলজুৰি উত্তেজনাৰ সৃষ্টি কৰিছে। উল্লেখ্য যে ছালাকাটিস্থিত এনটিপিচিৰ বৰ্জদ্ৰব্য ছাই সদৃশ পদাৰ্থসমূহ দীৰ্ঘদিন ধৰি চাপৰৰ চৈবাৰীৰ মাজেৰে এটা ছিণ্ডিকেট চক্ৰই ট্ৰাক তথা কন্টেইনাৰেৰে সৰবৰাহ কৰি আছে। আনহাতে উক্ত বৰ্জদ্ৰব্যসমূহ চিমেণ্ট ভেজালকৰণত ব্যৱহৃত কৰা হয় বুলি অভিযোগ উত্থাপিত হৈ আহিছে। এই ভেজালকৰণৰ কামত ব্যৱহাৰৰ কৰা বাবেই অত্যধিক চাহিদা থকা এই ছাইভৰ্তি প্ৰায় শতাধিক বাহন প্ৰতিদিনে এই অঞ্চলৰ মাজেৰে পাৰ হৈ গুৱাহাটীৰ পাৰ্শ্বৱৰ্তী তথা মেঘালয়ৰ বিভিন্ন চিমেণ্ট প্ৰস্তুত কৰা কাৰখানাসমূহলৈ সৰবৰাহ *ছয় পৃষ্ঠাত চাওক*

## বাদুলিপাৰত কৌশলেৰে এটিএম কাৰ্ড সলনি কৰি দুৰ্বৃত্তই লুটিলে লক্ষাধিক টকা

**আৰক্ষীৰ তৎপৰতাত গ্ৰেপ্তাৰ হাৰিয়ানাৰ চাৰি যুৱক**

**খুমটাই, ২ আগষ্ট ঃ** গোলাঘাট জিলাৰ দেৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বাদুলিপাৰত যোৱা দুই জুলাইত খুমটাই ভোলাগুৰিৰ প্ৰাঞ্জল গগৈ নামৰ এজন লোকে বাদুলিপাৰত থকা এছবিআই এটিএমৰ পৰা ধন উলিয়াই থাকোতে এটিএমটোৰ ভিতৰত থকা চাৰিজন বহিঃৰাজ্যৰ লোকে কৌশলেৰে গগৈৰ স'তে বাৰ্তালাপ কৰি এটিএম কাৰ্ডখন সলনি কৰি নি প্ৰায় এক লাখ ১৬ হেজাৰ টকা উলিয়াইছিল। ইফালে, লোকজনে কেইদিনমানৰ পাছত হাতত থকা এটিএম কাৰ্ডখনৰ জৰিয়তে পুনৰ এটিএমৰ পৰা ধন উলিয়াবলৈ আহি হতবাক হৈ পৰে কাৰণ তেওঁৰ হাতত থকা এটিএমখনে ধন উলিয়াব নোৱাৰি বেংক কৰ্তৃপক্ষৰ স'তে যোগাযোগ কৰে। ইফালে, বেংক কৰ্তৃপক্ষই গগৈৰ হাতত থকা এটিএমখন তেওঁৰ নহয় বুলি জনোৱাৰ লগতে তেওঁৰ উক্ত একাউণ্টৰ পৰা এক লাখ ১৬ হেজাৰ টকা এটিএমৰ যোগেদি উলিওৱাৰ কথা অৱগত কৰে। হতবাক হৈ পৰা লোকজনে বেংক একাউণ্টৰ পৰা *ছয় পৃষ্ঠাত চাওক*

## বঙাইগাঁও ৰেল ষ্টেছনত অঘটন, নিৰ্মীয়মাণ মূধচ পৰি সাত শ্ৰমিক গুৰুতৰভাৱে আহত



অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২ আগষ্ট ঃ** বঙাইগাঁও ৰেল ষ্টেছনত নৱনিৰ্মিত প্লেটফৰ্মৰ মূধচ নিৰ্মাণ কৰি থাকোতে আজি সন্ধিয়া ৫.৪৫ মান বজাত মূধচ খহি পৰাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় সাতজনকৈ নিৰ্মাণ শ্ৰমিক। তথ্য মতে, আঘাতপ্ৰাপ্ত শ্ৰমিকসকলক সংকটজনক অৱস্থাত বঙাইগাঁৱৰ 'ল'ৱাৰ আছাম হাস্পতাল এণ্ড ৰিছাৰ্চ চেন্টাৰ বঙাইগাঁও অসামৰিক চিকিৎসালয়'ত ভৰ্তি কৰোৱা হৈছে। ইয়াৰে দুজনক ল'ৱাৰ আছাম হাস্পতাল এণ্ড ৰিছাৰ্চ চেন্টাৰত আৰু পাঁচজনক অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ঘটনাৰ পাছতে ঘটনাস্থলীত বিধায়ক ফণীভূষণ চৌধুৰীৰ *ছয় পৃষ্ঠাত চাওক*

**মৃত ছাত্ৰীৰ দোষীক কঠোৰ শাস্তিৰ দাবী**

## ছাত্ৰীৰ অশ্লীল ভিডিঅ' প্ৰস্তুত কৰা তিনি অভিযুক্তক জেল হাজোতলৈ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২ আগষ্ট ঃ** তিনি বন্ধুৱে মিলি এগৰাকী নৱম শ্ৰেণীৰ ছাত্ৰীৰ অশ্লীল ভিডিঅ' প্ৰস্তুত কৰি ধন দাবী কৰাত ছাত্ৰীগৰাকীয়ে বিহপান কৰি আত্মহত্যা কৰে। ঘটনাটো সংঘটিত হৈছিল কামৰূপ জিলাৰ শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত বংশৰ বৰবাৰী পাহাৰত। ছাত্ৰীগৰাকীৰ মাতৃয়ে শুৱালকুছি থানাত এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে তিনি অভিযুক্তক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে জনোৱা মতে, যোৱা ১২ জুলাইত ছাত্ৰীগৰাকীয়ে বিয়লি ৩-৩০ বজাত ঘৰৰ পৰা টিউচনলৈ ওলাই আহে। শ্ৰীহাটী হাইস্কুলৰ সমীপত শুৱালকুছি কৈৱৰ্তপাৰাৰ কৃষ্ণ দাসৰ পুত্ৰ অৰ্জনে ফুচুলাই ছাত্ৰীগৰাকীক মটৰ চাইকেলত উঠাই বামুন্দীৰ ধাৰেশ্বৰী মন্দিৰলৈ লৈ যায়। তাত তেওঁৰ দুই বন্ধু ক্ৰমে শিলিগুৰিৰ হৰিচৰণ দাসৰ পুত্ৰ নিপন দাস আৰু একে গাঁৱৰ দীপক মজুমদাৰৰ পুত্ৰ ত্ৰিদিপ মজুমদাৰে মিলি পূৰ্ব পৰিকল্পনা মতে *ছয় পৃষ্ঠাত চাওক*



## গোৱালপাৰাত পাঁচ হেজাৰ বটল নিচাজাতীয় ফেন্সীডাইল কফ ছিৰাপ জব্দ আৰক্ষীৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২ আগষ্ট ঃ** আজি পুৱতি নিশা অভিযান চলাই গোৱালপাৰা চহৰৰ ভালুকডুবিত আৰক্ষীয়ে পাঁচ হেজাৰ বটল নিচাজাতীয় ফেন্সীডাইল কফ ছিৰাপ জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, এক গোপন সূত্ৰৰ পম খেদি আজি পুৱতি নিশা ৩-৩০ বজাত গোৱালপাৰাৰ উপ-আৰক্ষী অধীক্ষক অনুৰাগ শৰ্মাৰ নেতৃত্বত সদৰ আৰক্ষীয়ে ভালুকডুবিত অভিযান চলাই এমএল-০৮ এইছ- ৩৪১৮ নম্বৰৰ মিনি ট্ৰাকখনৰ পৰা নিচাজাতীয় ফেন্সীডাইল কফ ছিৰাপৰ বটলসমূহ জব্দ কৰাৰ লগতে ট্ৰাকখনৰ চালক হাচিবুল হক আৰু ৰুজাবুল হকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জব্দকৃত কফ ছিৰাপখিনিৰ বজাৰ মূল্য প্ৰায় ২০ লাখ টকা হ'ব বুলি জানিব পৰা গৈছে। ধৃত হাচিবুল হকৰ ঘৰ মানকাচৰত আনহাতে, ৰুজাবুল হকৰ ঘৰ গোৱালপাৰা চহৰৰ হাচিলাবিলত বুলি জানিব পৰা গৈছে। উল্লেখ্য যে গোৱালপাৰা চহৰৰ নিকটবৰ্তী গোবিন্দপুৰ চালাৰ পৰা অতি কৌশলগতভাৱে আৰক্ষীৰ চকুত ধূলি দিয়াৰ উদ্দেশ্যে ট্ৰাকখনত চিমেণ্ট আৰু টাইলছ উঠাই তলত বস্তাত কফ ছিৰাপৰ বটলসমূহ ভৰাই মেঘালয়লৈ গৈ থকা অৱস্থাত ভালুকডুবিৰ ৰাজপথত আৰক্ষীয়ে প্ৰত্যক্ষ কৰি ট্ৰাকখনত তালাচী চলাই জব্দ কৰে। সম্প্ৰতি গোৱালপাৰা সদৰ আৰক্ষী থানাত হাচিবুল হক আৰু ৰুজাবুল হকক জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে।

## তিতাবৰ মেজেঙাত বাঘৰ উপদ্ৰৱ

অগ্ৰদূত বাৰ্তা

**মেলামাটি, ২ আগষ্ট ঃ** তিতাবৰ সমষ্টিৰ বেবেজীয়া গাঁও পঞ্চায়তৰ মেজেঙাত প্ৰায় এসপ্তাহ ধৰি অঞ্চলটোৰ কে'বাটাও পৰিয়ালৰ ঘৰত নিশাৰ ভাগত এজনী পোৱালি মাইকী বাঘে গৰু-ছাগলী মাৰি উপদ্ৰৱ কৰিছে বুলি স্থানীয় ভুক্তভোগী পৰিয়ালে সদৰী কৰিছে। যোৱা নিশা মেজেঙাৰ সোণালী গাঁৱৰ অঞ্জু শইকীয়াই জনোৱা মতে নিশা ১২ বজাত তেওঁলোকৰ ঘৰৰ শোৱনি কোঠাৰ কাষতে থকা ছাগলীৰ গঁড়ালৰ পৰা বাঘে এটা ছাগলী গঁড়ালতে মাৰি থৈ যোৱাৰ লগতে এটা ছাগলী বাঘে ধৰি লৈ যায়। ঘৰৰ গৃহস্থই চিঞৰ-বাখৰ কৰাত গাঁওৰক্ষী বাহিনীৰ লোকে আহি বাঘে ছাগলী ধৰি নিয়া প্ৰত্যক্ষ কৰে। মন কৰিবলগীয়া কথা যে কাষতে মেজেঙানি চাহ বাগিচাত পোৱালি মাইকী বাঘিনীজনীয়ে আশ্ৰয় লৈ আছে। সেয়ে স্থানীয় ৰাইজৰ নিশাৰ ভাগত ঘৰৰ বাহিৰত ওলাবলৈ ভয় কৰিছে। বাঘৰ পোৱালি ৰাইজে প্ৰত্যক্ষ কৰাৰ লগতে আৰু এটা পোৱালি মুকলি ঠাইলৈ ওলাই আহি ৰাইজক *ছয় পৃষ্ঠাত চাওক*

## চতিয়াত পুত্ৰক হত্যা কৰি পিতৃয়ে থলে ওলোমাই

অগ্ৰদূত বাৰ্তা

**চতিয়া, ২ আগষ্ট ঃ** চতিয়াৰ জয়সিদ্ধি বেজ গাঁৱত সংঘটিত হৈছে অঘটন। বিয়লি তিনি বজাত জয়সিদ্ধিৰ বেজ গাঁৱৰ ৰাহুল বৰা (১৭) নামৰ কিশোৰজনক ঘৰৰ ভিতৰত চিপ লৈ থকা অৱস্থাত প্ৰত্যক্ষ কৰে স্থানীয় লোকে। স্থানীয় ৰাইজে ঘটনাস্থলীত উপস্থিত হৈ ৰাহুলক পিতৃ বিনিত বৰাই পৰিকল্পিতভাৱে হত্যা কৰি চিপ লগাই মুখত কাপোৰৰ সোপা দি ওলোমাই থোৱাৰ সন্দেহ কৰিছে। ইতিমধ্যে ইটাখোলা আৰক্ষী চকীৰ বিষয়া ভাস্কৰজ্যোতি শইকীয়াই ৰাহুলৰ পিতৃ বিনিতক আটক কৰি সোধপোছৰ বাবে আৰক্ষী থানালৈ লৈ গৈছে। উল্লেখ্য যে ইতিপূৰ্বে বিনিতে তেওঁৰ পত্নীকো ছয় বছৰ পূৰ্বে দিল্লীত হত্যা কৰাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে।

## ভূ-মাফিয়াই পিআৰএফৰ ভূমি তথা বন্যহস্তীৰ কৰিড'ৰ বেদখল কৰাৰ অভিযোগ

**নীৰৱ গোৱালপাৰাৰ বন বিভাগ**



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ ৰাক্ষসিনী দ্বিতীয় খণ্ডৰ প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত তথা বন্যহস্তীৰ কৰিড'ৰ হিচাপে চিহ্নিত শান্তিপুৰৰ এডোখৰ বনভূমি ভূ-মাফিয়াই বেদখল কৰা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি আগিয়া মহাবিদ্যালয়ৰ সমীপৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু উৰপদ বিলৰ মাজভাগত থকা প্ৰায় এক হেক্টৰ বনভূমিত থকা হাবি-জংঘল কাটি যোৱা *ছয় পৃষ্ঠাত চাওক*

## যমুনামুখত এক কোটি টকাৰ ড্ৰাগছসহ তিনিজনক আটক



অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২ আগষ্ট ঃ** ড্ৰাগছৰ বিৰুদ্ধে হোজাই আৰক্ষীৰ অভিযান অব্যাহত আছে। যোৱা নিশা যমুনামুখত আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ ব্ৰাউন ছুগাৰসহ তিনিজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। তথ্য অনুসৰি, হোজাই জিলা আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থৰ নিৰ্দেশত এক বিশেষ সূত্ৰৰ পমখেদি যমুনামুখ আৰক্ষী আৰু ক্ৰাইম ব্ৰাঞ্চৰ দলে নিশা যমুনামুখ- কামপুৰ সংযোগী গড়কাপ্তানী পথৰ পটিয়াপাম গাঁৱত কোনো লোকৰ বাবে অপেক্ষা কৰি থকা অৱস্থাত তিনি সৰবৰাহকাৰীক কৰায়ত্ত কৰিবলৈ চেষ্টা কৰে যদিও ড্ৰাগছ সৰবৰাহকাৰীৰ দলটো কামপুৰৰ দিশে পলাই যাবলৈ সক্ষম হয়। পৰৱৰ্তী সময়ত যমুনামুখ আৰক্ষীয়ে কামপুৰ আৰক্ষীৰ সহযোগত চলোৱা যৌথ এক অভিযানত কামপুৰ তেতেলীসৰা নীলকণ্ঠ ৰিছ'ৰ্টৰ পৰা কাৰায়ত্ত কৰে তিনি ড্ৰাগছ সৰবৰাহকাৰীক। ধৃত ড্ৰাগছ সৰবৰাহকাৰীকেইজন ক্ৰমে কচুৱাৰ আব্দুল ছালাম, তাফাজুল হুছেইন আৰু কামপুৰৰ আব্দুল খালেক। ধৃত ড্ৰাগছ সৰবৰাহকাৰীকেইজনৰ জিম্মাৰ পৰা পাঁচটাকৈ চাবোনৰ কেচভৰ্তি ব্ৰাউন ছুগাৰ উদ্ধাৰ হোৱাৰ লগতে কে'বাটাও ম'বাইল ফোন আৰক্ষীয়ে জব্দ কৰে। উদ্ধাৰকৃত ব্ৰাউন ছুগাৰখিনিৰ বজাৰ মূল্য এক কোটি টকা হ'ব বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ। অধিক তথ্যৰ বাবে আৰক্ষীয়ে তিনি ড্ৰাগছ সৰবৰাহকাৰীক মাৰাথন জেৰা অব্যাহত ৰাখিছে।

**ৰাজ্য চৰকাৰ-চুতীয়া উন্নয়ন পৰিষদৰ উদ্যোগ**

## চুতীয়া ছাত্ৰ সন্থাৰ ব্যৱস্থাপনাত এশ শিক্ষাৰ্থীক লোকসেৱা আয়োগৰ ক'চিং



**গুৱাহাটী, ২ আগষ্ট ঃ** কেন্দ্ৰীয় আৰু ৰাজ্যিক লোকসেৱা আয়োগৰ পৰীক্ষাকে ধৰি দেশৰ আন আন প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত অৱতীৰ্ণ হোৱাত সহায়ক হোৱাকৈ চুতীয়া জনগোষ্ঠীৰ এশজন ছাত্ৰ-ছাত্ৰীক চুতীয়া ছাত্ৰ সন্থাৰ ব্যৱস্থাপনাত ক'চিঙৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্য চৰকাৰ আৰু চুতীয়া উন্নয়ন পৰিষদৰ যৌথ তত্ত্বাৱধানত ৰূপায়িত এই প্ৰশিক্ষণ কাৰ্যসূচী আজি মহানগৰীৰ উজানবজাৰস্থিত কুমাৰ ভাস্কৰ নাট্যমন্দিৰত এক গাম্ভীৰ্যপূৰ্ণ *ছয় পৃষ্ঠাত চাওক*

■ ৱাৰ্ড সদস্যক বিচাৰি বাসগৃহত আৰক্ষী ■ পত্নীসহ আত্মগোপন ৱাৰ্ড সদস্যাৰ ■ বিডিঅ'ৰ তদন্ত ফুটুকাৰ ফেনত পৰিণত

## ৰূপহীহাটৰ জিউমাৰী পিএমএৱাইৰ গৃহ কেলেংকাৰিৰ তদন্ত আৰক্ষীৰ

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ২ আগষ্ট ঃ** নগাঁও জিলা গ্ৰামোন্নয়ন বিভাগৰ অধীনস্থ ৰূপহীহাট উন্নয়নৰ খণ্ডৰ জিউমাৰা গাঁও পঞ্চায়তৰ পিএমএৱাইৰ কেলেংকাৰিৰ তদন্ত আৰম্ভ কৰিছে আৰক্ষীয়ে। জাকিৰ হুছেইন(আইডি নম্বৰ ২১১৪৩৩৪) নামৰ অতি দৰিদ্ৰ হিতাধিকাৰীজনে গৃহ নিৰ্মাণৰ তিনিটা কিস্তিৰ মুঠ এক লাখ ৩৩ হেজাৰ পাঁচশ টকা ৱাৰ্ড সদস্য আইজুল ইছলামে আত্মসাৎ কৰা বুলি অভিযোগ তুলি ৰূপহীহাট আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। আৰক্ষীয়ে প্ৰথমাৱস্থাত গোচৰটোত গুৰুত্ব নিদিলেও 'দৈনিক অগ্ৰদূত' কাকতত ধাৰাবাহিকভাৱে বাতৰি প্ৰকাশ হোৱাৰ পাছত তদন্ত আৰম্ভ কৰিছে আৰক্ষীয়ে। আৰক্ষীয়ে অভিযুক্ত ৱাৰ্ড সদস্যাৰ বাসগৃহত উপস্থিত হৈ আইজুলক বিচাৰ-খোচাৰ কৰে। কিন্তু গোচৰৰ উমান পাই আউজুলে দ্বিতীয় পত্নীসহ আগতীয়াকৈ আত্মগোপন কৰে। ইপিনে, আৰক্ষীয়ে আইজুলক বিচাৰি তালাচী চলালেও জাকিৰ হুছেইনৰ এজাহাৰ ভিত্তিত গোচৰ ৰুজু নকৰা বুলি চৰ্চা চলিছে। এই গোচৰৰ সঠিক তদন্ত হোৱাটো বিচাৰিছে জিউমাৰী ৰাইজে। আনপিনে, আইজুলে তেওঁৰ দ্বিতীয় পত্নী আম্বিয়া *ছয় পৃষ্ঠাত চাওক*

## ছাত্ৰ-ছাত্ৰী, অভিভাৱক-স্থানীয় ৰাইজৰ প্ৰতিবাদত উত্তাল বিদ্যালয় চৌহদ

**আগমনীত সৰ্পমাৰী এলপি স্কুল বিলুপ্তিকৰণ প্ৰসংগ**



**তামাৰহাট, ২ আগষ্ট ঃ** ধুবুৰী জিলাৰ আগমনি শিক্ষা খণ্ডৰ অধীনস্থ সৰ্পমাৰী গাঁওস্থিত ৪০ বছৰ পুৰণি সৰ্পমাৰী এল পি স্কুলখন বিভাগীয় কৰ্তৃপক্ষই বিলুপ্তিকৰণ কৰাৰ প্ৰতিবাদত আজি বিদ্যালয়খনৰ কণ কণ ছাত্ৰ-ছাত্ৰী, অভিৱক আৰু স্থানীয় ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। তামাৰহাট থানা তথা গোলকগঞ্জ ৰাজহ চক্ৰৰ অন্তৰ্গত সৰ্পমাৰী গাঁওখনৰ সাধাৰণ ৰাইজ, বিদ্যালয়খনৰ কণ কণ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে আজি বিদ্যালয় *ছয় পৃষ্ঠাত চাওক*

## তেজপুৰৰ পৰোৱাত উচ্ছেদ



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২ আগষ্ট ঃ** তেজপুৰৰ পৰোৱাত আৰম্ভ হোৱা প্ৰসূতি আৰু নৱজাতকৰ চিকিৎসালয়ৰ সন্মুখত আজি এক উচ্ছেদ অভিযান চলায় শোণিতপুৰ প্ৰশাসনে। তেজপুৰ সদৰ ৰাজহ চক্ৰ বিষয়াৰ উপস্থিতিত চিকিৎসালয়খনৰ সন্মুখত তথা ব্যস্ততাপূৰ্ণ পথটোৰ কাষত অবৈধভাৱে গঢ় লৈ উঠা কে'বাখনো দোকান আজি উচ্ছেদ কৰা হয়। এস্কাভেটৰৰ সহায়ত চলা উচ্ছেদ অভিযানৰ সন্দৰ্ভত ৰাজহ চক্ৰ বিষয়াজনে প্ৰকাশ কৰে যে চিকিৎসালয়লৈ ৰোগীৰ আহ যাহ তথা এম্বুলেঞ্চ আদিৰ লগতে সেই পথৰে যাতায়াতৰ ক্ষেত্ৰত যাতে ভৱিষ্যতে কোনো সমস্যাৰ উদ্ভৱ নহয় আৰু পথৰ দাঁতিত নিশাৰ ভিতৰতে অবৈধভাৱে গঢ় লৈ উঠা দোকানসমূহৰ বাবে যাতে কোনো দুৰ্ঘটনা সংঘটিত নহয় তাৰ বাবেই প্ৰশাসনে এই ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখ্য যে আজি চলা এই উচ্ছেদ অভিযান শান্তিপূৰ্ণভাৱেই সমাপ্ত হয়।

**বিধৱা বোৱাৰীয়েকৰ স'তে কনিষ্ঠ পুত্ৰৰ বিয়া পাতি দিলে শাহুৱেক-শহুৰেকে**

## মঙলদৈৰ এখন ব্যতিক্ৰমী বিয়াই দৃষ্টি কাঢ়িছে সকলোৰে

বিশেষ সংবাদদাতা

**মঙলদৈ, ২ আগষ্ট ঃ** যি সময়ত শাহু-শহুৰৰ অত্যাচাৰৰ বলি হোৱা বোৱাৰীৰ বাতৰিয়ে শিৰোনাম দখল কৰে, সেই সময়ত দৰঙৰ মঙলদৈত দেখা গ'ল এক ব্যতিক্ৰমী দৃশ্য। কিছুদিন পূৰ্বে স্বামীৰ মৃত্যু হৈছিল যদিও বিধবা বোৱাৰীগৰাকীক নিজৰ ছোৱালীৰ দৰে মৰম-চেনেহৰ বান্ধোনত বান্ধি ৰাখি পুনৰ নিজৰ সৰু পুত্ৰৰ লগত কালি বিয়া পাতি দিলে শাহু-শহুৰে। মঙলদৈ চহৰৰ নিকতৱৰ্তী পৰাগ নগৰৰ জুলা চলিহা আৰু বংশীধৰ *ছয় পৃষ্ঠাত চাওক*



## প্ৰচাৰবিমুখ শিল্পী-সাহিত্যিক

# ভৰানীপ্ৰসাদ সৌকাধৰা

**জুনু বৰা**

৮০ৰ দশকৰ আৰম্ভণি অৰ্থাৎ অসম আন্দোলনৰ সময়তে বিশিষ্ট লেখক, চিত্ৰশিল্পী ভৰানীপ্ৰসাদ সৌকাধৰাৰ লগত আমাৰ চিনাকি হৈছিল আৰু সুদীৰ্ঘ চাৰিটা দশক জুৰি তেওঁৰ স'তে ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠে। চিত্ৰশিল্পী, কবি, গল্পকাৰ, ব্যংগ ৰচনা আৰু প্ৰৱন্ধলেখক হিচাপে তেওঁ অসমৰ সাহিত্য আৰু সাংস্কৃতিক জগতৰ এগৰাকী নমস্য ব্যক্তি। সাদিনীয়া অসমীয়া, জনমভূমি, অসম বাণী, অগ্ৰদূত, আমাৰ প্ৰতিনিধিকে ধৰি অসমৰ প্ৰায়বোৰ কাকত-আলোচনীত কেইবাটাও দশকজুৰি সৌকাধৰাই অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতি বিষয়ক অজস্ৰ প্ৰৱন্ধ-পাতি লিখি আহিছে। পূজা আৰু বিহুৰ সময়ত ওলোৱা বিশেষ সংখ্যাসমূহত তেওঁৰ বিহু আৰু সংস্কৃতি বিষয়ক লেখাবোৰ পঢ়িবলৈ আমি আগ্ৰহেৰে বাট চাই থাকো। সেইজন জনপ্ৰিয়, স্বনামধন্য ভৰানী প্ৰসাদ সৌকাধৰাই যোৱা ২৪ জুলাইত ৭৬ বছৰ বয়সত চিৰবিদায় মাগে। তেওঁৰ মৃত্যু অসমৰ সাহিত্য-সাংস্কৃতিক ক্ষেত্ৰখনৰ বাবে নিঃসন্দেহে অপূৰণীয় ক্ষতি।

সাহিত্য আৰু সাংস্কৃতিক সংগঠক হিচাপেও তেওঁ আছিল আগৰণুৱা। অসম আন্দোলনৰ মাজতে (১৯৮০ত) খানাপাৰা অঞ্চলত সাহিত্য সভা গঢ়ি তুলি প্ৰতিষ্ঠাপক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল আৰু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি একাংশ লোকক আগ্ৰহী কৰি তুলিছিল। তেওঁ অসম সাহিত্য সভাৰ আজীৱন সদস্য হিচাপে অসমীয়া ভাষা-সাহিত্যৰ বিকাশৰ বাবে চিন্তা-চৰ্চা কৰিছিল। বঁটা-বাহনৰ প্ৰতি শিল্পী-সাহিত্যিকগৰাকী মুঠেই লালায়িত নাছিল। জীৱনকালত তেওঁ শিল্পী আৰু সাহিত্যিক পেঞ্চন কোনোটোৱেই লাভ কৰা নাছিল। আনকি পেঞ্চনৰ বাবে বহুজনে কোৱাৰ পাছতো স্বাভিমানী সৌকাধৰাই আবেদনেই নকৰিলে। তেনে নিৰ্মোহ শিল্পী-সাহিত্যিক আমাৰ সমাজত একেবাৰে বিৰল।

ভৰানীপ্ৰসাদ সৌকাধৰাৰ জন্ম শিৱসাগৰ জিলাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী নামতি অঞ্চলৰ লোণপুৰীয়া গাঁৱত, ১৯৪৬ৰ ২৮ জানুৱাৰীত। পিতৃ জীউৰাম সৌকাধৰা আছিল কলিকতাত অসমৰ পৰা পঢ়িবলৈ যোৱা ছাত্ৰসকলৰ অন্যতম আৰু পৰৱৰ্তী সময়ত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ মুক্তিযোদ্ধা আৰু বৃত্তিগতভাৱে শিক্ষক। জীউৰাম সৌকাধৰাই ১৪ বাৰকৈ জেল খটাৰ পাছত ১৯৪২ত মুক্তি পায়। বৃটিছে পুলিচৰ হতুৱাই ধানৰ ভঁৰালত তলা লগাই দিয়ে। মাথোঁ সিমানেই নহয়, মাকৰ সাঁচতীয়া ৰূপৰ মুদ্ৰা এখৰাহিও বৃটিছক দিবলগা হৈছিল। বৃটিছৰ অত্যাচাৰত ছজনীয়া পৰিয়ালটো আৰ্থিকভাৱে জুৰুলা হৈ পৰে। শৈশৱত ভৰানীৰ স্বাস্থ্য-পাতি ভাল নথকাত তৃতীয়মান শ্ৰেণীলৈকে ঘৰতে থাকি পঢ়া-শুনা কৰিছিল। দেউতাক চহৰলৈ গ'লেই তেওঁৰ বাবে সাধুকথাৰ পুথিকে ধৰি শিশু গ্ৰন্থ কিনি আনিছিল আৰু সিবিলাক গোগ্ৰাসে গিলিছিল। তদুপৰি দেউতাকলৈ ডাকযোগে অহা সাদিনীয়া অসমীয়া, জনমভূমি আৰু অসম বাণী কাকতৰ শিশু শিতানবোৰ বৰ মনোযোগেৰে পঢ়িছিল আৰু সেই শিতানলৈ কবিতা, প্ৰৱন্ধৰ লগতে ছবি আঁকি পঠাইছিল।

দেউতাকে আনি দিয়া কিতাপবোৰৰ ভিতৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সমাজব্যৱস্থাত সন্তান কেনেকৈ আত্মনিৰ্ভৰশীল হ'ব পাৰে, তেনে কাহিনী থকা এখন গ্ৰন্থই তেওঁৰ জীৱনৰ গতিপথ সলনি কৰি দিছিল। তেওঁ নিজে পৰিয়ালৰ বোজা হ'বলৈ নিবিচাৰিছিল। গতিকে তেওঁ দহ বছৰমান বয়সতে গাঁৱৰে এজন ব্যক্তিৰ স'তে নামতিৰ পৰা ৰে'লেৰে আহি যোৰহাটৰ চিনামৰা ৰেলষ্টেচন পায়হি আৰু তাৰ পাছত সমীপৱৰ্তী কৰঙাৰ কমাৰগাঁৱত দা-কটাৰী আদি নিৰ্মাণ কৰা কমাৰশিল্পৰ লগত জড়িত হৈ পৰে। দহবছৰীয়া ল'ৰাটোৱে দা-কটাৰী নিৰ্মাণ কৰাৰ লগতে সেইবিলাক বজাৰত বিক্ৰী কৰি পঢ়াৰ খৰছ উলিয়ায়। বিচাৰ-খোচাৰ কৰাৰ পাছত ল'ৰাটোৰ শুংসূত্ৰ ওলাল যদিও তেওঁ ঘৰলৈ ঘূৰি যাবলৈ মান্তি নহ'ল। তেতিয়া শুভাকাংক্ষীসকলে কণমানি ল'ৰাটোক যোৰহাটৰ শংকৰদেৱ চেমিনাৰীত চতুৰ্থ শ্ৰেণীত নাম লগাই দিয়ে। ভৰানীয়ে আঠ কিলোমিটাৰ খোজকাঢ়ি অহা-যোৱা কৰি সেই স্কুলত পঢ়িছিল। তেওঁ নিজৰ ভৰিৰ ওপৰত থিয় হৈ কমাৰে দা-কটাৰী গঢ়াৰ দৰেই নিজৰ জীৱনটো গঢ়ি তুলিছিল অতি কষ্টেৰে।

ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোতেই তেওঁ যোৰহাট নৰ্মাল স্কুলৰ ড্ৰইং শিক্ষক মদনমোহন লহকৰৰ ছবিসমূহ দেখি আকৃষ্ট হৈছিল আৰু লহকৰৰ জৰিয়তে চিত্ৰশিল্পী সুৰেন বৰদলৈৰ লগত চিনাকি হৈছিল আৰু বৰদলৈৰ পৰা ছবি আঁকাৰ নীতি-নিয়মসমূহ শিকি লৈছিল। তেওঁ মুগা কাপোৰত বিহুৰ ছবি আঁকি দোকানে দোকানে বিক্ৰী কৰাৰ উপৰি বেনাৰ, চাইনবৰ্ড আদি লিখি পঢ়াৰ খৰছ উলিয়াইছিল। ১৯৬৫ত স্কুলীয়া শিক্ষা সাং কৰি বেনাৰ-চাইনবৰ্ড আঁকি আৰু ছবি বিক্ৰী কৰি পোৱা ধনেৰে গুৱাহাটীৰ চাৰু-কাৰু কলা মহাবিদ্যালয়ত ভৰ্তি হয়। তাৰ পাছত তেওঁ অসম চৰকাৰৰ জলপানিৰে শান্তিনিকেতনত অধ্যয়ন কৰে আৰু তাৰ পৰা সুখ্যাতিৰে স্নাতক হৈ আহে। পঢ়িথকা সময়ছোৱাত তেওঁ তীব্ৰ আৰ্থিক সংকটত ভুগিছিল। মদন মোহন লহকৰৰ সহযোগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ব বিভাগৰ অধ্যাপক ড° ভুবন মোহন দাসে সম্পাদনা কৰা 'প্ৰাথমিক বিজ্ঞান কোষ'ত কাম কৰি অৰ্থসংকট দূৰ কৰিবলৈ চেষ্টা কৰিছিল। শান্তিনিকেতনৰ পৰা আহি তেওঁ গুৱাহাটী বিশ্ববিদ্যালৰ প্ৰত্নতাত্বিক বিভাগৰ চিত্ৰশিল্পী পদত যোগদান কৰি আমবাৰীৰ খনন কাৰ্যত জড়িত হৈ পৰিছিল।

তাৰ পাছত অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত খানাপাৰাস্থ পশু চিকিৎসা মহাবিদ্যালয়ত চিত্ৰশিল্পী হিচাপে ১৯৭১ত যোগদান কৰি সুদীৰ্ঘ ৩৫ বছৰীয়া চাকৰি কালৰ অন্তত ২০০৬ত অৱসৰ গ্ৰহণ কৰে। মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থৰ বেটুপাত অংকনকে ধৰি মহাবিদ্যালয়খনৰ ছাত্ৰসকলৰ আলোচনী 'ভেটকল', কৰ্মচাৰীসকলৰ আলোচনী 'কৰ্মপ্ৰৱাহ'ৰ বহু বেটুপাত আৰু ছবি, স্কেচছ অংকন কৰা এইগৰাকী শিল্পী সকলোৰে প্ৰিয়পাত্ৰ আছিল। তদুপৰি কৰ্মপ্ৰৱাহত বহু গল্প আৰু প্ৰৱন্ধ লিখি কৰ্মচাৰীসকলক সাহিত্য চৰ্চাৰ প্ৰতি আগ্ৰহী কৰি তুলিছিল।



আজীৱন শিল্পী ভৰানীপ্ৰসাদ সৌকাধৰাই পদ্ম বৰকটকীৰ সম্পাদনাত প্ৰকাশ হোৱা আমাৰ প্ৰতিনিধিৰ 'শিল্পীৰ পৃথিৱী' শিতানলৈ পঠোৱা মুগা কাপোৰত অংকন কৰা শুভেচ্ছাপত্ৰখন দেখি ড° ভূপেন হাজৰিকা এই সূক্ষ্মকৰ্মত মোহিত হৈছিল আৰু তেওঁকপ্ৰথম শ্ৰেণীৰ চিত্ৰশিল্পী হিচাপে স্বীকৃতি দি এনেদৰে প্ৰশংসা কৰিছিল— 'ভৰানী প্ৰসাদ সৌকাধৰাৰ সৌন্দৰ্যবোধৰ পৰিচয় আমাৰ প্ৰতিনিধিয়ে প্ৰতি বিহুতে পায় ওলগনি কাৰ্ডত। ইমান সূক্ষ্ম তুলিকাৰ কাম আমি কম দেখিছো। সেই ছবি যিকোনো প্ৰথম শ্ৰেণীৰ চিত্ৰ শিল্পীয়েহে আঁকিব পাৰে। ৰঙীণ বাবে আমি ব্লক কৰিবলৈ টান পাইছিলো। খৰছ বহুতো পৰে। ..... অপৰূপ কাৰ্ডে আমাৰ অফিচত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ........ ভৰানীৰ তুলিকাতো হাত, কাপতো হাত। এই শিল্পীগৰাকীৰ উন্নতি কামনা কৰো।' সিয়েই খুলি দিলে তেওঁৰ আত্মাৰ সন্ধানৰ এক নতুন দুৱাৰ। তেওঁৰ জীৱনৰ টাৰ্নিং পইণ্ট' বুলিও ক'ব পাৰি। তেনেদৰে সৌকাধৰাক প্ৰথমবাৰ লগ পাওতে বিষ্ণু ৰাভাই কৈছিল— 'আজিহে আচল অসমীয়াক পাইছো। সৌকা এৰি তুলিকাৰে সুন্দৰৰ পূজা কৰিছা। জানি বৰ সন্তোষ পালো।...' স্কুলত পঢ়ি থাকোতেই যোৰহাটৰ এখন কিতাপৰ দোকানৰ গৰাকীয়ে সৌকাধৰাৰ কিতাপ পঢ়াৰ প্ৰতি নিচা দেখি তেওঁক ঘৰলৈ বিনামূল্যে দি পঠাইছিল আৰু পঢ় শেষ হ'লে পৰিপাটিকৈ কিতাপ ঘূৰাই দিবলৈ কৈছিল। সেই দোকানতে এদিন কিতাপ পঢ়ি থকা অৱস্থাত প্ৰসিদ্ধ সাহিত্যিক চৈয়দ আব্দুল মালিকে সৌকাধৰাক লগ পাই নামটো জনাৰ পিচত কৈছিল—'এইটো উপাধিৰ এক সুকীয়া বুৰঞ্জী আছে। তুমি কেতিয়াও উপাধিটো সলনি নকৰিবা।...'

সৌকাধৰা গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ লগত আৰম্ভণিৰ পৰাই সক্ৰিয়ভাৱে যুক্ত আছিল। এইগৰাকী স্বনামধন্য শিল্পীৰ ছবি এজন লোকে ইংলণ্ডলৈ কিনি নিছিল। হিন্দুস্তান ষ্টেণ্ডাৰ্ড কাকতেও তেওঁৰ ভালেমান ছবি কিনিছিল।

আশ্চৰ্যজনক কথা যে চিত্ৰশিল্পী, লেখক-সাহিত্যিক ভৰানীপ্ৰসাদ সৌকাধৰাই আজিলৈকে প্ৰকাশ পোৱা আটাইবোৰ অসমীয়া কাকত, আলোচনী সংগ্ৰহ কৰি সোণাপুৰত এটা বিশাল ব্যক্তিগত পুথিভঁৰাল গঢ়ি তুলিছিল। এটা প্ৰতিষ্ঠানে কৰিব নোৱাৰা জটিল কাম এটা কৰি সকলোকে তেওঁ বিস্ময়াভিভূত কৰি গৈছে।

চৰকাৰী চাকৰিৰ ব্যস্ততাৰ মাজতো শিল্প আৰু সাহিত্য সৃষ্টিত একাণপতীয়াকৈ ব্যস্ত থকা মুঠেই সহজ সাধ্য নহয়; কিন্তু ভৰানীপ্ৰসাদে তাক কৰি দেখুৱালে। তেওঁ আনকি সুদীৰ্ঘ কাল ধৰি 'অগ্ৰদূত'ত চিত্ৰশিল্পী হিচাপে সেৱা আগবঢ়াইছিল।

সৰুতেই ককা নীলমণি ফুকন, পীতাম্বৰ দেৱ গোস্বামী, প্ৰফুল্ল বৰুৱা (সাংসদ), বিমলা প্ৰসাদ চলিহা, বেনুধৰ শৰ্মা, খগেন বৰবৰুৱা, কৰুণা গগৈ (বিধায়ক) আদি বিশিষ্ট ব্যক্তিসকলৰ সান্নিধ্য লাভ কৰা ভৰানীপ্ৰসাদ আছিল নিভাঁজ অসমপ্ৰেমী, জাতিপ্ৰেমী, অসমীয়া ভাষাপ্ৰেমী—অসমীয়া ভাষা-সংস্কৃতি আৰু জাতীয় জীৱনৰ সংকটক লৈ তেওঁ আজীৱন চিন্তিত আছিল। তেওঁৰ কবিতা, গল্প, প্ৰবন্ধ আৰু আনকি চিত্ৰকলাত সেই দিশসমূহ ফুটি উঠিছে। অসমৰ সমাজ জীৱন, বিশেষকৈ গ্ৰাম্য জীৱনে সন্মুখীন হোৱা সমস্যাসমূহ তেওঁৰ গল্পসমূহত জীৱন্ত ৰূপত তুলি ধৰি তাৰ সমাধানৰো ইংগিত দিছে। তেওঁৰ একমাত্ৰ গল্প সংকলন 'পৰজা ঔ জৰৌৰোৱা'ত স্থান পোৱা বিভিন্ন সময়ত লিখা এই গল্পসমূহত সেই সময়ৰ অসমৰ অৱস্থা, জাতীয় সংকট আৰু সংঘাত, ৰাজনৈতিক অস্থিৰতা, সন্ত্ৰাসবাদ, ৰাষ্ট্ৰপতি শাসন, সামৰিক নিৰ্যাতন, ৰাষ্ট্ৰ সন্ত্ৰাস, যুৱ সমাজৰ অনিশ্চয়তা, দৰিদ্ৰতা, বঞ্চনা-প্ৰবঞ্চনা আদি বিভিন্ন দিশ প্ৰতিফলিত হৈছে। গ্ৰাম্য জীৱনৰ আধাৰত ৰচিত গল্পসমূহৰ ভাষা সৰজ-সৰল; গাঁৱৰ কথিত ভাষাই প্ৰধান স্থান লাভ কৰিছে। গ্ৰন্থখনে পাঠক সমাজক নিভাঁজ অসমীয়া ভাষাৰ স্বাদ দিব আৰু নিশ্চিতভাৱে আগ্ৰহী পাঠকে শিক্ষণীয় বহুবোৰ দিশৰ সন্ধান লাভ কৰিব।

গল্পকাৰ সৌকাধৰাই নিজেই কৈছে— 'পৰিৱৰ্তনশীল সময়ৰ লগত খোজ মিলাবলৈ গৈ বাৰে বাৰে উজুটি খাইছিলো। তেতিয়াই জন্ম হৈছিল মোৰ অন্তৰত এক প্ৰতিবাদী চিন্তা, যুক্তিবাদী মন...। কঠোৰ বাস্তৱে মোৰ ব্যক্তিগত জীৱন-দৰ্শনত আঘাত হানিছিল, যদিও সামাজিক জীৱনৰ উত্থান-পতন, বিভিন্ন অভিজ্ঞতা, ভাৱ-চিন্তা, অনুভৱক কল্পনাৰ ৰহণেৰে ৰহণ সানি কাপ-মৈলামৰ মাধ্যমেৰে প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছিলোঁ। কৰ্কশ বাস্তৱৰ ভেটিতেই মোৰ গল্পসমূহ অংকন কৰা হৈছে।"

পৰিতাপৰ বিষয় হৈছে অসমৰ গ্ৰাম্য জীৱন প্ৰতিফলিত হোৱা এইগৰাকী লেখক-শিল্পীৰ সৃষ্টিৰাজিয়ে আজিও অসম চৰকাৰ কিম্বা অসম সাহিত্য সভা বা আন প্ৰতিষ্ঠানৰ পৰা কোনো ধৰণৰ স্বীকৃতি পোৱা নাই। সৌকাধৰা আজি আমাৰ মাজত নাই, কিন্তু তেওঁ দি যোৱা সৃষ্টিৰাজি আমাৰ মাজত আছে। তেওঁৰ সৃষ্টিৰাজিৰ যাতে সঠিকভাৱে কামত লাগে তাৰ প্ৰতি অসমীয়া সমাজ সতৰ্ক থকা প্ৰয়োজন। হক কথা ক'বলৈ গ'লে ভাষা জননীক সঁচা অৰ্থত চিৰচেনেহী কৰি তোলাৰ বাবে সেই অৱদানক কামত লগাব লাগিব। তেওঁ দি যোৱা বৰঙণি যাতে অথলে যাব নোৱাৰে সংশ্লিষ্ট মহলে তাৰ ব্যৱস্থা কৰিব লাগিব। গতিকে অসমীয়া ভাষা-সংস্কৃতিৰ বিকাশৰ স্বাৰ্থতেই মৰণোত্তৰভাৱে তেওঁৰ কৰ্মৰাজিৰ প্ৰতি যথোপযুক্ত স্বীকৃতি প্ৰদান কৰা উচিত। আমাৰ বিশ্বাস এই সম্পৰ্কে সংশ্লিষ্ট মহলে নিশ্চিতভাৱে চিন্তা-চৰ্চা কৰিব।

ভৰানীপ্ৰসাদ সৌকাধৰালৈ জনাইছো গভীৰ শ্ৰদ্ধাঞ্জলি।

## নিষিদ্ধঘোষিত ছিমিৰ পৰা নাস্তিক পুত্ৰলৈ

# এছ কিউ আৰ ইলিয়াছ

**চাহাবুদ্দিন আহমেদ**

**চৈয়দ** কাছেম ৰছুল ইলিয়াছ (এছ কিউ আৰ ইলিয়াছ) সাম্প্ৰতিক সময়ত দেশৰ এজন বহু চৰ্চিত মুছলিম নেতা। ইলিয়াছ সম্প্ৰতি পুনৰ চৰ্চালৈ আহিছে তেওঁৰ পুত্ৰ তথা জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ (জে এন ইউ)ৰ ছাত্ৰ ওমৰ খালিদৰ এটা বক্তব্যক লৈ। অযোধ্যাৰ ৰাম জনমভূমি-বাবৰি মছজিদ বিতৰ্ক, সংশোধিত নাগৰিকত্ব আইন (কা), জ্ঞানবাপী মছজিদ বিতৰ্ক গোচৰকে ধৰি বিভিন্ন স্পৰ্শকাতৰ বিষয়ত সততে মাত মাতি অহা তথা ভাৰতীয় মুছলমানৰ প্ৰতিনিধি বুলি দাবী কৰি অহা ইলিয়াছৰ পুত্ৰ খালিদে সম্প্ৰতি দিল্লীৰ কাৰাগাৰত দিন কটাইছে। 'কা' আন্দোলনত সক্ৰিয় ভূমিকা লোৱা খালিদ 'টুকড়ে টুকড়ে গেং'ৰ সদস্য বুলি দিল্লী আৰক্ষীয়ে চিনাক্ত কৰি 'কা' আন্দোলনৰ সময়ত দিল্লীত সংঘটিত সাম্প্ৰদায়িক সংঘৰ্ষত জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছে। মন কৰিবলগীয়া যে জে এন ইউত অধ্যয়নৰত অৱস্থাত ৰাষ্ট্ৰদ্ৰোহৰ গোচৰত আৰু সাংসদ ভৱনত আক্ৰমণৰ ঘটনাত জড়িত বাবে প্ৰাণদণ্ড বিহা আফজল গুৰুৰ সমৰ্থনত ৰাষ্ট্ৰবিৰোধী শ্ল'গান দি আন এক বিতৰ্কৰ সৃষ্টি কৰিছিল খালিদে। তাতকৈ গুৰুত্বপূৰ্ণ কথা যে সততে বিভিন্ন ক্ষেত্ৰত মাত মাতি অহা বাকপটু আৰু তীক্ষ্ণ মেধাৰী তথা সহজতে আনক প্ৰভাৱিত কৰা খালিদে শেহতীয়াভাৱে কৰা এক মন্তব্যই ব্যাপক চৰ্চা লাভ কৰিছে। খালিদে নিজকে নাস্তিক বুলি ঘোষণা কৰা বুলি সংবাদ মাধ্যমত প্ৰকাশ পাইছে। দেশৰ মুছলমান সমাজক প্ৰতিনিধিত্ব কৰা বুলি দাবী কৰা তথা সততে স্পৰ্শকাতৰ বিষয়সমূহত বিতৰ্কিত মন্তব্য কৰা প্ৰভাৱশালী নেতাজনৰ পুত্ৰৰ এই বক্তব্যই পিতা-পুত্ৰৰ পৰস্পৰ বিৰোধী ভাষ্যই চৰ্চা লাভ কৰাটো অৱধাৰিত যদিহে তেওঁ কোৱা বক্তব্য সত্য। উল্লেখ্য যে জে এন ইউৰ ছাত্ৰ খালিদ চি পি আই (মাওবাদী)ৰ ছাত্ৰ সংগঠন 'ডেম'ক্ৰেটিক ষ্টুডেণ্টছ ইউনিয়ন'ৰ এজন সক্ৰিয় নেতা। সেয়েহে খালিদে নিজকে নাস্তিক বুলি কোৱাটো একো আচৰিত কথা নহয়। কাৰণ তেওঁ ধৰ্ম, জাতি, বৰ্ণত গুৰুত্ব নিদিয়া ৰাজনৈতিক দল চি পি আই (মাওবাদী)ৰ ছাত্ৰ সংগঠনৰ সদস্য। অথচ তেওঁৰ পিতৃয়ে দেশৰ প্ৰতিটো ধৰ্মীয় স্পৰ্শকাতৰ বিষয়ত মাত মাতি আহিছে। মাথোঁ সেয়াই নহয়, ধৰ্মীয় দিশত সৰ্বাত্মক সিদ্ধান্ত লৈ অহা দেশৰ 'অল ইণ্ডিয়া মুছলিম পাৰ্ছনেল ল' ব'ৰ্ড (এআইএমপিএলবি)ৰ সদস্য ইলিয়াছ। তদুপৰি তেওঁ ছ'চিয়েল ডেম'ক্ৰেটিক পাৰ্টি অৱ ইণ্ডিয়া (এছডিপিআই)ৰ সভাপতি। দেশৰ ধৰ্মীয় সংগঠন জামাত-ই-ইছলামীৰ ৰাজনৈতিক শাখা 'ৱেলফেয়াৰ পাৰ্টি'ৰ নেতাজনে বিগত লোকসভা নিৰ্বাচনত পশ্চিমবংগৰ জংগীপুৰ লোকসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল যদিও পৰাজিত হয়। নিৰ্বাচনত পৰাজিত হ'লেও সততে বিতৰ্ক বা চৰ্চাত থকা ইলিয়াছৰ পুত্ৰৰ দৰে আছে বহু বিতৰ্কিত অভিযোগ।

২০২০ৰ ফেব্ৰুৱাৰীত নতুন দিল্লীত একাংশ বিক্ষোভকাৰীয়ে চলোৱা 'কা' আন্দোলনত জড়িত থকা বুলি দিল্লী আৰক্ষীয়ে অভিযোগনামাত তেওঁৰ নাম উল্লেখ কৰিছে।

উল্লেখ্য যে মহাৰাষ্ট্ৰৰ নাগপুৰত ১৯৫৩ৰ ১৮ নৱেম্বৰত জন্মগ্ৰহণ কৰা ইলিয়াছ আছিল নিষিদ্ধ ঘোষিত সংগঠন ষ্টুডেণ্টছ ইছলামিক মুভমেণ্ট অৱ ইণ্ডিয়া (ছিমি)ৰ মহাৰাষ্ট্ৰৰ প্ৰথমজন মাণ্ডলিক সভাপতি। নাগপুৰ বিশ্ববিদ্যালয়ত অধ্যয়নৰত অৱস্থাতে ছিমিৰ সংস্পৰ্শলৈ অহা



ইলিয়াছৰ নেতৃত্বত ১৯৭৯ত নাগপুৰত সংগঠনটোৰ দ্বিতীয় সৰ্বভাৰতীয় অধিবেশন অনুষ্ঠিত হৈছিল। পৰৱৰ্তী পৰ্যায়ত তেওঁ ১৯৮৩ৰ পৰা ১৯৮৫ লৈ ছিমিৰ সৰ্বভাৰতীয় সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। পৰৱৰ্তী সময়ত কেন্দ্ৰীয় চৰকাৰে সংগঠনটোক সন্ত্ৰাসবাদী কাৰ্যকলাপত থকাৰ অভিযোগত নিষিদ্ধ ঘোষণা কৰিছিল। তদুপৰি সংগঠনটোৰ বহুকেইজন নেতা এতিয়া কাৰাগাৰত আবদ্ধ হৈ আছে। ২০২৪ লৈ নিষিদ্ধ ঘোষিত হৈ থকা ছিমিৰ সম্পৰ্কত পুনৰ পৰ্যালোচনা কৰিব কেন্দ্ৰীয় চৰকাৰে। সি যি নহওক, ছিমিৰ দ্বাৰা ৰাজনৈতিক দিশত আগবঢ়া ইলিয়াছে অৱশ্যে পৰৱৰ্তী সময়ত 'আফকাৰ-ই-মিল্লি' নামৰ এখন মাহেকীয়া উৰ্দু আলোচনী প্ৰকাশ কৰে। ১৯৮৪ত নতুন দিল্লীস্থিত ইৰান ৰাষ্ট্ৰদূতৰ কাৰ্যালয়ৰ সহযোগত প্ৰকাশ কৰা এই আলোচনীখন ইৰান আৰু পাকিস্তানৰ সন্দেহজনক সংগঠনৰ সহযোগত প্ৰকাশ পোৱা বুলি অভিযোগ উঠিছিল। ইয়াৰ মাজতে সাম্প্ৰদায়িক সংঘৰ্ষত উচটনি দিয়া আৰু দেশৰ বিভিন্ন ধৰ্মাৱলম্বী লোকৰ মাজত একতাত বাধাৰ সৃষ্টি কৰা বুলি ১৯৯২ত আলোচনীত প্ৰকাশিত সম্পাদকীয়ৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হয়। ভাৰতীয় দণ্ড বিধিৰ ১৫৩ (ক)ৰ অধীনত গোচৰ ৰুজু হোৱা এই সম্পাদকীয়টো ছিমিৰ প্ৰাক্তন সভাপতি চি এ এম বছিৰে পুস্তিকা আকাৰে প্ৰকাশ কৰি দেশৰ বিভিন্ন প্ৰান্তলৈ প্ৰেৰণ কৰিছিল। মনকৰিবলগীয়া যে সেই সময়ত এই পুস্তিকাসমূহ পাকিস্তানভিত্তিক তথা 'মুছলিম ব্ৰাদাৰহুড'ৰ আদৰ্শৰে গঠিত 'ইছলামিক জমিয়ত-ই-তালাবা' নামৰ ছাত্ৰ সংগঠটোৰ সহযোগত প্ৰচাৰ কৰা বুলি অভিযোগ উঠিছিল। সম্প্ৰতি নিষিদ্ধ ঘোষিত ছিমিৰ হৈ ন্যায়ালয়ত প্ৰতিনিধিত্ব কৰি অহা মুছলিম নেতাজনৰ পুত্ৰ খালিদক ২০১৬ত দিল্লী আৰক্ষীয়ে বসন্ত বিহাৰ আৰক্ষী থানাত ৰাষ্ট্ৰদ্ৰোহৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছিল। পৰৱৰ্তী সময়ত ২০২০ৰ ১৩ ছেপ্তেম্বৰত পুনৰ আৰক্ষীয়ে দিল্লীত সংঘটিত সাম্প্ৰদায়িক সংঘৰ্ষৰ ঘটনাত জড়িত থকাৰ অভিযোগত খালিদক গ্ৰেপ্তাৰ কৰে। সম্প্ৰতি তেওঁ কাৰাগাৰতে দিন অতিবাহিত কৰিছে। দুই পিতা-পুত্ৰৰ ৰাজনৈতিক দিশত কৰা বিপৰীত আচৰণ আৰু কাৰ্য দেশত চৰ্চিত বিষয় হৈ পৰিছে। পিতৃয়ে দেশৰ মুছলমানৰ অধিকাৰক লৈ মাত মাতি অহাৰ বিপৰীতে পুত্ৰ খালিদৰ ৰাষ্ট্ৰদ্ৰোহৰ গোচৰ এতিয়া চৰ্চাৰ বিষয়। এনেবোৰ কাৰ্যৰ মাজতে এতিয়া চৰ্চা চলিছে সংস্কাৰকামী পিতৃ ইলিয়াছৰ পুত্ৰ খালিদ নাস্তিকে নহয়, সন্ত্ৰাসবাদীও। সময়ে প্ৰমাণ কৰিব পিতা-পুত্ৰৰ কাৰ্যকলাপসমূহ. বহুতে আঙুলিয়াই দিছে 'অল ইণ্ডিয়া ছিয়া মুছলিম ল' ব'ৰ্ডৰ নেতা নাজিম ৰিজুৱানৰ কথা লৈ। যিজনে সততে মুছলমানৰ হৈ মাত মাতি অহা ৰিজুৱানে শেষত পৱিত্ৰ কোৰান শ্বৰীফৰ ওপৰত আঙুলি টোঁৱাই ২৬টা আয়াতৰ বিৰুদ্ধে ন্যায়ালয়ত গোচৰ তৰি নিশাটোৰ ভিতৰত হিন্দু ধৰ্মলৈ ধৰ্মান্তৰিত হৈছিল। *ফোন ঃ ৮৪৮৬২৯৯২৫১*

## চুটি জীৱনকালত সাফল্যৰ অভিলেখ

# পি বি শ্যেলী

## জীৱনকাল ৩০ বছৰ মাত্ৰ

## (১৭৯২-১৮২২)

**ড° নীলমোহন ৰায়**

*ফোন ঃ ৯৮৬৪০৬৪২৭৪*



**আজিৰ** পৰা প্ৰায় দুশ ৩০ বছৰ আগতে বিশ্ববৰেণ্য কবি শ্যেলীৰ জন্ম হৈছিল ইংলণ্ডৰ ছাছেক্সৰ নিকটৱৰ্তী হৰ্ছহেম নামৰ ঠাইত। ইংৰাজী সাহিত্যৰ সন্ধিক্ষণৰ সেই সময়ছোৱাত তিনিগৰাকী অমৰ কবিৰ জন্ম হৈছিল— ব্যয়ৰণ, শ্যেলী আৰু কীট্‌ছ। ইংৰাজী ৰোমাণ্টিক কাব্যৰ পুনৰ্জাগৰণৰ কালত জন্ম লোৱা শ্যেলীতকৈ বায়ৰণ চাৰি বছৰ পূৰ্বতে আৰু কীট্‌ছ তিনি বছৰ পাছত জন্মগ্ৰহণ কৰিছিল।

শ্যেলীৰ জন্ম হৈছিল ১৭৯২ খ্ৰীষ্টাব্দৰ চাৰি আগষ্টত। তেওঁৰ পিতৃ আৰু মাতৃৰ নাম আছিল যথাক্ৰমে টিমোথি শ্যেলী আৰু লেডি এলিজাবেথ। প্ৰচুৰ মাটি সম্পত্তিৰ গৰাকী হোৱাৰ উপৰি টিমোথী শ্যেলী আছিল লৰ্ড সভাৰ সদস্য। অক'ল পিতৃকুলেই নহয়, মাতৃকুলো আছিল সম্ভ্ৰান্ত।

সৰুৰে পৰাই শ্যেলী আছিল কল্পনাপ্ৰৱণ। দেখাত তেওঁ আছিল অতি সুন্দৰ। কোমল লাৱণ্যময় মুখ, উজ্জ্বল নীলা চকুযুৰি আৰু দীঘল চুলিৰে বালক শ্যেলী আছিল দেৱদূতৰ দৰে। পিতাৰ প্ৰথম পুত্ৰ হোৱাৰ বাবে জন্মৰ পাছৰে পৰাই অতি স্নেহৰ মাজত তেওঁ ডাঙৰ-দীঘল হৈছিল। ফলত স্বাভাৱিকতে তেওঁ কিছু পৰিমাণে বিলাসী আৰু স্বেচ্ছাচাৰী হৈ উঠিছিল।

শ্যেলীক ১৮০৪ত প্ৰখ্যাত ইটন স্কুলত ভৰ্তি কৰি দিয়া হয় আৰু তাৰ পৰা ১৮০৮ত অক্সফোৰ্ডত ভৰ্তি হয়। ইটনত থাকোতে তেওঁ উইলিয়াম গডউইনে লিখা এন্‌কোৱাৰি ইনটু পলিটিকেল জাষ্টিচ গ্ৰন্থখন অধ্যয়ন কৰে। তেওঁৰ জীৱনত এইখন গ্ৰন্থৰ প্ৰভাৱ পৰিছিল অপৰিসীম। ইটনত থাকোতেই তেওঁৰ গ্ৰীক, লেটিন আদি ভাষা শিক্ষা আয়ত্তলৈ আহিছিল।

শ্যেলীৰ কবিতা লিখা আৰম্ভ হয় অতি কম বয়সতেই; ১৯০৮ত তেওঁ লিখিলে প্ৰথম গ্ৰন্থ Zastrozzi নামৰ উপন্যাসখন। ১৮১০ত ছেণ্ট আৰভিন আৰু Posthumous Fragments of Margaret Nicholson ৰচনা কৰে। এই সময়ৰ তেওঁৰ আলোড়ন সৃষ্টিকাৰী ৰচনা হ'ল টমাছ জেফাৰচন হগৰ স'তে যুটীয়াভাৱে লিখা 'নাস্তিকতাৰ প্ৰয়োজনীয়তা গ্ৰন্থখন। অক্সফোৰ্ড বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এই পুস্তিকাখন প্ৰকাশ কৰাৰ অপৰাধত বিশ্ববিদ্যালয়ৰ পৰা উভয়কে বহিষ্কৃত কৰে।

অক্সফোৰ্ডত মাথোঁ পাঁচমাহ অধ্যয়ন কৰিছিল শোলীয়ে। অক্সফোৰ্ডত তেওঁৰ প্ৰিয় বিষয় আছিল ধৰ্ম আৰু দৰ্শন। এইদৰে প্ৰথাগত শিক্ষাগ্ৰহণত বাধা পৰিলেও নিজৰ কবিতাৰ জৰিয়তে তেওঁ তেওঁৰ নিজস্ব ধৰ্ম আৰু দৰ্শনৰ প্ৰচাৰ কৰিবলৈ সক্ষম হৈছিল আজীৱন। শ্যেলী আছিল ভাষাবিদ আৰু অবিসংবাদিত পণ্ডিত। হোমাৰ, প্লেটো, ভাৰ্জিল দান্তে, গ্যেটে আছিল তেওঁৰ প্ৰিয় কবি।

ইয়াৰ পাছত শ্যেলী লণ্ডন নগৰীলৈ উভতি আহে। ইতিমধ্যে শ্যেলী প্ৰতি বিৰূপ হৈ পৰা দেউতাকে তেওঁক নিজৰ সম্পত্তিৰ পৰা বঞ্চিত কৰে। ফলত আৰ্থিক সংকট উপস্থিত হৈ শ্যেলীৰ জীৱনত। এফালে স্কুল-কলেজৰ কঠোৰ অনুশাসন আনফালে দেউতাকৰ এই বিৰূপ আচৰণে শ্যেলীৰ বিদ্ৰোহী মানসিকতাক উৎক্ষিপ্ত কৰি তুলিছিল। ক্ৰমাগত তেওঁ হৈ উঠিল বিশ্ববিদ্বেষী আৰু আপোন সিদ্ধান্তত অটল বিশ্বাসী।

লণ্ডনত থাকোতেই শ্যেলীৰ প্ৰণয়পৰ্বৰ সূচনা হয়। ১৯ বছৰ বয়সত তেওঁ প্ৰেমত পৰে দূৰ সম্পৰ্কীয় আত্মীয় হেৰিয়েট গ্ৰোৰ স'তে। অৱশ্যে শ্যেলীৰ নাস্তিকতা সম্পৃক্ত মানসিকতাত ভয় খাই এই কিশোৰীজনীয়ে কেইমাহমানৰ ভিতৰতেই সম্পৰ্কৰ অৱসান ঘটায়। বন্ধু হগৰ স'তে শ্যেলী যেতিয়া লণ্ডনলৈ আহিছিল তেতিয়াই তেওঁৰ স'তে পৰিচয় হৈছিল গডউইন, লী হাণ্ট আৰু তেওঁলোকৰ বন্ধু-বান্ধৱৰ স'তে। তদুপৰি ইয়াতেই পৰিচয় হয় শ্যেলীৰ সহোদৰাৰ এক সহপাঠিনীৰ স'তে। ১৬ বছৰীয়া এই যুৱতী আছিল এখন হোটেল মালিকৰ কন্যা—নাম হেৰিয়েট ওৱেষ্টব্ৰুক। হেৰিয়েট আৰু শ্যেলীৰ প্ৰেম উত্তৰোত্তৰ বৃদ্ধি পালে। ১৮১১ত শ্যেলীয়ে হেৰিয়েটক লগত লৈ গুচি গ'ল স্কটলেণ্ডৰ এডিনবৰালৈ। তাতেই ২৮ আগষ্টত পৰিণয়সূত্ৰত আবদ্ধ হ'ল দুজনে। বিয়াৰ পাছত হেৰিয়েটৰ পিতৃয়ে নৱদম্পতীৰ বাবে আঢ়ৈ হেজাৰ টকা বৃত্তিৰ ব্যৱস্থা কৰি দিয়ে।

প্ৰথাগত নিয়ম-নীতিক সৰুৰে পৰাই অমান্য কৰি অহা শ্যেলীয়ে কিন্তু স্কটিছ চাৰ্চৰ বিধান মানিয়েই বিবাহকাৰ্য সম্পন্ন কৰিলে। হেৰিয়েট আছিল সুন্দৰী লাৱণ্যময়ী, সহজ-সৰল আৰু স্বামী অনুৰাগিণী, স্বামীৰ কবিতা আৰু দৰ্শনৰ তেওঁ আছিল সমৰ্থক, কিন্তু সেই বিষয়ত তেওঁ কৌতূহলী নাছিল। ১৮১৩ৰ জুনত তেওঁলোকৰ এজনী কন্যা সন্তান ইয়াস্তে এলিজাৰ জন্ম হয়। একে বছৰতে প্ৰকাশিত হয় শ্যেলীৰ প্ৰথম উল্লেখযোগ্য কাব্যগ্ৰন্থ 'কুইন মেব' এইখন কাব্যগ্ৰন্থ কবিয়ে হেৰিয়েটৰ নামত উৎসৰ্গা কৰিছিল।

প্ৰেমৰ উন্মাদনাত পৰিণয়সূত্ৰত আবদ্ধ হ'লেও তেওঁলোকৰ দাম্পত্য জীৱন সুখৰ নাছিল। দিন যোৱাৰ লগে লগে হেৰিয়েট আৰু শ্যেলীৰ মাজত থকা ফাঁক ক্ৰমে ডাঙৰ হৈ গৈ থাকে। হেৰিয়েটৰ স'তে শ্যেলীৰ সম্পৰ্ক যেতিয়া প্ৰায় বিচ্ছেদৰ পৰ্যায়লৈ আগুৱাই গৈছে সেই সময়ত শ্যেলী গডউইনৰ কন্যা সপ্তদশী যুৱতী মেৰি ওলষ্টোনক্ৰাফ্টৰ স'তে প্ৰণয়ত জড়িত হৈ পৰে।

মেৰিৰ পিতৃ গডউইনৰ প্ৰচলিত প্ৰথাবিৰোধী যুগান্তকাৰী পুস্তিকা Political Justice প্ৰকাশিত হয়। ১৮১৩ত। গডউইনৰ মতবাদে শ্যেলীক প্ৰৱলভাৱে আকৰ্ষণ কৰিছিল। তেওঁ গডউইনলৈ উচ্ছ্বসিত প্ৰশংসা কৰি আৰু সাক্ষাৎকাৰৰ প্ৰাৰ্থনা কৰি এখন চিঠি লিখে। গডউইনে তেওঁৰ এই নবীন ভক্তক সাক্ষাৎকাৰ প্ৰাৰ্থনা কৰি এখন চিঠি লিখে। গডউইনে তেওঁৰ এই নবীন ভক্তক সাক্ষাতৰ বাবে আনন্দেৰে সন্মতি দিয়ে। শ্যেলীয়ে গডউইনৰ স'তে সাক্ষাৎ লাভৰ সময়তে মেৰিক দেখি মুগ্ধ হয়। লাৱণ্যময়ী এই যুৱতীৰ বুদ্ধিমত্তাই শ্যেলীক মোহিত কৰিলে। ১৮১৪ৰ জুলাইত মেৰিক লৈ তেওঁ সংগোপনে পলাই যায় ছুইজাৰলেণ্ডলৈ। ১৮১৬ৰ নৱেম্বৰৰ ন তাৰিখে হেৰিয়েটে টেমচ নদীত (অন্য সূত্ৰ মতে ছাৰ পেণ্টাইনৰ হ্ৰদত) আত্মবিসৰ্জন দিয়ে। হেৰিয়েটৰ মৃত্যুৰ পাছত শ্যেলী আৰু মেৰিৰ বিবাহ সম্পন্ন হয়। এই বছৰতে শ্যেলীয়ে ৰচনা কৰে Hymn to Intellectual Beauty.।

১৮১৮ ত শ্যেলীয়ে মেৰি আৰু মেৰিৰ দুই সন্তান উইলিয়াম আৰু ক্লাৰাক লগত লৈ ইটালীলৈ যায়। এই বছৰতে তেওঁ প্লেটোৰ 'চিম্পোজিয়াম'ৰ অনুবাদ কৰে আৰু Lines Written among the Euganean Hills ৰচনা কৰে। এই সময়তে তেওঁৰ কন্যা ক্লাৰাৰ মৃত্যুই তেওঁক চৰম আঘাত দিয়ে। ১৮১৯ত Promatheus নাট্যকাব্যৰ দ্বিতীয় আৰু তৃতীয় অংক আৰু ট্ৰেজেডি The Cenci ৰচনা কৰে। এই সময়ত পুত্ৰ উইলিয়ামৰ মৃত্যুত তেওঁ মৰ্মান্তিক আঘাত পায়। ইয়াতেই তেওঁৰ তৃতীয় সন্তানৰ জন্ম হয় ১৮১৯ৰ শেষৰ ফালে। নিজৰ অসুস্থতা, সন্তানদ্বয়ৰ মৃত্যু আৰু অন্যান্য বিপৰ্যয় মিলি এতিয়া যেন আৰম্ভ হ'ল শ্যেলীৰ সজীৱ জীৱনত ভাটাৰ টান।

ইয়াত থাকোতেই পিছাত তেওঁ আকৌ এমিলিয়া ভিবিয়ানিৰ প্ৰেমত আকৃষ্ট হয় আৰু তাৰেই পৰিণতিত ৰচিত হয় সুবিখ্যাত প্ৰণয়কাব্য Epipsychidion ১৮২১ত। এই পিছাতেই তেওঁৰ পৰিচয় ঘটে গ্ৰীক বিদ্ৰোহৰ এগৰাকী প্ৰখ্যাত পথিকৃৎ প্ৰিন্স আলেকজেণ্ডাৰ মাভৰোকৰডাটোৰ স'তে আৰু তাৰেই ফলশ্ৰুতিত ১৮২১ত ৰচিত হয় তেওঁৰ বিখ্যাত নাটক Hellas । উল্লেখ্য যে কবিৰ জীৱনলৈ কেতিয়াবা গভীৰ আৰু কেতিয়াবা পাতল সম্পৰ্ক ঘটিছিল একাধিক নাৰীৰ যিসকলৰ মাজত উপযুক্ত নাৰীসকলৰ উপৰি আছিল এলিজাবেথ হিচনাৰ, কৰ্ণেলিয়া টাৰ্নাৰ, জেন উইলিয়ামছ প্ৰভৃতি।

পিছাতেই পৰিচয় ঘটে লেফটেনেণ্ট এডৱাৰ্ড উইলিয়ামছ নামৰ এগৰাকী ব্যক্তিৰ স'তে। ১৮২২ৰ আঠ জুলাইত শ্যেলী আৰু উইলিয়ামছ 'এৰিয়েল' নামৰ এখন নাৱত উঠি নৌকাবিহাৰলৈ যায়। তাতেই ঘূৰ্ণিবতাহৰ কবলত পৰি দুয়োজনে সলিল সমাধি ঘটে। ১৮ জুলাইত শ্যেলীৰ মৃতদেহ পাৰত ভাহি উঠে। তেওঁৰ পোছাকৰ পকেটত পোৱা যায় কীটছৰ কাব্যগ্ৰন্থ আৰু ছ'ফোক্লীছৰ এখন নাটক। তেওঁৰ মৃতদেহ দাহ কৰা হয় আৰু তাৰ ভস্মাৱশেষ ৰোম নগৰীৰ প্ৰোটেষ্টাণ্ট সমাধিক্ষেত্ৰত ৰখা হয়; যিখন সমাধিক্ষেত্ৰ সম্পৰ্কে শ্যেলীয়ে নিজেই লিখিছিল—'এনে সুন্দৰ ঠাইত কবৰ থাকিব বুলি জানিলে মৃত্যুক মানুহে ভাল পাই পেলাব পাৰে।'

মাথোঁ ৩০ বছৰ বয়ঃক্ৰম উত্তীৰ্ণ নৌহওঁতেই চিৰবিদায় ল'লে সেই যুগৰ এগৰাকী দুৰ্বিনীত, আলোড়ন সৃষ্টিকাৰী বিদ্ৰোহী কবি। এফালে ব্যক্তিগত আৰু পাৰিবাৰিক জীৱনত সমাজ-স্বীকৃত ৰীতি-নীতি বিৰোধী বেপৰোৱা আৰু উদ্ধত জীৱন-যাপনৰ বাবে অতিনিন্দিত, আনফালে কল্পনা প্ৰৱণতাৰ লেকামবিহীন আপোন চিন্তাধাৰাক বাস্তৱায়িত কৰাৰ সামৰ্থ্যৰ বাবে অভিনন্দিত—স্বল্পায়ু এইজন সাৰ্থক কবিয়ে সাহিত্য ক্ষেত্ৰত যি অৱদান ৰাখি গৈছে সেয়া আজিলৈকে বিস্ময়কৰ হৈয়ে আছে।

শ্যেলী আছিল ৰোমাণ্টিক যুগৰ শ্ৰেষ্ঠ গীতিকবি। শ্যেলীয়ে তেওঁৰ অপূৰ্ব গীতিকবিতাত প্ৰেম আৰু স্বাধীনতাৰ কল্পনা কৰিছে। তেওঁৰ প্ৰতিটো গীতিকবিতাত চিত্ৰকল্প, উপমা, ভাষাৰ মাধুৰ্য আৰু সংগীতৰ মূৰ্ছনাৰ সমাৱেশ ঘটিছে। তেওঁৰ স্কাইলাৰ্কৰ সংগীতৰ দৰেই গীতি কবিতাবোৰো স্বতঃস্ফূৰ্ত। শ্যেলীৰ জীৱন আছিল অতি বেদনাময়। সেয়েহে তেওঁৰ অধিকাংশ গীতিকবিতাত অশ্ৰুসিক্ত কণ্ঠৰ আভাস পোৱা যায়।

প্ৰেমৰ অমোঘ শক্তিত শ্যেলীৰ আছিল অটুট বিশ্বাস। পৃথিৱীৰ সকলো দুখ, সকলো অশান্তিৰ মূলতেই হ'ল প্ৰেমহীনতা। জগতৰ কল্যাণৰ মূলত আছে প্ৰেম। প্ৰকৃতিৰ অন্তৰত বিৰাজ কৰি আছে এক চিৰন্তন প্ৰেম-সত্তা। যিদিনা মানুহে তাৰ স'তে নিজৰ জীৱনৰ সুৰ মিলাবলৈ সক্ষম হ'ব, সেইদিনাই পৃথিৱীলৈ আহিব সত্যযুগ বা স্বৰ্ণযুগ। এই সত্যযুগৰ সপোনে তেওঁক বিভোৰ কৰিছিল। ---নামৰ জগৎ বিখ্যাত কবিতাটো সেই একেই স্বপ্ন ধ্বনিত হৈছে— শীত যদি আহে, বসন্ত জানো দূৰত থাকে? সেই বসন্তক লৈ আহিবৰ বাবেই তেওঁ আহ্বান কৰিছে পছোৱা বতাহক, গাইছে বিদ্ৰোহৰ গান।

শ্যেলীয়ে ধাৰণা কৰিছিল, সৌন্দৰ্য আৰু প্ৰেমৰ অতীন্দ্ৰিয় সত্তাৰ দিব্য বিভূতিত বিশ্বজগত পৰিপূৰ্ণ। আমাৰ মনত বিৰাজ কৰে তাৰেই এটা অখণ্ড আদৰ্শ। সেই আদৰ্শৰ পোহৰ য'ত পৰে তাতেই আমি প্ৰত্যক্ষ কৰো সত্য আৰু সুন্দৰক। তাকেই আমি ভাল পাওঁ। দৰাচলতে সৌন্দৰ্য আৰু প্ৰেম ইটো আনটোৰ পৰিপূৰক। Love is inevitably consequent upon the Perception of loveliness (Notes on queen Mab)

শ্যেলীৰ প্ৰতিটো কবিতাতেই আছে সৰলতা আৰু তীব্ৰ আৱেগ। ভাব আৰু ভাষাৰ মণিকাঞ্চন। ইয়াৰ লগত মিহলি হৈ আছে নিজৰ মনৰ মাধুৰী। জীৱনত বহুতো দুখ পাইছিল কাৰণেই ক'ৰবাত বিষাদৰ সুৰো ফুটি উঠিছে। এই বিষাদৰ সুৰক কোৱা হৈছে Lyric Cry. Ode to the West Windত তেওঁ লিখিছে—

O lift me as a wave, a leaf, a could,
I fall upon the thorns of life, I bleed

কিন্তু ব্যক্তিগত বিষাদৰ ঊৰ্ধ্বলৈ উঠি তেওঁ মানুহৰ জয়গান গাইছে। তেওঁৰ কণ্ঠত ধ্বনিত হৈছে সাম্য, মৈত্ৰী, স্বাধীনতা আৰু সাৰ্বজনীন ভ্ৰাতৃত্বৰ অমোঘ বাণী। শ্যেলী আছিল উজ্জ্বল সুখী সমাজৰ স্বপ্ন দেশা আশাবাদী কবি। তেওঁ পথভ্ৰষ্ট মানুহৰ পথ প্ৰদৰ্শক হ'ব বিচাৰিছিল। এইজন মানৱ দৰদী কবিৰ প্ৰীতি আছিল ধৰ্ম-বৰ্ণ আৰু দেশনিৰপেক্ষ। প্ৰতিটো দেশৰ প্ৰতিগৰাকী মানুহে সুখী স্বাধীন জীৱন যাপন কৰাটো তেওঁ বিচাৰিছিল। সকলো ধৰণৰ অত্যাচাৰৰ তেওঁ আছিল বিৰোধী। মুক্তি আৰু স্বাধীনতাৰ বাবে তেওঁৰ আছিল বিৰামহীন আকুলতা। এই আকুলতাই তেওঁৰ চৈতন্যক কিদৰে আচ্ছন্ন কৰিছিল তাৰ প্ৰমাণ The Revolt of Islam আৰু গীতিধৰ্মী নাটক। Prometheus Unboundৰ অন্তৰ্নিহিত ভাব বিশ্লেষণ কৰিলেই ওলাই পৰে।

শ্যেলীৰ অন্যান্য কাব্য আৰু অবিস্মৰণীয় কবিতাৰ মাজত বিশেষভাৱে উল্লেখ্য হ'ল Queen Mab, The Hymn to Intellectual Beauty, Alstor, Ode to the West Wind. To a Skylark, Adonais প্ৰভৃতি। গীতি কবিতা তেওঁৰ কাব্যৰ প্ৰধান বৈশিষ্ট্য।

প্ৰাচীন Plato-ৰ পৰা আৰম্ভ কৰি অৰ্বাচীন Godwinৰ ভাব শিষ্য আছিল শ্যেলী। তদুপৰি তেওঁ ভাব শিষ্য আছিল Spencer, Petrarch, Shakespeare প্ৰভৃতিৰ আৰু তাৰ লগতে ভৱিষ্যভাষ্য Utopia-ৰ স্বপ্নদ্ৰষ্টা More,Rousseau,Voltaire আদিৰো। সমসাময়িক কালত একেলগে বন্দিত আৰু নিন্দিত এই কবিয়ে নতুন আদৰ্শ বিশ্ব ৰচনাৰ হেঁপাহত যি দৰ্শন আৰু তাৰ উপযোগী যি ৰচনাৰাজি ৰাখি থৈ গ'ল আমাৰ সন্মুখত— সেইবোৰেই তেওঁক চিৰকালীন অমৰত্ব দান কৰিব।

## ৰাজস্থানত মংকীপক্সৰ প্ৰথম সংক্ৰমণ, দিল্লীতো বাঢ়িল আক্ৰান্ত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২ আগষ্ট ঃ** এইবাৰ ৰাজস্থানতো ধৰা পৰিল প্ৰথমজন মংকীপক্স আক্ৰান্ত ৰোগী। প্ৰকাশিত বাতৰি অনুসৰি ২০ বছৰীয়া এজন যুৱকৰ শৰীৰত মংকীপক্সৰ সংক্ৰমণৰ উপসৰ্গ চিনাক্ত কৰা হৈছে আৰু সম্প্ৰতি তেওঁক নিভৃতবাসত ৰখা হৈছে। যুৱকজনৰ শৰীৰৰ পৰা নমুনা সংগ্ৰহ কৰি পৰীক্ষাৰ বাবে পুনেৰ নেচনেল ইনষ্টিটিউট অব্ ভাইৰ'লজিলৈ প্ৰেৰণ কৰা হৈছে। ইফালে, ৰাজধানী দিল্লীতো পুনৰ মংকীপক্স আক্ৰান্তৰ সন্ধান লাভ কৰা হ'ল। নাইজেৰিয়াৰ বাসিন্দা ৩৫ বছৰীয়া এজন যুৱকৰ শৰীৰত মংকীপক্সৰ সংক্ৰমণ নিশ্চিত কৰা হৈছে। আক্ৰান্ত যুৱকৰ সাম্প্ৰতিক বিদেশ ভ্ৰমণৰ কোনো ইতিহাস নাই। ভাৰতত মংকীপক্স আক্ৰান্তৰ সংখ্যা ছজনলৈ বৃদ্ধি পালে।

## মহিলাৰ আইচক্ৰীম খোৱাৰ বিজ্ঞাপনক লৈ ইৰানত মৌলবীৰ বিক্ষোভ



**নিউজ ব্যুৰ', তেহৰান, ২ আগষ্ট ঃ** কঠোৰ ইছলামিক দেশ ইৰানত এগৰাকী মহিলা মডেলে আইচক্ৰীম খোৱাৰ বিজ্ঞাপন প্ৰচাৰক লৈ দেশখনৰ মৌলবী সমাজে তীব্ৰ বিৰোধিতা প্ৰদৰ্শন কৰিছে। ইতিমধ্যে এই বিজ্ঞাপন নিষিদ্ধ কৰা হৈছে। হিজাব পৰিহিতা এগৰাকী যুৱতী মডেলে আইচক্ৰীম খোৱাৰ বিজ্ঞাপন শেহতীয়াভাৱে ইৰানৰ সংবাদ মাধ্যমত প্ৰচাৰিত হৈছিল। এই বিজ্ঞাপন প্ৰত্যক্ষ কৰি দেশখনত মৌলবীসকল জাঙুৰ খাই উঠে আৰু স্থানীয় আইচক্ৰীম প্ৰস্তুতকাৰক ডমিন'জৰ বিৰুদ্ধে বিচাৰ চলাবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক হেঁচা দিয়ে। মৌলবী সমাজৰ অভিযোগ অনুসৰি এনে বিজ্ঞাপন অশালীন আৰু এই বিজ্ঞাপনে মহিলাক অপমান কৰিছে। ইৰানৰ সংস্কৃতি আৰু ইছলামিক মতাদৰ্শক এনে বিজ্ঞাপনে আঘাত হনা বুলিও অভিযোগ উত্থাপন কৰি মৌলবীসকলে ইয়াৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ কৰ্তৃপক্ষক দাবী জনাইছে। ইতিমধ্যে কৰ্তৃপক্ষই এই বিজ্ঞাপনৰ প্ৰচাৰত নিষেধাজ্ঞা আৰোপ কৰিব।

## সদনত মূল্যবৃদ্ধিক লৈ চলিছে চৰ্চা, তৃণমূল কংগ্ৰেছৰ সাংসদ মহুৱাই কিয় লুকুৱালে নিজৰ বেগ ?



**নিউজ ব্যুৰ', নতুন দিল্লী, ২ আগষ্ট ঃ** সংসদৰ বৰ্ষাকালীন অধিবেশন অব্যাহত থকাৰ সময়তে লোকসভাৰ এক ভিডিঅ' সামাজিক মাধ্যমত শেহতীয়াভাৱে ভাইৰেল হ'ল। এই ভিডিঅ'টো তৃণমূল কংগ্ৰেছৰ সাংসদ মহুৱা মৈত্ৰৰ স'তে জড়িত। দৰাচলতে লোকসভাত মূল্যবৃদ্ধিৰ প্ৰসংগত চৰ্চা অব্যাহত আছিল। এনে সময়তে তৃণমূল কংগ্ৰেছৰ সাংসদগৰাকীয়ে নিজৰ বেগটো লাহেকৈ তললৈ নমাই থয়। সাংসদ মহুৱাৰ এই কৰ্মৰ দৃশ্য কেমেৰাত আবদ্ধ হৈছিল। সামাজিক মাধ্যমত এই দৃশ্য ভাইৰেল হোৱাৰ পাছত এতিয়া তৃণমূল কংগ্ৰেছৰ সাংসদগৰাকী নানা কটাক্ষৰ সন্মুখীন হৈছে। সামাজিক মাধ্যম ব্যৱহাৰকাৰীৰ অভিযোগ অনুসৰি, মহুৱাই যিটো বেগ সংসদত লুকুৱাবলৈ চেষ্টা চলাইছিল সেই বেগৰ মূল্য ১.৫ লাখ টকা। অতি বিলাসী ব্ৰেণ্ডৰ বেগটো লুকুৱাবলৈ গৈ কেমেৰাত ধৰা পৰিছিল তৃণমূল কংগ্ৰেছৰ সাংসদগৰাকী। সোমবাৰে লোকসভাত মূল্যবৃদ্ধি, জি এছ টি প্ৰসংগত চৰ্চা হৈছিল আৰু বিৰোধীয়ে চৰকাৰক মূল্যবৃদ্ধিৰ বাবে জগৰীয়া কৰি কঠোৰভাৱে সমালোচনা কৰিছিল। মহুৱাৰ কাষত বহি থকা তৃণমূল কংগ্ৰেছৰ সাংসদ কাকলি ঘোষ দস্তিদাৰে সংসদত বক্তব্য ৰাখিবলৈ থিয় হোৱাৰ লগে লগে মহুৱাই নিজৰ বিলাসী বেগটো লাহেকৈ উঠাই তললৈ নমাই থৈছিল। দৰাচলতে তৃণমূল সাংসদগৰাকীয়ে মূল্যবৃদ্ধিৰ প্ৰসংগত আলোচনা কৰাৰ সময়ত নিজৰ বিলাসী ব্ৰেণ্ডৰ বেগটোৰ পৰা বিৰোধীৰ দৃষ্টি আঁতৰাবলৈকে এই কৌশল অৱলম্বন কৰিছিল। সামাজিক মাধ্যমত মহুৱাৰ এনে আচৰণ প্ৰত্যক্ষ কৰাৰ পাছত একাংশ লোকে তৃণমূল সাংসদগৰাকীক প্ৰশ্ন কৰি কয়, 'যদিহে ইমানে মূল্যবৃদ্ধি হৈছে তেন্তে মহুৱা মৈত্ৰই কেনেকৈ ইমান দামী বেগ সদনলৈ লৈ আহিলে ?'

## এইবাৰ ৱাশ্বিংটনত বন্দুকধাৰীৰ আক্ৰমণ, নিহত এক-আহত ছজন



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২ আগষ্ট ঃ** পুনৰ বন্দুকধাৰীৰ আক্ৰমণত ৰক্তাক্ত হ'ল আমেৰিকা। এইবাৰ ঘটনাস্থল হ'ল দেশখনৰ ৰাজধানী ৱাশ্বিংটন ডি চি। যোৱা নিশা বন্দুকধাৰীয়ে জধে মধে গুলিবৰ্ষণ কৰাৰ ঘটনাত ছজন লোক গুলিবিদ্ধ হয়। আক্ৰমণকাৰীৰ গুলিত ঘটনাস্থলীতে প্ৰাণ হেৰুৱালে এজন লোকে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি ৱাশ্বিংটনৰ উত্তৰ-পূৱৰ এফ ষ্ট্ৰীটত হঠাতে গুলিবৰ্ষণ কৰিছিল এজন ব্যক্তিয়ে। অৱশ্যে কোনে কি কাৰণত এই আক্ৰমণ সংঘটিত কৰিলে সেয়া এতিয়াও জানিব পৰা হোৱা নাই।

## গুজৰাটত তৎপৰ কেজৰিৱাল, চাৰি মাহ পূৰ্বেই ১০ প্ৰাৰ্থীৰ নাম ঘোষণা



**নিউজ ব্যুৰ', আহমেদাবাদ, ২ আগষ্ট ঃ** চলিত বৰ্ষৰ অন্তিম ভাগত গুজৰাটত অনুষ্ঠিত হ'ব লগা বিধানসভা নিৰ্বাচনৰ বাবে আম আদমী পাৰ্টি (আপ)-এ প্ৰাৰ্থীৰ প্ৰথমখন তালিকা ঘোষণা কৰিলে। দিল্লী আৰু পঞ্জাৱত ক্ষমতা দখল কৰাৰ পাছত অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আপে গুজৰাটত দলৰ ভেটি সবল কৰিবলৈ উঠি পৰি লাগিছে। এই উদ্দেশ্যৰে আজি দলটোৱে আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে আপৰ ১০ জন প্ৰাৰ্থীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰিলে। আপৰ প্ৰাৰ্থী তালিকাত স্থান লাভ কৰা নেতাকেইজন হৈছে ভিমাভাই চৌধুৰী জগমল বালা অৰ্জুন ৰাথৱা, সাগৰ ৰবাৰি, বাচৰাম চগাথিয়া, ৰাম ঢান্দুক, শিৱলাল বৰাচিয়া, সুধীৰ বধানি, ৰাজেন্দ্ৰ চৌলাংকি আৰু ওম প্ৰকাশ তিৱাৰী। গুজৰাট বিধানসভা নিৰ্বাচনৰ চাৰি মাহ পূৰ্বেই এইদৰে প্ৰাৰ্থী তালিকা প্ৰকাশ কৰি তৎপৰতা প্ৰদৰ্শন কৰিলে আপে।

### আম্বানীয়ে ক'লে, 'ভাৰতত ৫ জি সেৱা প্ৰৱৰ্তনৰে আজাদী কা অমৃত মহোৎসৱ পালন কৰিম'

## ভাৰতত চলিত মাহতে আৰম্ভ হ'ব জিঅ'ৰ ৫ জি সেৱা

**নিউজ ব্যুৰ' মুম্বাই, ২ আগষ্ট ঃ** ৫ জি স্পেকট্ৰামৰ নিলামত শীৰ্ষত আছে ৰিলায়েন্স জিঅ'। ৫ জি স্পেকট্ৰামৰ মুঠ ১,৫০,১৭৩ কোটি টকাৰ নিলামত জিঅ'ই ৮৮,০৭৮ কোটি টকাৰ স্পেকট্ৰাম ক্ৰয় কৰিলে। অৰ্থাৎ মুঠ স্পেকট্ৰামৰ ৫০ শতাংশৰো অধিক ইতিমধ্যে জিঅ'ই দখল কৰিলে। ৫ জি স্পেকট্ৰামৰ অধীনত ৫১২৩৬ মেগাহাৰ্চ স্পেকট্ৰাম নিলাম কৰা হ'ল। স্পেকট্ৰাম নিলামত সৰ্বাধিক মূল্য ৰিলায়েন্স জিঅ' ইনফ'ক'মে আগবঢ়ালে। ৰিলায়েন্সে মুঠ ২৪,৭৪০ মেগাহাৰ্চৰ স্পেকট্ৰাম ক্ৰয় কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি অহা ১৫ আগষ্টত জিঅ'ই ভাৰতত বহু প্ৰত্যাশিত ৫



জি ম'বাইল সেৱা আৰম্ভ কৰাৰ সম্ভাৱনা আছে। ৫ জি স্পেকট্ৰাম ক্ৰয়ৰ পাছত ৰিলায়েন্স জিঅ' ইনফ'ক'মৰ আকাশ আম্বানীয়ে মন্তব্য কৰি কয়, 'আমি সমগ্ৰ ভাৰতত ৫ জি সেৱা প্ৰৱৰ্তনৰ জৰিয়তে 'আজাদী কী অমৃত মহোৎসৱ' পালন কৰিম। জিঅ'ই আন্তৰ্জাতিক মানৰ সস্তীয়া ৫ জি সেৱা প্ৰদান কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।' ৫ জি স্পেকট্ৰাম নিলামত জিঅ'ই প্ৰথম স্থান লাভ কৰাৰ বিপৰীতে ১৯৮৬৭ মেগাহাৰ্চ স্পেকট্ৰাম ক্ৰয়ৰ জৰিয়তে দ্বিতীয় স্থানত আছে ভাৰতী এয়াৰটেল। আনহাতে, ভ'ডাফোন-আইডিয়াই ৬২২৮ মেগাহাৰ্চ আৰু আদানী ডেটা নেটৱৰ্কে ৪০০ মেগাহাৰ্চ স্পেকট্ৰাম ক্ৰয় কৰিলে।

## ইউ পি আইৰ জৰিয়তে জুলাইত ভাৰতত ছয় বিলিয়ন টকাৰ লেনদেন



**নিউজ ব্যুৰ', নতুন দিল্লী, ২ আগষ্ট ঃ** যোৱা জুলাইত ভাৰতত 'ইউনিফাইড পেমেণ্টছ ইণ্টাৰফে'চ' (ইউ পি আই) পদ্ধতিৰে ছয় বিলিয়ন টকাৰ লেনদেন কৰা হৈছিল। আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এই কথা প্ৰকাশ কৰি কয় যে দেশত এমাহতে অভিলেখ সংখ্যক ছয় বিলিয়ন টকাৰ লেনদেন ইউ পি আই পদ্ধতিৰে সম্পন্ন হোৱাটো অৰ্থনীতিৰ বাবে এক তাৎপৰ্যপূৰ্ণ খবৰ। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ এক টুইটৰ উত্তৰ দি প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়। সীতাৰমণে টুইটাৰত সংবাদ মাধ্যমৰ এক বাতৰি টেগ কৰিছিল আৰু এই বাতৰিত উল্লেখ কৰা অনুসৰি যোৱা জুলাইত ভাৰতত ছয় বিলিয়ন টকাৰ লেনদেন ইউ পি আই পদ্ধতিৰে সম্পন্ন কৰা হৈছিল। ২০১৬ৰ পৰা বৰ্তমানলৈকে ইউ পি আইৰ জৰিয়তে লেনদেনৰ ক্ষেত্ৰত এয়া হৈছে সৰ্বাধিক সংখ্যা।



## ২০১৮-২০ বৰ্ষত ভাৰতত সংঘটিত হৈছিল ৩৮৬ এচিড আক্ৰমণৰ ঘটনা

**নিউজ ব্যুৰ' নতুন দিল্লী, ২ আগষ্ট ঃ** ভাৰতত ২০১৮ৰ পৰা ২০২০ বৰ্ষৰ সময়ছোৱাত মহিলাৰ ওপৰত ৩৮৬ টা এচিড আক্ৰমণৰ ঘটনা সংঘটিত হৈছিল। কেন্দ্ৰীয় চৰকাৰে আজি লোকসভাত এই তথ্য সদৰী কৰে। কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী অজয় কুমাৰ মিশ্ৰাই নিম্ন সদনত নেচনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰ' (এন চি আৰ বি)ৰ তথ্য প্ৰকাশ কৰি লগতে কয় যে ২০১৮-২০ বৰ্ষৰ সময়ছোৱাত সংঘটিত হোৱা এচিড আক্ৰমণৰ ঘটনাত আদালতে ৬২ জন অভিযুক্তক দোষী সাব্যস্ত কৰিছিল। মন্ত্ৰীজনে দাখিল কৰা তথ্য অনুসৰি মহিলাৰ বিৰুদ্ধে ২০১৮ত ১৩১, ২০১৯ত ১৫০ আৰু ২০২০ বৰ্ষত ১০৫ টা এচিড আক্ৰমণৰ ঘটনা দেশত সংঘটিত হৈছিল। একেদৰে এনে ঘটনাত ২০১৮ত জড়িত থকাৰ অভিযোগত ২৮ জনক, ২০১৯ত ১৬ জনক আৰু ২০২০ত ১৮ জনক আদালতে দোষী সাব্যস্ত কৰিছিল।

# পাৰ্থ-অৰ্পিতা কাণ্ডত বিস্ফোৰক তথ্য লাভ ই ডিৰ, ফ্লেটৰ পৰা ক'লৈ গৈছিল ধন ?

## দুৰ্নীতি অভিযুক্ত পাৰ্থলৈ ছেণ্ডেল দলিয়াই মহিলাই ক'লে 'এতিয়াহে শান্তি লভিছো'



**নিউজ ব্যুৰ', কলকাতা, ২ আগষ্ট ঃ** পশ্চিমবংগৰ শিক্ষক নিযুক্তি কেলেংকাৰিত অভিযুক্ত প্ৰাক্তন মন্ত্ৰী পাৰ্থ চেটাৰ্জীক আজি চিকিৎসালয়ত স্বাস্থ্য পৰীক্ষা কৰি বাহিৰলৈ উলিয়াই অনাৰ সময়তে তেওঁলৈ লক্ষ্য কৰি ছেণ্ডেল দলিয়ালে এগৰাকী মহিলাই। অৱশ্যে মহিলাই দলিওৱা ছেণ্ডেলে স্পৰ্শ নকৰিলে প্ৰাক্তন মন্ত্ৰীজনক। ঘটনা সংঘটিত হোৱাৰ লগে লগে পাৰ্থক উক্ত স্থানৰ পৰা গাড়ীত তুলি নিৰাপত্তাৰক্ষীয়ে আঁতৰাই নিয়ে। পাছত প্ৰাক্তন মন্ত্ৰীজনক ছেণ্ডেল দলিয়াই আক্ৰমণ কৰা মহিলাগৰাকীয়ে সংবাদ মাধ্যমৰ আগত এইদৰে কয়, 'মোৰ তেওঁৰ প্ৰতি যথেষ্ট খং আছিল। জোতা দলিয়াই শান্তি অনুভৱ কৰিছো। জোতাই তেওঁক আঘাত হনা হ'লে আৰু ভাল লাগিলহেঁতেন। মালা পিন্ধোৱা হ'লে আপোনালোকৰ ভাল লাগিলহেঁতেন নেকি? ইমান মানুহৰ টকা মাৰি, চাকৰিৰ পৰা বঞ্চিত কৰি ফ্লেট, ঘৰ ক্ৰয় কৰিছিল। তেনে মানুহক এচি গাড়ীত অনা-নিয়া কৰা হৈছে।' উল্লেখ্য যে পাৰ্থক আক্ৰমণ কৰা মহিলাগৰাকীৰ নাম শুভ্ৰা দেৱী আৰু তেওঁ চিকিৎসাৰ বাবে ই এছ আই হাস্পতাললৈ আহি এই ঘটনা সংঘটিত কৰিলে।

**নিউজ ব্যুৰ' কলকাতা, ২ আগষ্ট ঃ** পশ্চিমবংগৰ শিক্ষক নিযুক্তিৰ কেলেংকাৰিত জড়িত থকাৰ অভিযোগত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ অলপতে গ্ৰেপ্তাৰ কৰা তৃণমূল কংগ্ৰেছৰ নিলম্বিত নেতা পাৰ্থ চেটাৰ্জী আৰু তেওঁৰ ঘনিষ্ঠ অভিনেত্ৰী-মডেল অৰ্পিতা মুখাৰ্জীৰ সন্দৰ্ভত অধিক চাঞ্চল্যকৰ তথ্য উদ্ধাৰ কৰিলে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে। পূৰ্বে ই ডিয়ে অৰ্পিতাৰ নামত থকা ছটাকৈ কোম্পানীৰ সন্ধান লাভ কৰিছে। এইবাৰ পাৰ্থ আৰু অৰ্পিতাৰ যৌথ



নামত থকা দুটা কোম্পানীৰ সন্ধান লাভ কৰিলে ই ডিয়ে। কোম্পানীৰ নথিত উল্লেখ কৰা অনুসৰি ২০১১-১২ বৰ্ষত এই দুই কোম্পানীৰ পঞ্জীয়ন কৰা হৈছিল আৰু দুয়োটা কোম্পানীৰ ঠিকনা কলকাতাত। অৱশ্যে ই ডিয়ে এই দুটা কোম্পানী ভুৱা বুলি সন্দেহ কৰিছে। কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে লাভ কৰা আন এক তথ্য অনুসৰি পাৰ্থই অৰ্পিতাৰ নামত নতুনকৈ দুখন বিলাসী গাড়ীৰ বুকিং কৰিছিল আৰু চলিত সপ্তাহতে এই গাড়ী ডেলিভাৰী কৰাৰ কথা আছিল। ই ডিৰ সূত্ৰৰ খবৰ অনুসৰি অৰ্পিতাৰ ঘৰৰ পৰা জব্দ কৰা তিনিখন ডায়েৰীত ধনৰ লেনদেনৰ বহু তথ্য উল্লেখ আছে। অৰ্পিতাৰ ফ্লেটৰ পৰা ক'লৈ ধন সৰবৰাহ কৰা হৈছিল সেই সন্দৰ্ভতো তথ্য লাভ কৰা বুলি ই ডিয়ে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত সদৰী কৰিছে। আজি ই ডিয়ে অৰ্পিতাৰ বৰানগৰত থকা নেইল আৰ্ট পাৰ্লাৰত তালাচী অভিযান চলায়।

## মোৰ অনুপস্থিতিত ফ্লেটত অজানিতে ৰখা হৈছিল ধন ঃ অৰ্পিতাৰ দাবী

**নিউজ ব্যুৰ' কলকাতা, ২ আগষ্ট ঃ** তৃণমূল কংগ্ৰেছৰ নিলম্বিত নেতা পাৰ্থ চেটাৰ্জীৰ পাছত এইবাৰ সংবাদ মাধ্যমৰ আগত মুখ খুলিলে পাৰ্থ ঘনিষ্ঠ অৰ্পিতা মুখাৰ্জীয়ে। শাৰীৰিক পৰীক্ষাৰ বাবে ই এছ আই হাস্পতাললৈ নিয়াৰ সময়ত অৰ্পিতাই সংবাদ মাধ্যমৰ আগত দাবী কৰি কয়, 'টকাখিনি মোৰ নহয়। মোৰ অনুপস্থিতিত ফ্লেটত অজানিতে ধনখিনি ৰখা হৈছিল।'



উল্লেখ্য যে পূৰ্বে অভিযুক্ত পাৰ্থয়ো উক্ত ধন তেওঁৰ নহয় বুলি দাবী কৰিছিল। অলপতে অৰ্পিতাৰ দুটাকৈ ফ্লেটত অভিযান চলাই প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ ৫০ কোটি টকাৰ নগদ ধন আৰু ছয় কিলো সোণ জব্দ কৰিছিল। অৰ্পিতাৰ ফ্লেটত উদ্ধাৰ হোৱা এই ধনৰ প্ৰকৃত গৰাকী পশ্চিমবংগৰ প্ৰাক্তন মন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেতা পাৰ্থ চেটাৰ্জী বুলি প্ৰথমতে অৰ্পিতাই দাবী কৰিছিল। কিন্তু হঠাতে আজি সংবাদ মাধ্যমৰ আগত অৰ্পিতাই কয় যে ই ডিয়ে জব্দ কৰা উক্ত ধনৰ স'তে তেওঁৰ কোনো সম্পৰ্ক নাই।

## প্ৰাক্তন স্বামী জনীক ১০ নিযুত ডলাৰৰ ক্ষতিপূৰণ প্ৰদানৰ বাবে কেলিফৰ্ণিয়াৰ বাসগৃহ বিক্ৰী কৰিলে এম্বৰে



**নিউজ ব্যুৰ', কেলিফৰ্ণিয়া, ২ আগষ্ট ঃ** 'পাইৰেটছ অব্ দ্য কেৰেবিয়ান' খ্যাত অভিনেতা জনী ডেপ আৰু হলিউডৰ আগশাৰীৰ অভিনেত্ৰী এম্বৰ হাৰ্ড সম্প্ৰতি বিবাহ বিচ্ছেদৰ বাবে সংবাদ মাধ্যমত চৰ্চাত আছে। এম্বৰে জনীৰ বিৰুদ্ধে গাৰ্হস্থ্য হিংসা প্ৰতিৰোধ আইনৰ অধীনত গোচৰ তৰিছিল আৰু ইয়াৰ বিৰুদ্ধে জনীয়ে মানহানিৰ এক গোচৰ ৰুজু কৰিছিল। আদালতে বিচাৰ চলাই জনীৰ সপক্ষে ৰায় দিয়াৰ লগতে এম্বৰক ১০ নিযুত ডলাৰৰ জৰিমনা বিহি উক্ত ধন প্ৰাক্তন স্বামীক আদায় দিবলৈ নিৰ্দেশ দিছিল। প্ৰকাশিত বাতৰি অনুসৰি প্ৰাক্তন স্বামী জনীক এই ধনৰাশি আদায় দিয়াৰ বাবে নিজৰ কেলিফৰ্ণিয়াত থকা সম্পত্তি বিক্ৰী কৰিবলগা হ'ল অভিনেত্ৰীগৰাকীয়ে। এম্বৰে কেলিফৰ্ণিয়াত থকা তেওঁৰ ছয় একৰৰ সম্পত্তি ১.৫ নিযুত ডলাৰ অৰ্থাৎ ভাৰতীয় মুদ্ৰাত ৮.২৫ কোটি টকাত বিক্ৰী কৰিলে। এই ভূমিত এটা তিনিটা শয়নকক্ষযুক্ত বাসগৃহ আছে। বাসগৃহ বিক্ৰীৰ জৰিয়তে এম্বৰে ৩.৯৩ কোটি টকাৰ লাভ অৰ্জন কৰিলে।

## পানশালাৰ মালিক নহয় মন্ত্ৰী স্মৃতিৰ কন্যা, ন্যায়ালয়ৰ ঘোষণা



**নিউজ ব্যুৰ', নতুন দিল্লী, ২ আগষ্ট ঃ** কেন্দ্ৰীয় মহিলা আৰু শিশু কল্যাণ মন্ত্ৰী স্মৃতি ইৰানীৰ কন্যা জ'য়িচৰ গোৱাত কোনো ৰেস্তোৰাঁ আৰু পানশালা নাই। এই বিষয়ত কোনো তথ্যপ্ৰমাণ লাভ কৰা নহ'ল বুলি আজি দিল্লী উচ্চ ন্যায়ালয়ে ঘোষণা কৰিলে। বিষয়টোৰ সন্দৰ্ভত মন্ত্ৰী স্মৃতিয়ে দাখিল কৰা দুই কোটিটকীয়া মানহানিৰ গোচৰৰ অভিযোগৰ প্ৰতি সঁহাৰি জনাই দিল্লী উচ্চ ন্যায়ালয়ে আজি কয়, 'তিনি কংগ্ৰেছ নেতা পৱন খেৰা, জয়ৰাম ৰমেশ আৰু নেট্টা ডিছুজাই চক্ৰান্ত কৰি স্মৃতি আৰু তেওঁৰ কন্যাৰ বিৰুদ্ধে মিথ্যা অভিযোগ উত্থাপন কৰিছিল।' বিভিন্ন চৰকাৰী নথি পৰীক্ষণত স্মৃতি কন্যাৰ বিৰুদ্ধে বেআইনী পানশালা পৰিচালনাৰ কোনো প্ৰমাণ লাভ কৰা নহ'ল বুলি আদালতে স্পষ্টকৈ ঘোষণা কৰিলে। আদালতৰ এই ঘোষণাত কংগ্ৰেছৰ তিনি নেতা আইনী বিপাকত পৰাৰ সম্ভাৱনা বৃদ্ধি পালে।

## পেল'চিৰ টাইৱান যাত্ৰাক লৈ ক্ষুব্ধ চীন, আমেৰিকাক সকীয়নি



**নিউজ ব্যুৰ', বেইজিং, ২ আগষ্ট ঃ** আমেৰিকাৰ সদনৰ অধ্যক্ষ নেন্সি পেল'চিৰ টাইৱান যাত্ৰাৰ সন্দৰ্ভত আজি আকৌ এবাৰ আমেৰিকাক সকীয়নি দিলে চীনে। চীনা বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰ হুৱা ছুনয়িঙে আজি কয় যে পেল'চিয়ে টাইৱান ভ্ৰমণ কৰিলে চীনে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ বাধ্য হ'ব। চীনৰ বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰজনে লগতে কয় যে চীনে পেল'চিৰ ভ্ৰমণসূচীৰ প্ৰতি দৃষ্টি ৰাখিছে আৰু চীনৰ আভ্যন্তৰীণ প্ৰসংগত তেওঁ হস্তক্ষেপ কৰাটো বেইজিঙে কেতিয়াও সহজভাৱে গ্ৰহণ নকৰিব। আমেৰিকাই ভুল পথ অৱলম্বন কৰিলে নিজৰ সাৰ্বভৌমত্ব আৰু নিৰাপত্তা নিশ্চিতকৰণৰ বাবে বেইজিঙে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ বাধ্য হ'ব বুলিও চীনৰ বৈদেশিক মন্ত্ৰণালয়ে আমেৰিকাক সকীয়াই দিছে।

## কৰ'নাত দৈনিক আক্ৰান্তৰ সংখ্যা ১৪ হেজাৰলৈ হ্ৰাস, মৃত্যু ৩৪ জনৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২ আগষ্ট ঃ** দেশজুৰি কৰ'নাৰ দৈনিক সংক্ৰমণ বিগত সপ্তাহত ২০ হেজাৰৰ অধিক হৈছিল যদিও যোৱা পাঁচদিন ধৰি আক্ৰান্তৰ সংখ্যা পুনৰ হ্ৰাস হ'বলৈ ধৰিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত ১৩,৭৩৪ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। সোমবাৰে আক্ৰান্তৰ সংখ্যা ১৬,৪৬৪ জন। বিগত এদিনত তামিলনাডুত ১৩৫৯, কেৰালাত ১৩২১, কৰ্ণাটকত ১২৮৭, হিমাচল প্ৰদেশত ৮৫৯, মহাৰাষ্ট্ৰত ৮৩০ আৰু দিল্লীত ৮২২ জন লোক ক'ভিডত সংক্ৰমিত হ'ল। বিগত



২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত মুঠ ৩৪ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। কেৰালাত সাতজন, পশ্চিমবংগত ছয়জন, হিমাচল প্ৰদেশত তিনিজন, দিল্লী, কৰ্ণাটক, পঞ্জাৱ আৰু গোৱাত দুজনকৈ, মহাৰাষ্ট্ৰ, ওড়িছা, গুজৰাট, চত্তিছগড়, হাৰিয়ানা, উত্তৰাখণ্ড, পুডুচেৰী আৰু জম্মু-কাশ্মীৰত এজনকৈ ক'ভিড ৰোগীৰ মৃত্যু হ'ল।

## কৰণ জোহৰৰ মন্তব্যৰ বিৰুদ্ধে কি ক'লে অভিনেত্ৰী কংগনাই ?



**নিউজ ব্যুৰ', মুম্বাই, ২ আগষ্ট ঃ** বলিউডৰ আগশাৰীৰ নিৰ্মাতা-নিৰ্দেশক কৰণ জোহৰ আৰু অভিনেত্ৰী কংগনা ৰণৌতৰ সংঘাতৰ কথা সৰ্বজনবিদিত। কিছুদিন পূৰ্বে মুম্বাইত টেলিভিছনৰ জনপ্ৰিয় অনুষ্ঠানৰ পৰিচালক-সঞ্চালক কৰণক কংগনাই 'স্বজন তোষণৰ ধ্বজা' বুলি অভিহিত কৰিছিল। এইবাৰ অভিনেত্ৰীগৰাকীয়ে কৰণৰ আত্মজীৱনী 'এন আনছুইটেবল বয়'ৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে। উক্ত গ্ৰন্থত কৰণে উল্লেখ কৰা অনুসৰি শৈশৱত তেওঁ হিন্দীত বাৰ্তালাপ কৰাটো অসন্মানজনক বুলি ধাৰণা কৰিছিল। আত্মজীৱনীত কৰণে এইদৰে লিখিছিল, 'শৈশৱতে মোৰ বন্ধু আছিল হৃত্বিক ৰৌছন, অভিষেক বচ্চন, শ্বেতা বচ্চন, ফাৰহান আখতাৰ, জয়া আখতাৰ। মই ছোৱালী বন্ধুবোৰক পছন্দ কৰিছিলো। ল'ৰা বন্ধুবোৰ খুব অভদ্ৰ আছিল। সিহঁতৰ স'তে কথা পাতিবলৈ মই ভাল নাপাইছিলো। বিশেষকৈ আদিত্য চোপ্ৰা আৰু তেওঁৰ দলৰ স'তে মই কথা পাতিব নিবিচাৰিছিলো। তেওঁলোকে সকলো সময়তে হিন্দীত বাৰ্তালাপ কৰে আৰু মই সেয়া পছন্দ নকৰিছিলো। মই মাক কৈছিলো, সিহঁতৰ স'তে কথা পাতিবলৈ মোৰ ভাল নালাগে।' কৰণৰ এই মন্তব্যৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সামাজিক মাধ্যমত কংগনাই কয়, 'মোৰ যুঁজ কোনো ব্যক্তি বিশেষৰ বিৰুদ্ধে নহয়, মানসিকতাৰ স'তে। মোৰ যুঁজ সৰু চহৰৰ হিন্দীভাষী মানুহৰ বিৰুদ্ধে সংস্কাৰত ভোগা মানুহৰ বিৰুদ্ধে।'

## আক্ৰমণ কৰিব পাৰে চীনে, যুদ্ধৰ অনুশীলন আৰম্ভ কৰিলে টাইৱানে



**নিউজ ব্যুৰ', টাইপে, ২ আগষ্ট ঃ** যিকোনো মুহূৰ্ততে আক্ৰমণ চলাব পাৰে চীনে। এই আশংকাত যুদ্ধৰ অনুশীলন আৰম্ভ কৰিলে টাইৱানৰ সেনা বাহিনীয়ে। দেশৰ সকলো সেনা কৰ্মীৰ ছুটি বাতিল কৰাৰ লগতে সাধাৰণ নাগৰিককো টাইৱানত সম্ভাব্য যুদ্ধৰ বাবে সামৰিক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। উল্লেখ্য যে টাইৱানক নিজৰ অংশ হিচাপে দাবী কৰি আহিছে চীনে। চীনে প্ৰায়ে টাইৱানৰ আকাশমাৰ্গত অনুপ্ৰৱেশ কৰি যুঁজাৰু বিমান বিচৰণ কৰাই টাইৱানক প্ৰত্যাহ্বান জনাই আহিছে। এনে পৰিস্থিতিতে সম্ভাব্য যুদ্ধৰ বাবে টাইৱানৰ সেনা বাহিনীয়ে সামৰিক অনুশীলন আৰম্ভ কৰিলে। মাৰ্কিন সংবাদ মাধ্যমৰ দাবী অনুসৰি চীন সাগৰত ইতিমধ্যে যুদ্ধৰ অনুশীলন আৰম্ভ কৰিলে টাইৱানৰ নৌ বাহিনীয়ে।

# নগাঁও জিলা পৰিষদৰ অনাস্থা ভোট

## ■ মুনমনি দাস বৰাকেই পুনৰ সভানেত্ৰীৰূপে বিচাৰিলে অধিকাংশ সদস্যই ■ভোটাদানৰ পৰা বিৰত থাকিল শাসক-বিৰোধীৰ ১২ সদস্য

**বিশেষ সংবাদদাতা**
**নগাঁও, ২ আগষ্ট ঃ** আস্থাৰ ভোটত পুনৰ জয়ী হৈছে বিজেপিৰ দখলত থকা নগাঁও জিলা পৰিষদৰ সভানেত্ৰী মুনমনি দাস বৰা। আজি অনুষ্ঠিত আস্থাৰ ভোটত বৰাই ১৬ টা ভোট লাভ কৰি জয়ী হয় বুলি ৰিটাৰ্ণিং বিষয়াৰ দায়িত্বত থকা নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অৰূপ কুমাৰ শৰ্মাই ঘোষণা কৰে। উল্লেখ্য যে নগাঁও জিলা পৰিষদৰ সভাপতি মুনমনি দাস বৰাৰ বিৰুদ্ধে শাসকীয় দলটোৰে চামগুৰি জিলা পৰিষদৰ নিৰ্বাচিত সদস্যা তথা সভানেত্ৰী পদৰ প্ৰত্যাশী ৰীতা কাকতিৰ নেতৃত্বত শাসক-বিৰোধীৰ ২৪ গৰাকী সদস্যই অনাস্থা আনিছিল। কিন্তু নিৰ্দিষ্ট সময়ৰ ভিতৰত জিলা পৰিষদৰ সভাপতিগৰাকীয়ে অনাস্থা সন্দৰ্ভত কোনো সভা অনুষ্ঠিত নকৰিলে। পৰৱৰ্তী সময়ত বিজেপিৰ বিসম্বাদী সদস্য ৰীতা কাকতি, অগপৰ দুই জিলা পৰিষদ সদস্য ক্ৰমে মুৰ্শিদা বেগম আৰু দীপিকা শইকীয়াৰ নেতৃত্বত শাসক-বিৰোধীৰ ১৬ গৰাকী সদস্যই অনাস্থা প্ৰস্তাৱৰ বাবে সাধাৰণ সভা অনুষ্ঠিত কৰাৰ দাবী জনাই গুৱাহাটী উচ্চ ন্যায়ালয়ত এক লেখ আবেদন দাখিল কৰে। অৱশেষত ন্যায়ালয়ে যোৱা ২১ জুলাইত এক নিৰ্দেশ যোগে ১৫ দিনৰ ভিতৰত সাধাৰণ সভা আহ্বান কৰিবলৈ নগাঁও জিলা উপায়ুক্তক নিৰ্দেশ দিয়ে। সেই নিৰ্দেশ অনুসৰি, আজি নগাঁও আৱৰ্ত ভৱনত জিলা পৰিষদৰ সভাপতিগৰাকীৰ বিৰুদ্ধে উত্থাপিত অনাস্থা প্ৰস্তাৱ সন্দৰ্ভত সভা অনুষ্ঠিত হয় যদিও তাৎপৰ্যপূৰ্ণভাৱে আজিৰ এই সভাখনত বিজেপিৰ বিসম্বাদী সদস্যা তথা নগাঁও জিলা পৰিষদৰ সভাপতি পদৰ প্ৰত্যাশী ৰীতা কাকতিকে ধৰি অগপৰ সদস্যসকল উপস্থিত নথকাৰ লগতে অনাস্থা ভোটত অংশগ্ৰহণ কৰাৰ পৰাও লক্ষ্যণীয়ভাৱে বিৰত থাকিল। আজিৰ ভোটদান প্ৰক্ৰিয়াত ১৭ গৰাকী সদস্যই ভোটদান কৰিলে যদিও ইয়াৰ মাজৰে এজন সদস্যৰ ভোট নাকচ হয়। এই আটাইকেইটা ভোট বৰাৰ বিৰুদ্ধে অনা অনাস্থা প্ৰস্তাৱৰ বিপক্ষে যায়। ফলত ১৬ টা ভোট লাভ কৰি বৰাৰ সভাপতি পদ পুনৰ বাহাল থাকে। তথ্য মতে, ১৭ টা ভোটৰ দুই কংগ্ৰেছৰ, এটা ইউডিএফৰ ভোট লাভ কৰাৰ লগতে ১৪ টা ভোট বিজেপিৰ নিৰ্বাচিত সদস্যই প্ৰদান কৰে। মন কৰিবলগীয়া যে ২৯খন আসনেৰে গঠিত নগাঁও জিলা পৰিষদৰ ১১ শাসকীয় বিজেপিৰ ১৪, অগপৰ পাঁচ আৰু ইউডিএফৰ তিনি আৰু কংগ্ৰেছৰ সাতগৰাকী সদস্য আছে। আজি আস্থা ভোটত বৰা জয়ী হৈ নগাঁও জিলা পৰিষদৰ সভাপতি পদত পুনৰ বাহাল থকাৰ লগে লগে বিগত কে'বামাহ ধৰি নগাঁও জিলা পৰিষদৰ সভাপতি আসনখনকলৈ চলি থকা খোৱা কামোৰাৰো অন্ত পৰে।

# অগুৱীৰ বেলতলাস্থিত গ্ৰামীণ বিকাশ বেংকৰ শাখা মৰিগাঁৱলৈ স্থানান্তৰক লৈ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**
**ডংকামোকাম, ২ আগষ্ট ঃ** পশ্চিম কাৰ্বি আংলং জিলা আৰু মৰিগাঁও জিলাৰ সীমান্তৱৰ্তী অগুৱীৰ বেলতলাস্থিত অসম গ্ৰামীণ বিকাশ বেংকৰ শাখা মৰিগাঁৱৰ নেলীলৈ স্থানান্তৰিত কৰাত ৰাইজে আজি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে প্ৰথমে এই বেংকৰ নামকৰণ কৰা আছিল লাংপি-দেহাংগী ৰোৱেল বেংক। বিশেষকৈ এই বেংকটোৰে কাৰ্বি আংলং আৰু ডিমা হাছাও জিলাৰ জনসাধাৰণৰ আৰ্থিক ক্ষেত্ৰত টনকিয়াল কৰাৰ স্বাৰ্থত ১৯৮০তেই প্ৰতিষ্ঠা কৰা হৈছিল। পিছে এই বেংকটো চামিল কৰা হৈছিল অসম গ্ৰামীণ বিকাশ বেংকৰ স'তে। তেতিয়াও জিলাখনৰ বিভিন্ন সামাজিক সংগঠনে অব্যাহত ৰাখিছিল বেংক চামিলকৰণৰ তীব্ৰ প্ৰতিবাদ। ইয়াৰে কিছু বছৰৰ পাছত পুনৰ ইউনাইটেড বেংক অৱ ইণ্ডিয়া আৰু পৰৱৰ্তী সময়ত আকৌ পঞ্জাব নেচনেল বেংকৰ স'তে বেংকটোক



চামিলকৰণ কৰে চৰকাৰে। এশ এবুৰি সমস্যাক লৈ সম্প্ৰতি কাৰ্বি আংলং আৰু মৰিগাঁও জিলাৰ সীমান্তৱৰ্তীত থকা অগুৱীৰ বেলতলা শাখাৰ অসম গ্ৰামীণ বিকাশ বেংকটো বন্ধ কৰি সীমান্তৱৰ্তীৰ নাতিদূৰৈত থকা মৰিগাঁও জিলাৰ নেলীস্থিত অসম গ্ৰামীণ বিকাশ বেংকৰ স'তে চামিল কৰি বেলতলাৰ পৰা স্থানান্তৰ কৰি মৰিগাঁও অসম গ্ৰামীণ বিকাশ বেংকৰ শাখাৰ স'তে একত্ৰিকৰণ কৰাক লৈ তীব্ৰ প্ৰতিবাদ অব্যাহত ৰাখিছে বেলতলাবাসীয়ে। ইয়াৰ প্ৰতিবাদত কালি অঞ্চলবাসীয়ে হাতে হাতে প্লেকাৰ্ড লৈ বিভিন্ন শ্ল'গানেৰে বেংক স্থানান্তৰৰ বিৰোধিতাত শ শ পুৰুষ-মহিলাই প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে স্থানান্তৰিত হৈ যোৱা বেংক বেলতলাস্থিত অসম গ্ৰামীণ বিকাশ বেংক পুনৰুজ্জীৱিত কৰাৰ বাবে বেলতলাস্থিত অসম গ্ৰামীণ বিকাশ বেংকৰ প্ৰৱেশদ্বাৰৰ সন্মুখত অঞ্চলবাসী ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। লগতে পুনৰ পূৰ্বৰ দৰে বৃহত্তৰ ৰাইজৰ স্বাৰ্থত বেলতলাস্থিত অসম গ্ৰামীণ বিকাশ বেংক বাহাল ৰখাৰ দাবী তুলিছে বেলতলাবাসী ৰাইজে।

# গোৱালপাৰাৰ জলজলী নদীত অচিনাক্ত যুৱকৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ মৰনৈ থানাৰ অন্তৰ্গত ডুবাপাৰা লুপ্তচৰত জলজলী নৈত আজি এগৰাকী অচিনাক্ত যুৱকৰ মৃতদেহ উদ্ধাৰ হোৱাক কেন্দ্ৰ কৰি অঞ্চটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। তথ্য মতে, আজি দিনৰ ১.৩০ মান বজাত জলজলী নৈত মৃতদেহটো ওপঙি থকা অৱস্থাত প্ৰত্যক্ষ কৰি স্থানীয় ৰাইজে মৰনৈ আৰক্ষীক খবৰ দিয়ে। পাছত মৰনৈ আৰক্ষীয়ে উক্ত ঠাইত উপস্থিত হৈ নদীৰ পৰা মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। প্ৰায় ২৫ বছৰ বয়সৰ যুৱকজনৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ অন্তত চিনাক্তকৰণৰ বাবে গোৱালপাৰা অসামৰিক চিকিৎসালয়ৰ মৰ্গত ৰখাৰ ব্যৱস্থা কৰা হ'ব বুলি জানিব পৰা গৈছে।

# জনক ব্ৰহ্ম-জীৱংসাৰ মুছাহাৰীৰ হত্যাকাণ্ড সন্দৰ্ভত কোকৰাঝাৰত তদন্ত আয়োগ

## ■কোকৰাঝাৰত আয়োগৰ সন্মুখত দল-সংগঠনৰ সাক্ষ্যদান ■ দল-সংগঠন, পৰিয়ালৰ দাবী সংঘৰ্ষ ভুৱা আছিল

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ২ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ ভাৰত-ভুটান সীমান্তৱৰ্তী লুংছুঙত যোৱা বৰ্ষৰ ১৭ ছেপ্টেম্বৰত আৰক্ষীৰে স'তে হোৱা সংঘৰ্ষত টিপকাইৰ জনক ব্ৰহ্ম আৰু পাটগাঁৱৰ জীৱংসাৰ মুছাহাৰী নামৰ দুজন যুৱক নিহত হৈছিল। সংঘৰ্ষত নিহত হোৱা জনক ব্ৰহ্ম আৰু জীৱংসাৰ মুছাহাৰীক আৰক্ষীয়ে ইউএলবিৰ কেডাৰ বুলি দাবী কৰি তেওঁলোকৰ জিম্মাৰ পৰা অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰা বুলি সদৰী কৰিছিল। ইপিনে, উক্ত ঘটনাক সম্পূৰ্ণ ভুৱা বুলি দাবী কৰি বিভিন্ন দল-সংগঠনে ভুৱা সংঘৰ্ষৰ অভিযোগ তুলি প্ৰতিবাদ সাব্যস্ত কৰিছিল। এবছু, জনজাতি সুৰক্ষা মঞ্চ আদিকে ধৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিবাদত কোকৰাঝাৰৰ পৰিৱেশ উত্তাল হৈ পৰিছিল আৰু অৱশেষত চৰকাৰে জয়ন্ত নাৰ্লেকাৰৰ নেতৃত্বত এজনীয়া তদন্ত আয়োগ গঠন কৰি দিয়ে। আয়োগে আজি কোকৰাঝাৰ জিলা উপায়ুক্তৰ প্ৰেক্ষাগৃহত দ্বিতীয় পৰ্যায়ৰ শুনানি অনুষ্ঠিত কৰে। আজিৰ শুনানিত নিহতৰ পৰিয়ালৰ লোক, বড়ো উইমেন জাষ্টিচ ফৰাম, এবছু, জনজাতি সুৰক্ষা মঞ্চ, বড়োলেণ্ড ল ষ্টুডেণ্টৰ বিষয়ববীয়াই নিজৰ নিজৰ সাক্ষ্যদান কৰে। ইপিনে, সাক্ষ্যদানৰ অন্তত বড়ো উইমেন জাষ্টিচ ফৰামৰ নেত্ৰী অঞ্জলী দৈমাৰীয়ে উক্ত সংঘৰ্ষ সম্পূৰ্ণৰূপে ভুৱা আছিল বুলি দাবী কৰি প্ৰশাসনে কাহিনীটো বনাব বিচাৰিছিল কিন্তু নিমিলিল বুলি মন্তব্য কৰে। জনক ব্ৰহ্ম আৰু জীৱংসাৰ মুছাহাৰী প্ৰায় ১০ ঘণ্টা ধৰি আৰক্ষীৰ জিম্মাত আছিল আৰু হেণ্ডকাফ লগোৱা ব্যক্তি কেনেদৰে পলাব পাৰে বুলি প্ৰশ্ন উত্থাপন কৰি অঞ্জলী দৈমাৰীয়ে কয় যে তেওঁলোক দুজনৰ দুৰ্ঘটনা হোৱাৰ পৰা মৃত্যুলৈকে সকলো ঘটনাই ভুৱা আছিল।

ইপিনে, জনজাতি সুৰক্ষা মঞ্চৰ নেতা দাওৰাও দেখ্ৰেব নাৰ্জাৰীয়ে উক্ত ঘটনা ভুৱা আছিল বুলি দাবী কৰি ন্যায় প্ৰদান কৰিবলৈ আহ্বান জনায়। জনক ব্ৰহ্ম আৰু জীৱংসাৰ মুছাহাৰীৰ য'ত দুৰ্ঘটনা সংঘটিত হৈছিল আৰু যি ঘৰত আশ্ৰয় লৈছিল সেই ঘৰৰ সদস্য আৰু প্ৰাথমিক চিকিৎসা কৰা নাৰ্ছগৰাকীও আজি সাক্ষ্যদান কৰে বুলি সদৰী কৰি দাওৰাও দেখ্ৰেব নাৰ্জাৰীয়ে উক্ত ঘটনাটো ভুৱা আছিল আৰু ন্যায় পাব বুলি তেওঁলোকে আশা কৰে। আনহাতে, আজি কোকৰাঝাৰ জিলা আৰক্ষী অধীক্ষকে আয়োগৰ ওচৰত বক্তব্য ৰাখে।

# শোণিতপুৰত জাপানী এনকেফেলাইটিছত পাঁচজনৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২ আগষ্ট ঃ** শোণিতপুৰত জাপানী এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ অব্যাহত আছে। জিলাখনৰ ঢেকিয়াজুলি, বৰছলা, ৰঙাপৰা, বালিপৰা, চাৰিদুৱাৰকে ধৰি বিভিন্ন অঞ্চলত জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈছে শিশু, কিশোৰ, যুৱক-যুৱতীকে ধৰি বয়োজ্যেষ্ঠ লোক। ইতিমধ্যে তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ লগতে বিভিন্ন চিকিৎসালয়ত এই ৰোগত আক্ৰান্ত ভালে সংখ্যক ৰোগী চিকিৎসাধীন হৈ থকাৰ লগতে যোৱা পহিলা আগষ্টলৈকে শোণিতপুৰত পাঁচজন লোকৰ এই ৰোগত মৃত্যু ঘটিছে। বিভাগীয় এক সূত্ৰ অনুসৰি, এই সময়ছোৱাত শোণিতপুৰৰ বৰছলাৰ অভিজিত মালো দাস, নেপালীপট্টিৰ আখটাৰ কুৰেছি, বেছেৰীয়াৰ ধৰ্মেশ্বৰ নাথ, বালিপৰাৰ মহিলা ঘোষ আৰু চাৰিদুৱাৰৰ পুনি দেৱীৰ মৃত্যু ঘটিছে জাপানী এনকেফেলাইটিছত। জিলাখনত জাপানী এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱৰ আৰম্ভণিতে স্বাস্থ্য বিভাগে ৰাইজৰ মাজত এইক্ষেত্ৰত সজাগতা সৃষ্টিৰ প্ৰয়াস অব্যাহত ৰাখিছে। সম্প্ৰতি শোণিতপুৰত জাপানী এনকেফেলাইটিছ কেনে পৰ্যায়ত আছে সেই বিষয়ে সবিশেষ জানিবৰ বাবে জিলাখনৰ যুটীয়া স্বাস্থ্য সঞ্চালকজনৰে যোগাযোগৰ চেষ্টা চলোৱা হৈছিল যদিও সেয়া সম্ভৱ হৈ নহ'ল। বৰ্তমান শোণিতপুৰত কৰ'নাৰো নতুনকৈ প্ৰাদুৰ্ভাৱ ঘটাৰ বিপৰীতে জাপানী এনকেফেলাইটিছেও গুৰুতৰ ৰূপ ধাৰণ কৰাত ৰাইজৰ বাবে যিকোনো জ্বৰেই এক উদ্বেগৰ কাৰণ হৈ উঠিছে।

# তেজপুৰত শিক্ষা কল্যাণ ন্যাসৰ অভিনন্দন-সম্বৰ্ধনা অনুষ্ঠান

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২ আগষ্ট ঃ** তেজপুৰৰ পশ্চিম অঞ্চলৰ স্বেচ্ছাসেৱী অনুষ্ঠান শিক্ষা কল্যাণ ন্যাসে আজি ২০২২ৰ অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠান দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে পশ্চিম বিহগুৰি অঞ্চলৰ গোপীনাথ বৰদলৈ মজলীয়া বিদ্যালয়ত অনুষ্ঠিত কৰে। অঞ্চলটোৰ বৃহৎ সংখ্যক ৰাইজ, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ সমাবেশেৰে ন্যাসৰ সভাপতি দীননাথ নিৰলাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অঞ্চলটোৰ ১৪গৰাকী উচ্চ মাধ্যমিক উত্তীৰ্ণ আৰু ২৬জন উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ মেধাৱী ছাত্ৰ-ছাত্ৰীৰ লগতে তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা পদ্মিনী প্ৰিয়ংকাক ন্যাসৰ তৰফৰ পৰা অভিনন্দন জনোৱা হয়। সভাত শিক্ষা



কল্যাণ ন্যাসৰ জৰিয়তে সমাজকৰ্মী অৰুণা দেৱীয়ে আগবঢ়োৱা নন্দিৰাম নাথ আৰু ইন্দ্ৰপ্ৰসাদ নাথ সোঁৱৰণী নগদ ধন আৰু বঁটা চাৰিগৰাকী আৰ্থিকভাৱে পিছপৰা মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰাৰ লগতে উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত অঞ্চলটোৰ ভিতৰত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক ন্যাসৰ প্ৰতিষ্ঠাপক সভাপতি কিনাৰাম নাথে আগবঢ়োৱা তিলো দেৱী সোঁৱৰণী নগদ ধন আৰু ৰবিৰাম নাথ স্মৃতি বঁটা প্ৰদান কৰা হয়। ন্যাসৰ সহকাৰী সম্পাদক জ্যোতি নাথে আঁত ধৰা সভাত অৱসৰপ্ৰাপ্ত অধ্যাপক জয়নাৰায়ণ লুইটেল, কিনাৰাম নাথ, অৰুণা দেৱী, শশীভূষণ নাথ, মঞ্জু দেৱী, গোপীনাথ বৰদলৈ মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক গংগাধৰ নাথ, মণ্টু নাথ, স্থানীয় পঞ্চায়ত সভাপতি খেমলাল ছেত্ৰী, মানসজ্যোতি নাথ আদিয়ে ন্যাসৰ প্ৰচেষ্টাৰ শলাগ লয়। প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰী-অভিভাৱকৰ উপস্থিতিত আৰু গোপীনাথ বৰদলৈ মজলীয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সমবেত সংগীত পৰিৱেশন তথা ন্যাসৰ প্ৰাক্তন সভাপতি সদ্য প্ৰয়াত দুৰ্গেশ্বৰ নাথৰ স্মৃতিত সভাই গভীৰ শোক প্ৰকাশ কৰাৰ অন্তত শিক্ষক বসন্ত নাথৰ পৰিচালনাত নিকিতা দেৱীয়ে সংগীত পৰিৱেশন কৰে। সভাত অঞ্চলটোৰ আঠগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী আৰু পাঁচগৰাকী বয়োজ্যেষ্ঠ লোককো সম্বৰ্ধনা জনোৱা হয়।

# কৃষি সামগ্ৰী বিপণন পৰিষদৰ ঢেকিয়াজুলি কাৰ্যালয়ৰ সচিবৰ কোঠাত তলা ওলমিছে

**অগ্ৰদূত বাৰ্তা**
**ঠেলামৰা, ২ আগষ্ট ঃ** যি সময়ত চৰকাৰে চৰকাৰী কাৰ্যালয়সমূহত কৰ্ম সংস্কৃতি সলনি কৰাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে, যাৰ ফলশ্ৰুতিত চৰকাৰী কাৰ্যালয়সমূহত শেহতীয়াকৈ কিছু সলনি হৈছে। কিন্তু এতিয়াও এনে বহু চৰকাৰী কাৰ্যালয় আছে য'ত এতিয়াও কৰ্ম সংস্কৃতি সলনি হোৱা নাই। ৰাজ্য চৰকাৰৰ এটা বিয়াগোম বিভাগৰ ঢেকিয়াজুলিস্থ চৰকাৰী কাৰ্যালয়ৰ প্ৰকৃত নমুনা উন্মোচিত হৈছে। অসম কৃষি সামগ্ৰী বিপণন পৰিষদৰ অন্তৰ্গত ঢেকিয়াজুলিস্থ শোণিতপুৰ জিলা বজাৰ নিয়ন্ত্ৰিত সমিতিৰ কাৰ্যালয়টোৰ সচিবৰ কেঠাত প্ৰায়ে ওলনি থাকে তলা। বিষয়াগৰাকীয়ে প্ৰয়ে অনুপস্থিত থাকে কাৰ্যালয়টোত। শোণিতপুৰ জিলা বজাৰ নিয়ন্ত্ৰিত সমিতিৰ সচিব ছফিকুল হুছেইনৰ কোঠাত যোৱা এসপ্তাহ ধৰি তলা ওলমি আছে। স্বয়ং কাৰ্যালয়টোৰ কৰ্মচাৰীয়ে সাংবাদিক সন্মুখত স্বীকাৰ কৰিলে সচিব ছফিকুল ইছলাম যোৱা এসপ্তাহ ধৰি কাৰ্যালয়ত অহা নাই। ফলত বিষয়াজনৰ কোঠাত তলা ওলমি আছে। অভিযোগ অনুসৰি এইজন বিষয়াই এসপ্তাহেই নহয় প্ৰায়ে কাৰ্যালয়টোত উপস্থিত নাথাকে। কৰ্মচাৰীয়ে প্ৰকাশ কৰা অনুসৰি গুৱাহাটী কাৰ্যালয়ৰ পৰা ইয়াৰ কাম-কাজ চলাই আছে। কিবা বিশেষ থাকিলেহে ইয়ালৈ আহে। কাৰ্যালয়টোত যাৱতীয় কাম-কাজ এতিয়া কিছু হ্ৰাস পোৱাৰ বাবেই হেনো তেওঁ ইয়াত কম আহে আৰু গুৱাহাটীৰ পৰা ফোনত এই কাৰ্যালয়টো চলাই থাকে বুলি প্ৰকাশ কৰে কৰ্মচাৰীসকলে। উল্লেখ্য যে কাৰ্যালয়টোৰ সচিবজন প্ৰায়ে অনুপস্থিত থকাত ইয়াৰ যাৱতীয় কাম-কাজত প্ৰভাৱ যে পৰে সেয়া নিশ্চিত। অসম চৰকাৰৰ কৃষি সামগ্ৰী বিপণন পৰিষদৰ অন্তৰ্গত ঢেকিয়াজুলিস্থ শোণিতপুৰ জিলা বজাৰ নিয়ন্ত্ৰিত সমিতিৰ কাৰ্যালয়টো এনেকৈ পুতৌজনকভাৱে চলি থকা বিষয়টোৱে স্থানীয় ৰাইজৰ মাজতো প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এইক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই কিবা ব্যৱস্থা গ্ৰহণ কৰিব নে সেয়া হ'ব লক্ষ্যণীয়।

# নগাঁৱৰ চিকিৎসালয়ৰ মৰ্গত অচিনাক্ত লোকৰ মৃতদেহ

**বিশেষ সংবাদদাতা**
**নগাঁও, ২ আগষ্ট ঃ** নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ মৰ্গত কালিৰে পৰা এজন লোকৰ মৃতদেহ পৰি আছে। আৰক্ষী সূত্ৰই জনোৱা মতে, ২৭জুলাইত ডবকাৰ পদপথৰ পৰা ৪৫-৫০ বছৰীয়া অসুস্থ লোকজনক চিকিৎসালয়খনত ভৰ্তি কৰোৱা হৈছিল। কালি চিকিৎসাধীন অৱস্থাতেই লোকজনৰ মৃত্যু হয়। বাতৰি লিখা সময়লৈকে লোকজনৰ পৰিচয় উদ্ধাৰ হোৱা নাই।

# জাতীয় সংগঠনৰ মতৰ অমিল হোৱা কাম চৰকাৰে নকৰে ঃ মন্ত্ৰী ব্ৰহ্ম

**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ২ আগষ্ট ঃ** শেহতীয়াভাৱে জাতীয় সংগঠনসমূহে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে চৰকাৰী বিদ্যালয়ত তৃতীয়ৰ পৰা দশম শ্ৰেণীৰ গণিত আৰু বিজ্ঞান বিষয় ইংৰাজীত পাঠদানৰ সিদ্ধান্ত গ্ৰহণ কৰা কাৰ্যৰ বিৰোধিতা কৰাৰ পাছত আজি গুৰুত্বপূৰ্ণ মন্তব্য কৰে ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই। বাগ্‌সা জিলাৰ মুছলপুৰত আজি কৃতজ্ঞতা আঁচনিৰ অধীনত পেঞ্চন ভৱন উদ্বোধন কৰি মন্ত্ৰীজনে কয় ৰাজ্য চৰকাৰ আৰু শিক্ষা বিভাগে গ্ৰহণ কৰা সিদ্ধান্তক লৈ যদি অসমৰ জাতীয় জীৱনক প্ৰতিনিধিত্ব কৰা সংগঠনসমূহে বিৰোধিতা কৰে তেনে কাম চৰকাৰে কেতিয়াও নকৰে। সকলোৰে গ্ৰহণ কৰিব পৰাকৈ আলোচনাৰ মাধ্যমেৰে সিদ্ধান্ত ল'ব। আনহাতে, চৰকাৰৰ এই কৃতজ্ঞতা আঁচনিখনে চৰকাৰী অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীসকলক সকাহ দিব বুলি উল্লেখ কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বে মন্ত্ৰীজনে পেঞ্চন ভৱন উদ্বোধন কৰি শিক্ষা বিভাগে আয়োজন কৰা এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। অনুষ্ঠানত জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ শিক্ষকৰ লগতে বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়ো, কাৰ্যবাহী সদস্য ঘনশ্যাম দাস, ৰাকেশ ব্ৰহ্মৰ লগতে জিলা উপায়ুক্ত মাচান্দা মাগদালিন পাৰ্টিন উপস্থিত থাকে।

# বঙাইগাঁৱৰ নাচনগুৰীত ড্ৰাগছসহ গ্ৰেপ্তাৰ সৰবৰাহকাৰী

**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ২ আগষ্ট ঃ** ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে গেৰুকাবাৰী আৰক্ষীয়ে। কালি আবেলি গেৰুকাবাৰী টহলদাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিনয় মালাকাৰৰ নেতৃত্বত এটা আৰক্ষীৰ দলে বঙাইগাঁও জিলাৰ মাণিকপুৰ থানাৰ অন্তৰ্গত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ এক নম্বৰ নাচনগুৰীত অভিযান চলাই বৃহৎ পৰিমাণৰ ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰে আনোৱাৰ হুছেইন (১৮) নামৰ এজন সৰবৰাহকাৰীক। আৰক্ষীৰ বিশেষ খবৰৰ ভিত্তিত চলোৱা অভিযানটোত ধৃত আনোৱাৰ হুছেইনৰ পৰা ৩০ টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ আৰু এটা ম'বাইল জব্দ কৰিবলৈ সক্ষম হয়। জব্দকৃত ড্ৰাগছসমূহৰ ওজন ৪১.১৮ গ্ৰাম বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ। ধৃত আনোৱাৰৰ ঘৰ বঙাইগাঁও জিলাৰ পশ্চিম গেৰুকাবাৰীত।

# ১৫ নম্বৰ বেজেৰা প্ৰাথমিক বিদ্যালয়ত চুৰিকাণ্ড

**অগ্ৰদূত বাৰ্তা**
**দুমুনিচকী, ২ আগষ্ট ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলি আৰক্ষী থানাৰ অন্তৰ্গত ১৫ নম্বৰ বেজেৰা প্ৰাথমিক বিদ্যালয়ত যোৱা নিশা এক চুৰিকাণ্ড সংঘটিত হয়। প্ৰাপ্ত তথ্য অনুসৰি বিদ্যালয়ৰ গৃহৰ তিনিটা তলা ভাঙি প্ৰৱেশ কৰি মেচিনসহ সৌৰ চাকি লৈ যায়। আনহাতে, অন্য সামগ্ৰীৰ টোপোলা কৰি টেবুলত এৰি যায় চোৰে। প্ৰধান শিক্ষকে পুৱাই আহি চুৰিৰ ঘটনা প্ৰত্যক্ষ কৰে। ইতিমধ্যে বিদ্যালয়ৰ প্ৰধান শিক্ষক দিলীপ চন্দ্ৰ বৰুৱা আৰু পৰিচালনা সমিতিৰ সভাপতি দ্বিজেন দাসে বাইহাটা চাৰিআলি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। আৰক্ষীক অনতিপলমে দোষীক কৰায়ত্ত কৰিবলৈ আহ্বান জনাইছে স্থানীয় ৰাইজে।

# আল্লিয়াৰ বনগাঁও প্ৰাণজ্যোতি যুৱক সংঘৰ অধিবেশন-অভিনন্দন অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২ আগষ্ট ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত আল্লিয়াৰ বনগাঁৱত কালি বনগাঁও প্ৰাণজ্যোতি যুৱক সংঘৰ অধিৱেশন অনুষ্ঠিত হয়। অধিবেশনত সংঘৰ অঞ্চলাধীন অঞ্চলটোৰ এই বৰ্ষত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ১১ গৰাকী ছাত্ৰ-ছাত্ৰীক সংঘৰ তৰফৰ পৰা অভিনন্দন জনায়। বনগাঁও প্ৰাণজ্যোতি যুৱক সংঘৰ সম্পাদক অৰ্জুন দাসে আঁতধৰা সভাত সভাপতিত্ব কৰে সমাজকৰ্মী ফুকন দাসে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি কল্প ৰাজবংশীয়ে নিজৰ ভাষণত সংঘৰ লক্ষ্য-উদ্দেশ্য কেনেকুৱা হোৱা উচিত তাৰ ওপৰত মন্তব্য কৰে। সভাত সংঘৰ উপদেষ্টা চন্দন দাস, দীনেশ দাস, মুনিন্দ্ৰ দাসৰ লগতে বিষয়ববীয়াকে ধৰি সদস্যসকলৰ উপৰি ভালেসংখ্যক ৰাইজ উপস্থিত থাকে। ইয়াৰ পাছতে আবেলি সংঘৰ প্ৰতিনিধি আৰু বিষয়বাছনি সভা অনুষ্ঠিত হয়। সংঘৰ সম্পাদক অৰ্জুন দাসে দুবছৰীয়া কাৰ্যকালৰ প্ৰতিবেদন পাঠ কৰে। সংঘৰ পুৰণি সমিতিখনে পদত্যাগ কৰাৰ পাছত ৰূপম দাসক সভাপতি আৰু ৰঞ্জন দাসক সম্পাদক হিচাপে লৈ এখন ২১ জনীয়া সমিতি গঠন কৰা হয়।

# শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য প্ৰণৱ চন্দ্ৰ ডেকাৰ অকাল বিয়োগ

**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ২ আগষ্ট ঃ** বিদ্যা ভাৰতী অসমৰ শিশু শিক্ষা সমিতিৰ অন্তৰ্গত মৰিগাঁও জিলাৰ মিকিৰভেটা শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য প্ৰণৱ চন্দ্ৰ ডেকা (৫৫)ৰ কালি সন্ধিয়া গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত অকাল মৃত্যুক সাবটি লোৱা খবৰ বিয়পি পৰাৰ লগে লগে সমগ্ৰ মিকিৰভেটা অঞ্চলত গভীৰ শোকৰ ছাঁ পৰে। উল্লেখ্য যে মৰিগাঁও জিলাৰ চোৰাতবড়িত



জন্মগ্ৰহণ কৰা ডেকাই মিকিৰভেটা নিকেতনখনৰ প্ৰতিষ্ঠা কালৰে পৰা প্ৰধান আচাৰ্যৰ দৰে গুৰু দায়িত্ব পালন কৰি অহাৰ উপৰি মিকিৰভেটা অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত থকা ডেকাই বিগত বহু বছৰ ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ কিছুদিনৰ পৰা জিএমচি হাস্পতালত চিকিৎসা গ্ৰহণ কৰি আছিল। আজি জন্মস্থান মিকিৰভেটাৰ চোৰাতবড়িৰ লগতে নিকেতনখনৰ আচাৰ্য-আচাৰ্যাসকলকে ধৰি ছাত্ৰ-ছাত্ৰী আৰু মিকিৰভেটা অঞ্চলত গভীৰ শোকৰ ছাঁ পৰে। আনহাতে, প্ৰধান আচাৰ্যজনৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে তেওঁৰ বাসগৃহৰ লগতে মিকিৰভেটা শংকৰদেৱ শিশু নিকেতনত চৰাইবাহী, ভূৰবন্ধা, মাণিপুৰ, জাগী ভকতগাঁও আদি নিকেতনৰ প্ৰধান আচাৰ্যসকলৰ উপৰি মিকিৰভেটা অঞ্চলৰ বহু গুণমুগ্ধ উপস্থিত হৈ ডেকাক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইপিনে, ডেকাৰ মৃত্যুত মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি প্ৰতাপ হাজৰিকা আৰু সম্পাদক পিনাকী ভূষণ মহন্ত, মৰিগাঁও জিলা অসম জাতীয় পৰিষদৰ সভাপতি জয়ন্ত কুমাৰ ডেকা, সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিপুল কুমাৰ নাথ আৰু সম্পাদক ৰূপজ্যোতি মেধিকে ধৰি বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানৰ ব্যক্তি বিশেষে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে। ইফালে, ডেকাই মৃত্যুৰ সময়ত পত্নীৰ লগতে বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

# ছাত্ৰ-ছাত্ৰীয়ে দায়বদ্ধ হ'লেহে বিকাশ হ'ব

## ■ শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ২ আগষ্ট ঃ** 'ব্যস্ততাই মানুহক সক্ৰিয় কৰি ৰাখে, ব্যস্ততাই মানুহক আনন্দিত কৰি ইপ্সিত লক্ষ্যত উপনীত হোৱাত সহায়ক হয়। সেয়ে ছাত্ৰ-ছাত্ৰীৰ মন আনন্দিত উৎফুল্লিত হৈ থাকিব লাগে।' এই ভাষ্য শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ ষষ্ঠি সংখ্যক প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত মুখ্য অতিথি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড° প্ৰতাপ জ্যোতি সন্দিকৈৰ। তেওঁ কয় যে ভাল বস্তু পাবলৈ হ'লে কষ্ট



কৰিব লাগিব। সহজে পাম বুলি ভবাতো ভুল। ছাত্ৰ-ছাত্ৰীসকলে সৰ্বোত্তম হ'বলৈ যথেষ্ট কষ্ট কৰিব লাগিব। তাৰ বাবে এটা সুস্থ শৰীৰ সুস্থ মনৰ অধিকাৰী হ'ব লাগিব। ছাত্ৰ-ছাত্ৰীসকল নিজৰ লগতে সমাজৰ বাবে, দেশৰ বাবে দায়বদ্ধ হ'লেহে দেশৰ বিকাশ হ'ব। কিয়নো ছাত্ৰ-ছাত্ৰীসকল সমাজৰ অভিভাৱক, শত্ৰু নহয়। ২০২২ৰ শৈক্ষিক সমীক্ষা মতে গুৱাহাটী বিশ্ববিদ্যালয় দেশৰ ১৫০০ বিশ্ববিদ্যালয়ৰ ভিতৰত ৩৬ নম্বৰত আৰু উত্তৰ-পূবৰ আঠখন ৰাজ্যৰ ভিতৰত প্ৰথম স্থান দখল কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ এই কৃতিত্ব বিশ্ববিদ্যালয়ৰ সকলোৰে প্ৰচেষ্টাৰ ফলশ্ৰুতি। ছাত্ৰ-ছাত্ৰীৰ মানসিক, শাৰীৰিক উৎকৰ্ষ সাধনৰ বাবে যথোপযুক্ত ব্যৱস্থা লোৱা হৈছে। বিশ্ববিদ্যালয়ৰ সহযোগিতা লাভ কৰা ৩৫০ খন বিশ্ববিদ্যালয়ৰ প্ৰতি বছৰে পাঁচ লাখ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰে। দেশৰ অন্য ৰাজ্যৰ তুলনাত অসমৰ বিশ্ববিদ্যালয়ৰ পৰিৱেশ যথেষ্ট উন্নত বুলি ড° সন্দিকৈয়ে কয়। শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ পৰিৱেশ উন্নত বুলিও তেওঁ প্ৰশংসা কৰে। মহাবিদ্যালয়সমূহে প্ৰতিযোগিতামূলক কাম কৰিলে উন্নতি হ'ব বুলি কয়। সভাত ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত আবৃত্তি প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰতিযোগী ক্ৰমে দৰ্শনা কলিতা, চাহিনা চুলতানা আৰু ৰাখী ৰাজবংশীক উপাচাৰ্যই বঁটা প্ৰদান কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপেশ চন্দ্ৰ ভাগৱতীৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাৰ আৰম্ভণিতে কাশ্মীৰী ওজাই এটি বৰগীত পৰিবেশন কৰে। আদৰণি ভাষণত অধ্যক্ষই ৰাইজৰ প্ৰচেষ্টাত প্ৰতিষ্ঠিত মহাবিদ্যালয়খন অধিক নন্দন বদন কৰিবলৈ ৰাইজৰ সহযোগ কামনা কৰে। লগতে মহাবিদ্যালয়ৰ ভূমি দাতা সত্ৰ পৰিয়ালৰ শলাগ লয়। ইয়াৰ পূৰ্বে পুৱা পতাকা উত্তোলনস ছহিদ তৰ্পণ আদি কাৰ্যসূচী নিয়াৰিকৈ পালন কৰা হয়।

# গোৱালপাৰাত চোৰাং কাঠৰ ডিআই ভান জব্দ আৰক্ষীৰ

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২ আগষ্ট ঃ** গোৱালপাৰাৰ সদৰ আৰক্ষীয়ে যোৱা নিশা ভালুকডুবিত নিয়মীয়া তালাচী চলাই থকাৰ সময়ত এএছ-০১ এফচি-১৩৯২ নম্বৰৰ চোৰাং কাঠভৰ্তি ডিআই ভান জব্দ কৰি থানালৈ লৈ আনে। পাছত পাঁচ টুকুৰা চেগুন কাঠৰ কুণ্ডাসহ গাড়ীখন বন বিভাগক গতাই দিয়ে। জব্দকৃত চেগুন কাঠখিনিৰ বজাৰ মূল্য প্ৰায় ৩০ হেজাৰ টকা হ'ব বুলি জানিব পৰা গৈছে।

# শুৱালকুছিত মহিলা মৰ্চাৰ স্বচ্ছতা অভিযান



**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ২ আগষ্ট ঃ** ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত আৰু বল ব'মৰ মাংগলিক পৰিৱেশৰ সময়ত বিজেপিৰ মহিলা মৰ্চা শুৱালকুছি মণ্ডলৰ উদ্যোগত স্বচ্ছতা অভিযান কৰা হয়। শুৱালকুছিৰ ঐতিহাসিক ধৰ্মপীঠ ঈশ্বৰ শ্ৰীশ্ৰী সিদ্ধেশ্বৰ দেৱালয়ত এই স্বচ্ছতা কাৰ্য পৰিচালনা কৰে। দেৱালয়ত প্ৰতিদিনে ভক্তসকলে প্ৰজ্বলন কৰা ধূপ-চাকিৰ অৱশিষ্ট দেৱালয় প্ৰাংগণৰ জাবৰ-জোঁথৰ নিষ্কাষণ কৰি দেৱালয়খন পৰিষ্কাৰ কৰি তোলে। মহিলা মৰ্চাৰ সভাপতি মীনাক্ষী দেৱী আৰু সম্পাদিকা পাৰুল চৌধুৰীৰ নেতৃত্বত কৰা স্বচ্ছ অভিযানত দেৱালয় পৰিচালনা সমিতিয়ে মহিলা মৰ্চাক অভিনন্দন জনায়।

# জনজাতিকৰণৰ দাবীত পুনৰ উত্তাল হ'ব ৰাজ্য

## ■ মটক যুৱ-ছাত্ৰ সন্মিলনৰ আন্দোলনৰ কাৰ্যসূচী ঘোষণা ■ নতুন দিল্লীত অৰ্ধউলংগ প্ৰতিবাদ

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২ আগষ্ট ঃ** জনজাতিকৰণৰ দাবীত পুনৰ উত্তাল হ'ব ৰাজ্য। অন্যতম ভূমিপুত্ৰ মটক জনগোষ্ঠীয় সংগঠন মটক যুৱ-ছাত্ৰ সন্মিলনে পুনৰ পৃথক কাৰ্যসূচী ঘোষণাই এনে ইংগিতকে বহন কৰিছে। নতুন দিল্লীত অৰ্ধউলংগ প্ৰতিবাদৰ লগতে ৰাজ্যত এলানি ধাৰাবাহিক আন্দোলনৰ ঘোষণা কৰে। বিজেপি চৰকাৰক মিছলীয়া আখ্যা দি মটক জনগোষ্ঠীক জনজাতি প্ৰদানৰ ক্ষেত্ৰত বাৰে বাৰে প্ৰতাৰণা কৰাৰ ফল ভুগিবলৈ সাজু থাকিব বাবে কালি ডিব্ৰুগড়ত আয়োজিত এক সংবাদমেলৰ জৰিয়তে সকীয়নি প্ৰদান কৰে। স্বাধীনতা দিৱসৰ পূৰ্বে অহা ১১ আগষ্টত নতুন দিল্লীৰ ৰামলীলা মৈদানত অৰ্ধউলংগ হৈ জনজাতি প্ৰদানৰ দাবীত হ'ব তীব্ৰ আন্দোলন। ইয়াৰ পূৰ্বে তিনি আগষ্টত ৰাজ্যৰ ডিব্ৰুগড়, তিনিচুকীয়া, লক্ষীমপুৰ, ধেমাজি, শিৱসাগৰ, যোৰহাট, গোলাঘাট আদি জিলাত ৰেল পথ অৱৰোধেৰে উত্তাল প্ৰতিবাদ, পৰৱৰ্তী সময়ত অৰ্থনৈতিক অৱৰোধ, বিমান অৱৰোধ আদি ধাৰাবাহিক আন্দোলন হ'ব বুলি মটক যুৱ-ছাত্ৰ সন্মিলনে সংবাদমেলত সদৰী কৰে। আনহাতে, চৰকাৰে মটক স্বায়ত্তশাসিত পৰিষদ গঠন কৰি আভুৱা ভাঁৰি বঞ্চিতহে কৰাৰ অভিযোগ কৰে। চৰকাৰে ১২৫ কোটি দিয়াৰ আশ্বাস দি মাত্ৰ বৰ্তমানলৈকে মাত্ৰ তিনিকোটি টকা দিয়া বুলি উল্লেখ কৰে। সেয়ে আৰু প্ৰলোভিত নকৰি অতি সোনকালে এহেজাৰ কোটি টকা পৰিষদক বাবে দিবলৈ দাবী উত্থাপন কৰিছে মটক যুৱ ছাত্ৰ সন্মিলনে। আনহাতে, চৰকাৰে আলফা স্বাধীনৰ স'তে অতি সোনকালে ৰাজনৈতিক আলোচনা কৰি এই সমস্যাৰ সমাধানৰ দাবী উত্থাপন কৰে মটক যুৱ ছাত্ৰ সন্মিলনে। বহু পাহাৰাৰ যুৱকে অকাল মৃত্যুক আঁকোৱালি লোৱাৰ লগতে বৰ্তমান উজনি পৰা আলফালৈ বহু যুৱক ধাৱমান হোৱা বিষয়ত উদ্বেগ প্ৰকাশ কৰি শীঘ্ৰে এই সমস্যাৰ সমাধান সূত্ৰ উলিয়াবলৈ দাবী জনায়। ডিব্ৰুগড়ৰ সংবাদমেলত মটক যুৱ ছাত্ৰ সন্মিলনৰ কেন্দ্ৰীয় সভাপতি ৰঞ্জিত গোহাঁই, সাধাৰণ সম্পাদক স্বৰূপ গোহাঁই, উপ-সভাপতি অজয় গগৈ, প্ৰচাৰ সম্পাদক গোলাপ লাহনকে ধৰি কেন্দ্ৰীয় নেতৃবৰ্গ উপস্থিত থাকে।



বৰপেটাত বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰৰ গ্ৰন্থ 'সুৰৰ সূতাৰে গঁথা মালাধাৰ' উন্মোচন।

# মান্দাকাটা গাঁও উন্নয়ন সমিতিৰ কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**দমুনিচকী, ২ আগষ্ট ঃ** কামৰূপ জিলাৰ অন্যতম সামাজিক সংস্থা দক্ষিণ মান্দাকাটা উন্নয়ন পৰিষদৰ উদ্যোগত এখন সম্বৰ্ধনা সভা কালি অনুষ্ঠিত হয়। ৫৭ নম্বৰ মান্দাকাটা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত উন্নয়ন সমিতিৰ স্থায়ী সভাপতি জহুৰুদ্দিন আলীৰ সভাপতিত্বত বিয়লি প্ৰায় তিনি বজাত অনুষ্ঠিত সভাত বৃহত্তৰ মান্দাকাটা অঞ্চলৰ কে'বাগৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। দক্ষিণ মান্দাকাটা উন্নয়ন সমিতিৰ সম্পাদক



আয়েছুল হক আৰু সহ-সম্পাদক বাহাৰুল ইছলামে আঁত ধৰা সভাত কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত মুখ্য অতিথিৰূপে উপস্থিত থকা বিশিষ্ট অধিবক্তা নেকিবুৰ জামান, বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মনজুৰ আলী, মান্দাকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষয়িত্ৰী ৰুমী বেগম, মান্দাকাটা গাঁও পঞ্চায়তৰ সভাপতি জাহিদুল ইছলামে। প্ৰায় পাঁচ শতাধিক লোক উপস্থিত থকা সভাখনত মান্দাকাটা গাঁও পঞ্চায়তৰ সদস্য বীৰেন বৈশ্য, শিক্ষক অচ্যুত দাস, ইছলামুদ্দিন আহমেদ, সমাজকৰ্মী মইনুল হক, আমিনুল হক, আৰিফ আহমেদ, ইস্তাবুল হককে ধৰি কে'বাগৰাকী ব্যক্তিয়ে বক্তব্য প্ৰদান কৰি শিক্ষাৰ্থী আৰু অভিভাৱক উৎসাহিত কৰে। উন্নয়ন সমিতিৰ সম্পাদক হকে আগবঢ়োৱা শলাগৰ শৰাইৰে সম্বৰ্ধনা অনুষ্ঠানৰ সামৰণি পৰে।

# নিত্যানন্দত হোমেশ্বৰ শৰ্মাৰ সোঁৱৰণীত স্থানপ্ৰাপ্ত শিক্ষাৰ্থীক মেধা বঁটা প্ৰদান



**পাটাছাৰকুছি, ২ আগষ্ট ঃ** বজালী জিলাৰ নিত্যানন্দৰ বিদ্যা ভৱনত হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক প্ৰয়াত হোমেশ্বৰ শৰ্মাৰ নামত প্ৰতি বছৰে প্ৰদান কৰি অহা মেধা বঁটা এইবাৰো নিত্যানন্দ শ্ৰীশ্ৰী দামোদৰদেৱ সেৱা সত্ৰ প্ৰাংগণত অনুষ্ঠিত কাৰ্যসূচীত প্ৰদান কৰা হয়। জনাৰ্দন মেধিৰ সভাপতিত্বত আৰু হোমেশ্বৰ তালুকদাৰে উদ্দেশ্য ব্যাখ্যা কৰা সভাত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বজালী জিলাৰ ভিতৰত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত শিক্ষাৰ্থী তথা আনন্দৰাম বৰুৱা একাডেমীৰ পৰা পঞ্চম স্থানপ্ৰাপ্ত শিক্ষাৰ্থী স্বপ্নৰাজ কলিতা আৰু নিত্যানন্দ বিদ্যাভৱন হাইস্কুলৰ পৰা সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত শিক্ষাৰ্থী উম্মানা চৌধুৰীলৈ হোমেশ্বৰ শৰ্মা সোঁৱৰণী মেধা বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে বিদ্যাভৱন হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক প্ৰয়াত হোমেশ্বৰ শৰ্মাৰ ছাত্ৰ-ছাত্ৰীসকলে ১৯৯৩ৰ পৰাই প্ৰতি বছৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত বজালীৰ ভিতৰত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত শিক্ষাৰ্থীগৰাকীক প্ৰথম মেধা বঁটা আৰু বিদ্যালয়খনৰ পৰা সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত গৰাকীক দ্বিতীয় মেধা বঁটা প্ৰদান কৰি আহিছে। বঁটা প্ৰদান অনুষ্ঠানত শিক্ষাবিদ দিলীপ কুমাৰ শৰ্মা, মুৰাৰীমোহন দত্ত, অনিল দাস, ফুকন পাঠক আৰু অমুনিশা পাটগিৰিয়ে শিক্ষবিদগৰাকীৰ জীৱন বৃত্তান্ত সম্বন্ধে স্মৃতি ৰোমন্থন কৰে।

# টংলা বৈদ্যুতিক সংমণ্ডল কাৰ্যালয়ত ষ্টেট আউটৰ্চ পাৱাৰ ৱৰ্কাচ ইউনিয়নৰ সাধাৰণ সভা




অগ্ৰদূত বাৰ্তা

**টংলা, ২ আগষ্ট ঃ** বছৰ বছৰ ধৰি প্ৰৱঞ্চনাৰ বলি হোৱা অসম ষ্টেট আউটৰ্চ পাৱাৰ ৱৰ্কাচ ইউনিয়নৰ অবৈতনিক মিটাৰ ৰিডাৰ কৰ্মচাৰীসকলে কালি প্ৰাপ্য অধিকাৰৰ দাবীত প্ৰতিবাদমুখৰ হয় লগতে ইউনিয়নৰ মঙলদৈ চক্ৰ সমিতিয়ে অনুষ্ঠিত কৰে এখন সাধাৰণ সভা। ইউনিয়নৰ অৰ্ধশতাধিক সদস্যই তেওঁলোকৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ দাবী তুলি লগতে তেওঁলোকৰ সমস্যা সমাধানৰ ক্ষেত্ৰত কেনেকৈ ভৱিষ্যত কাৰ্যপন্থা আগুৱাই লৈ যাব সেই সম্পৰ্কে উক্ত সভাত আলোচনাত মিলিত হয় টংলাস্থিত বৈদ্যুতিক উপ-সংমণ্ডল কাৰ্যালয়ত। বছৰ বছৰ ধৰি বিভাগীয় বিভিন্ন কামত ব্যৱহাৰ কৰি থকা সত্ত্বেও তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ নকৰাৰ ক্ষেত্ৰত বিশদ আলোচনা অনুষ্ঠিত হয়। এইসকল অস্থায়ী কৰ্মচাৰীক প্ৰতিদিনে বিভিন্ন কামত খটুৱাই মাত্ৰ সামান্যতম পাৰিশ্ৰমিক দিয়ে দায়িত্ব সামৰা বিভাগীয় কৰ্তৃপক্ষৰ ওপৰত ক্ষোভ প্ৰকাশ কৰি সমস্যা সমাধান নহ'লে ভৱিষ্যতে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ চিন্তা চৰ্চা হয় উক্ত সভাত। বতাহ, বৰষুণক নেওচি বিদ্যুতৰ খুঁটা পোতা, বিদ্যুত পৰিবাহী তাঁৰ সংলগ্ন কৰা, বিদ্যুৎ মাচুল আদায় কৰিবলৈ গ্ৰাহকৰ ঘৰে ঘৰে ঘূৰি ফুৰা এইসকল অস্থায়ী কৰ্মচাৰীৰ ভৱিষ্যত অন্ধকাৰ নকৰি অনতিপলমে তেওঁলোকৰ চাকৰি নিয়মীয়া কৰিবলৈ দাবী জনায় বিভাগীয় উৰ্ধ্বতন কৰ্তৃপক্ষৰ লগতে চৰকাৰক।

# পশ্চিম বড়িগোগ সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা মণ্ডপৰ নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত পশ্চিম বড়িগোগ সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গাপূজা মণ্ডপ (দেহাৰকুছি) পৰিচালনা সমিতিৰ সভাপতি নিৰঞ্জন চন্দ্ৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাত পৰিচালনা সমিতিৰ সম্পাদক ড° খনীন্দ্ৰ শৰ্মাই বিগত কাৰ্যকালৰ আয়-ব্যয়ৰ হিচাপ-নিকাচ দাখিল কৰাৰ লগতে বিগত কাৰ্যকালৰ কাৰ্যবিৱৰণি পাঠ কৰে। ইয়াৰ পাছতে হিচাপ-নিকাচ আৰু কাৰ্যবিৱৰণিৰ ওপৰত উপস্থিত ৰাইজে পুংখানুপুংখ বিশ্লেষণ কৰি সৰ্বসন্মতভাৱে গৃহীত কৰায়। ইয়াৰ পাছতে পুৰণা পৰিচালনা সমিতিয়ে পদত্যাগ কৰাৰ পাছতে পুনৰ নিৰঞ্জন চন্দ্ৰ ডেকাক সভাপতি আৰু ড° খনীন্দ্ৰ শৰ্মাক সম্পাদকৰূপে লৈ আগন্তুক কাৰ্যকালৰ বাবে ১৭ জনীয়া এখন নতুন পৰিচালনা সমিতি গঠন কৰে।

# শিৱসাগৰ জিলাত বিশ্ব স্তনপান দিৱস উদ্‌যাপন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২ আগষ্ট ঃ** কালি শিৱসাগৰ জিলাৰ খেমকা মাতৃ সদনৰ প্ৰেক্ষাগৃহত বিশ্ব স্তনপান দিৱসৰ শুভ উদ্বোধন কৰা হয়। সমগ্ৰ বিশ্বৰ লগতে শিৱসাগৰ জিলাৰ সকলো স্বাস্থ্যকেন্দ্ৰ তথা স্বাস্থ্য সংস্থাসমূহত বিশ্ব স্তনপান সপ্তাহৰ প্ৰথম দিন পালন কৰা হয়। খেমকা মাতৃ সদনত অনুষ্ঠিত জিলা ভিত্তিক উদ্বোধনী সভাত জিলা প্ৰতিষেধক বিষয়া ডাঃ অৰুন্ধতী বৰা হাজৰিকাই মাতৃদুগ্ধ পানৰ উপকাৰিতা আদিৰ বিষয়ে অতি সুন্দৰভাৱে সভাত উপস্থিত লোকৰ সন্মুখত উপস্থাপন কৰে। জিলাৰ ৰোগ নিৰীক্ষণ বিষয়া ডাঃ গায়ত্ৰী সেনাপতিয়ে শিশুক সঠিকভাৱে স্তনপান নকৰালে শিশুৰ লগতে মাতৃগৰাকীৰো কেনে ধৰণৰ ৰোগ হ'ব পাৰে এই বিষয়ে এক মন্তব্য দাঙি ধৰে। জিলা সদৰৰ মহকুমা স্বাস্থ্য বিষয়া আৰু জিলা কুষ্ঠৰোগ বিষয়া ডাঃ মেঘালী বৰঠাকুৰে স্তন পানৰ আৱশ্যকতা আৰু উপকাৰিতা সম্পৰ্কে বিশদভাৱে বৰ্ণনা কৰাৰ লগতে আশা কৰ্মীসকলক মাতৃ দুগ্ধ প্ৰয়োজন আৰু গুৰুত্বৰ বিষয়ে সমাজত সজাগতাৰ সৃষ্টি কৰিবলৈ আহ্বান জনায়। জিলা নগৰ স্বাস্থ্য সমন্বয়ক ৰিম্পী বৰাই নৱজাতকৰ ক্ষেত্ৰত মাতৃৰ দুগ্ধ অমৃতৰ সমান, মাতৃ দুগ্ধৰ যে কোনো বিকল্প নাই এই সম্পৰ্কে শিৱসাগৰ নগৰৰ লোকৰ মাজত সচেতনতা বৃদ্ধি কৰিবলৈ নগৰৰ আশাকৰ্মীসকলক বিনম্ৰভাৱে অনুৰোধ জনায়। জিলা গণমাধ্যম বিষয়া অঞ্জুশ্ৰী ফুকনে আঁত ধৰা এই সভাত স্বাস্থ্য পৰিদৰ্শিকা অঞ্জলি ফুকন আৰু নগৰৰ আশাকৰ্মী, এএনএম আৰু দুগ্ধপান কৰা মাতৃসকল উপস্থিত থাকে।

# কৰ্মী-সহায়িকা সন্থাৰ সমস্যা সমাধানত চৰকাৰে গুৰুত্ব আৰোপ কৰক

## ■ অংগনৱাড়ী কৰ্মী- সহায়িকা সন্থাৰ অবিভক্ত শিৱসাগৰ জিলা সন্মিলনী সভা সম্পন্ন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২ আগষ্ট ঃ** অসম ৰাজ্যিক অংগনৱাড়ী কৰ্মী আৰু সহায়িকা সন্থাৰ অন্তৰ্গত অবিভক্ত শিৱসাগৰ জিলাৰ অংগনৱাড়ী কৰ্মী আৰু সহায়িকা সন্থাৰ উদ্যোগত পৰহি জিলা সন্মিলনীখন অনুষ্ঠিত হয়। জয়সাগৰ কনক ভৱনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত শিৱসাগৰ আৰবান, গৌৰীসাগৰ, আমগুৰি, ডিমৌ, নাজিৰা, অভয়াপুৰ, সোণাৰী, সাপেখাতী আৰু লাকুৱা প্ৰকল্পৰ প্ৰায় পাঁচ শতাধিক কৰ্মী আৰু সহায়িকাই অংশগ্ৰহণ কৰিছিল। পুৱাৰ ভাগত টুটুমনি বৰুৱাই পতাকা উত্তোলন কৰাৰ পাছতেই স্মৃতিচাৰণ কৰে অসম ৰাজ্যিক অংগনৱাড়ী কৰ্মী আৰু সহায়িকা সন্থাৰ সম্পাদিকা ইন্দিৰা নেৱাৰে। ইয়াৰ পাছতেই টুটুমনি বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত চিটুৰ ৰাজ্যিক সমিতিৰ সহকাৰী সম্পাদক মদন তালুকদাৰ, পৰ্যবেক্ষক নিৰঞ্জন চেতিয়া, নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ কমল হাতীমূৰীয়া, জিতু শইকীয়া, জ্যোতি কোঁৱৰ, ৰাজ্যিক সমিতিৰ সম্পাদিকা ইন্দিৰা নেৱাৰ, উপ-সভানেত্ৰী মীনা মেচ, মাখনী বুঢ়াগোহাঁই, আশাৰাণী দেউৰীকে ধৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি কৰ্মী-সহায়িকাসকলৰ বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰক গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনায়। সভাত পূৰ্বৰ কমিটীৰ প্ৰতিবেদন আৰু হিচাপ-নিকাচ দাখিল কৰাৰ পাছত সভাই চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ দুখন পৃথক জিলা কমিটী গঠনৰ পৰামৰ্শ আগবঢ়ায়। সেই উদ্দেশ্যেৰে পৰহি শিৱসাগৰ জিলা সমিতিৰ বাবে টুটুমনি বৰুৱাক সভানেত্ৰী, আৰফিন চুলতানাক সাধাৰণ সম্পাদিকা, বিনীৰেখা গগৈক কোষাধ্যক্ষ হিচাপে লৈ ২১ জনীয়া আৰু চৰাইদেউ জিলা সমিতিৰ বাবে মাখনী বুঢ়াগোহাঁইক সভানেত্ৰী, নন্দিতা বৰুৱাক সাধাৰণ সম্পাদিকা, ভানু সন্দিকৈক কোষাধ্যক্ষ হিচাপে লৈ ২১ জনীয়া কমিটীখন গঠন কৰা হয়। সন্মিলনীৰ আহ্বায়ক মণ্ডলীৰ সভানেত্ৰী বিনীৰেখা গগৈ আৰু সম্পাদিকা আৰফিন চুলতানাৰ উপৰি প্ৰতিটো প্ৰকল্প সমিতিৰ বিষয়ববীয়াসকলে নিজ মতামত ব্যক্ত কৰে। কেন্দ্ৰীয় নেতৃবৰ্গৰ লগতে সভাত অংশগ্ৰহণ কৰা বিশিষ্ট ব্যক্তিসকলক আহ্বায়ক কমিটীয়ে এটি স্মাৰকৰে সম্বৰ্ধনা জনোৱাৰ লগতে বহুকেইগৰাকী কৰ্মী আৰু সহায়িকাই গীত-কবিতা পৰিৱেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# অৱসৰপ্ৰাপ্ত শিক্ষক আলহাজ আব্দুজ ছামাদৰ দেহাৱসান

**কলগাছিয়া, ২ আগষ্ট ঃ** বৰপেটা জিলাৰ জনীয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত সালেকুৰা গাঁৱৰ নিৱাসী তথা মন্দিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক আলহাজ আব্দুছ ছামাদৰ যোৱা নিশা নিজ বাসভৱনত দেহাৱসান ঘটে। ১৯৯৬ত অৱসৰপ্ৰাপ্ত শিক্ষকজনে কাদং হাইস্কুলত চাকৰি জীৱন আৰম্ভ কৰি খৰিচালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰি অৱশেষত মন্দিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ লয়। বিভিন্ন স্কুল-কলেজ, সামাজিক কামত জড়িত থকা শিক্ষকজন এনচিচি, ক্ৰীড়াৰ ক্ষেত্ৰত ভাল দখল আছিল। মৃত্যুৰ সময়ত পত্নীসহ তিনি পুত্ৰ, চাৰিগৰাকী কন্যা, বোৱাৰী, নাতি, নাতিনী ইহসংসাৰত এৰি যায়। কালি এনেক লোকৰ উপস্থিতিত তেওঁৰ জানাজা সম্পন্ন হয়।

# সৃজনগ্ৰামৰ নতুন খণ্ড প্ৰাথমিক শিক্ষা বিষয়া

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম খণ্ড প্ৰাথমিক শিক্ষা বিষয়া বিমল বেহেৰাই চলিত বৰ্ষৰ মাৰ্চত কাৰ্যকাল সমাপ্ত হোৱাৰ চাৰি মাহৰ পাছত কালি কাৰ্যালয়টোৰ বিদ্যালয় সহ-পৰিদৰ্শক এজনে শিক্ষা বিষয়া হিচাবে দায়িত্ব গ্ৰহণ কৰে। জানিব পৰা মতে, বিমল বেহেৰাই চাকৰিৰ পৰা অৱসৰৰ পাছত বিভাগে স্থায়ীভাৱে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া পদত কোনো বিষয়া নিযুক্তি নিদিয়াত কাৰ্যালয়টোৰ কাম-কাজ জিলা প্ৰাথমিক শিক্ষা জ্যোৎস্নাৰাণী বৰ্মনে কাৰ্যালয়ৰ কাম-কাজ পৰিচালনা কৰিছিল। শেহতীয়াভাৱে বিভাগৰ আদেশ অনুসৰি, কালি ৰাতিপুৱা জিলা প্ৰাথমিক শিক্ষা বিষয়া জ্যোৎস্নাৰাণী বৰ্মনে সৃজনগ্ৰাম শিক্ষা খণ্ডৰ কাৰ্যালয়ত উপস্থিত হৈ কাৰ্যালয়টোৰ বিদ্যালয় সহ-পৰিদৰ্শক মনুজ ফুকনক শিক্ষা বিষয়াৰ দায়িত্ব চমজাই দিয়ে। দায়িত্ব গ্ৰহণৰ পাছতে শিক্ষাখণ্ডটোৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে নতুনকৈ দায়িত্ব গ্ৰহণ কৰা ভাৰপ্ৰাপ্ত শিক্ষা বিষয়া ফুকনক আদৰণি জনায়। উল্লেখ্য যে যোৱা ২৭ জুলাইত প্ৰাথমিক শিক্ষা বিভাগৰ সচিবে দিয়া নিৰ্দেশযোগে উত্তৰ শালমাৰা মহকুমা বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শকৰ কাৰ্যালয় তথা সৃজনগ্ৰাম শিক্ষা খণ্ডৰ অন্তৰ্গত বিদ্যালয় সহ-পৰিদৰ্শক মনুজ ফুকনক খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ দায়িত্ব অৰ্পণ কৰে ।

# ৰাজপথৰ আন্দোলনতকৈ আমাক এতিয়া শৈক্ষিক আন্দোলনৰ প্ৰয়োজন হৈছে

## ■ নকছাৰীত ছাত্ৰ সন্থাৰ কৃতী ছাত্ৰৰ বিশেষ অভিনন্দন অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২ আগষ্ট ঃ** নকছাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত হৈ যোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত কৃতিত্ব সহকাৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক ৰাজহুৱা অভিনন্দন জনোৱাৰ উদ্দেশ্যে কালি এক বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। নকছাৰী এৰগাঁৱৰ অৰুণোদয় পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত নকছাৰী অঞ্চলৰ ৫০গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক ৰাজহুৱাকৈ অভিনন্দন জনোৱা হয়। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি বিশিষ্ট শিক্ষাবিদ, অসমৰ অন্যতম আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান তিতাবৰ প্ৰাগজ্যোতিকাৰ সঞ্চালক অচ্যুতদ্বীপ শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক অধিক অধ্যয়নমুখী হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে আমি যি শিক্ষাই গ্ৰহণ নকৰো কিয় ছাত্ৰ-ছাত্ৰীসকলৰ মূল উদ্দেশ্য এটাই হ'ব লাগিব আৰু সেই উদ্দেশ্যই হৈছে অধ্যয়ন। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক নিজকে সম্পদশালী কৰি গঢ়ি তুলিব লাগিব বুলি উল্লেখ কৰি কয় যে নিজকে সম্পদশালী কৰি তুলিব পাৰিলেহে দেশৰ বাবে, জাতিৰ বাবে এক সম্পদলৈ ৰূপান্তৰিত হ'ব পাৰি। প্ৰসংগক্ৰমে তেওঁ অসম আন্দোলনে বহু ক্ষেত্ৰত বিপথে পৰিচালিত কৰা বুলি উল্লেখ কৰি কয় যে এতিয়া আমাক ৰাজপথৰ আন্দোলন নালাগে। আমাক এতিয়া শৈক্ষিক আন্দোলনৰ প্ৰয়োজন। এতিয়া সকলোতে পাঠ্যপুথি অধ্যয়নৰ আন্দোলনৰহে প্ৰয়োজন আছে বুলি তেওঁ লগতে উল্লেখ কৰে। আনহাতে, ৰাজপথৰ আন্দোলনে প্ৰচলিত সমাজ ব্যৱস্থাৰ কিছু শুধৰণি ঘটাব পাৰিলেও সমাজলৈ আমূল পৰিৱৰ্তন আনিব নোৱাৰে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰি বিশিষ্ট শিক্ষাবিদজনে কয় যে আমাক কৰ্মসংস্কৃতিৰ আন্দোলন লাগিব। কৰ্মসংস্কৃতিৰ আন্দোলনেহে সমাজলৈ আমূল পৰিৱৰ্তন আনিব পাৰিব বুলি গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। তেওঁ কয় যে বৰ্তমানৰ নম্বৰ সৰ্বস্ব শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলক হয়তো জীৱিকাৰ সন্ধান দিবলৈ সক্ষম হৈছে। কিন্তু জীৱনৰ সন্ধান দিবলৈ বহুক্ষেত্ৰত সফল হোৱা নাই। নকছাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মাধুৰ্য গগৈয়ে আঁত ধৰা আৰু আদৰণি ভাষণ প্ৰদান কৰা অভিনন্দন অনুষ্ঠানত আন এগৰাকী বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি তিতাবৰ মহকুমাৰ মহকুমা আৰক্ষী বিষয়া মৈত্ৰেয়ী ডেকাই ছাত্ৰ জীৱনটো সবাতোকৈ সুন্দৰ জীৱন বুলি উল্লেখ কৰি কয় যে ছাত্ৰ জীৱনতেই সকলোৱে কষ্ট কৰিব লাগিব। ছাত্ৰ জীৱনত কৰা সেই কষ্টই গোটেই জীৱনত ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম হয় বুলি তেওঁ লগতে মন্তব্য কৰে। তাৰ উপৰি ছাত্ৰ জীৱনত কষ্ট কৰিলেহে নিজৰ লক্ষ্যত উপনীত হ'ব পৰা যায় বুলি উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক অধিক কষ্ট কৰিবলৈ আৰক্ষী বিষয়াগৰাকীয়ে পৰামৰ্শ আগবঢ়ায়। তেওঁ কয় যে প্ৰতিটো দিনেই এটা নতুন শিক্ষণৰ দিন। অনুষ্ঠানত অংশগ্ৰহণ কৰি সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অৰ্জুনমণি ভূঞাই কয় যে সদৌ অসম ছাত্ৰ সন্থাই বিভিন্ন শৈক্ষিক কাৰ্যসূচী হাতত লৈ আহিছে আৰু এই বিশেষ অভিনন্দন অনুষ্ঠানো তাৰেই এক অংশ। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুত হ'বলৈ আহ্বান জনোৱাৰ লগতে জিলা ছাত্ৰ সন্থাই এই ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য জিতু নেওগ, নকছাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ উত্তম বৰুৱা, নকছাৰী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তথা নকছাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ শিক্ষা কোষৰ সভাপতি ৰঞ্জিত গগৈ, সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সভাপতি সংকল্প গগৈ আদিয়ে বক্তব্য প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি বিভিন্ন পৰামৰ্শ আগবঢ়ায়। অভিনন্দন অনুষ্ঠানৰ আঁত ধৰি তিতাবৰ মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অবিনাশ ফুকনে ছাত্ৰ-ছাত্ৰীসকলক শিপাৰে সংপৃক্ত হৈ থাকিবলৈ আহ্বান জনায়। তেওঁ লগতে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অনুত্তীৰ্ণসকলৰ প্ৰতি দায়বদ্ধতা প্ৰকাশ কৰি চলিত মাহৰ পৰাই ঘৰে ঘৰে পাঠদান কৰা হ'ব বুলি ব্যক্ত কৰে।

# লখিমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২ আগষ্ট ঃ** লখিমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ ৩১ সংখ্যক প্ৰতিষ্ঠা দিৱস পৰহি বিস্তৃত কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। সেই উদ্দেশ্যে মহাবিদ্যালয়ৰ সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটোৰ উদ্বোধন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° নীলিমা কোঁৱৰে। উদ্বোধনী ভাষণ প্ৰসংগত ড° কোঁৱৰে মহাবিদ্যালয়খনৰ যোৱা ৩১টা বছৰৰ শৈক্ষিক যাত্ৰাৰ শুভেচ্ছা প্ৰদান কৰাৰ লগতে আগন্তুক বছৰত মহাবিদ্যালয়ৰ শৈক্ষিক যাত্ৰাৰ উত্তৰণ কামনা কৰে। অনুষ্ঠানত গীতাচাৰ্য পুৰন্দৰ বৰুৱাই মুখ্য অতিথিৰ ভাষণ প্ৰসংগত কয় যে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণত একোখন মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ মজবুত ভেটি নিৰ্মাণ কৰিব পাৰে। মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° নীলিমা কোঁৱৰে সঞ্চালনা কৰা অনুষ্ঠানটোত শিক্ষক-শিক্ষয়িত্ৰী, গ্ৰন্থাগাৰিক কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলেও মহাবিদ্যালয়খনৰ শৈক্ষিক জীৱন সম্পৰ্কে স্মৃতি ৰোমন্থন তথা মতামত আগবঢ়ায়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গোলাপ শৰ্মা বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত ছাত্ৰ একতা সভাৰ ছাত্ৰ-ছাত্ৰীয়ে ব্যাখ্যা কৰা অনুষ্ঠানত ছত্ৰ একতা সভাৰ ছাত্ৰ-

# শিশু ভাৰতী বিদ্যালয়ত উচ্চতৰ মাধ্যমিক শ্ৰেণী আৰম্ভ

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ২ আগষ্ট ঃ** ১৯৭৭তে স্থাপিত দেৰগাঁৱৰ প্ৰথমখন ইংৰাজী শিক্ষাৰ বিদ্যালয় শিশু ভাৰতী ইংলিছ মিডিয়াম হাইস্কুলত চলিত বৰ্ষৰ পৰা উচ্চতৰ মাধ্যমিক শিক্ষা প্ৰৱৰ্তন হৈছে আৰু কালি আনুষ্ঠানিকভাৱে উচ্চ শাখাৰ নতুন ভৱনৰ দ্বাৰ উন্মোচন কৰা হয়। তদুপলক্ষে দেৰগাঁও চাৰিআলিৰ নতুন বিদ্যালয় গৃহত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, দেৰগাঁও কমল দুবৰা মহাবিদ্যালয়ৰ অবসৰপ্ৰাপ্ত অধ্যক্ষ নীলপদ্ম ফুকনৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা এটি কোৰাছেৰে আৰম্ভ হোৱা সভাখনত উদ্বোধনী ভাষণ আগবঢ়ায় গোলাঘাট জিলাৰ স্কুলসমুহৰ পৰিদৰ্শক ড° সমীৰণ বৰাই। নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° গিৰীশ বৰুৱাই এই বিদ্যালয়খন প্ৰতিস্থা কালৰে পৰা জড়িত হৈ থকাৰ বিষয়ে উল্লেখ কৰি কালি উচ্চতৰ মাধ্যমিক বিভাগলৈ উন্নীত হোৱাত আনন্দিত হৈ পৰা দেখা যায়। কালিৰ সভাত দেৰগাঁৱৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া চিৰঞ্জীত দাস, সমাজকৰ্মী অতুল গোস্বামী, অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰভাত চন্দ্ৰ মহন্ত, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰাজেন শৰ্মা বৰুৱা, ডি কে ডি কলেজৰ অবসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° দেবেন চন্দ্ৰ বৰা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ, ড° প্ৰবীণ শৰ্মা, অবসৰপ্ৰাপ্ত অধ্যক্ষ ভোলা হাজৰিকাকে ধৰি ভালেকেইজন গন্য- মান্য ব্যক্তি উপস্থিত থাকে। বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক ৰঞ্জিত বৰুৱাই আঁত ধৰা সভাখনত বিদ্যালয়ৰ ছাত্ৰী বিস্তীৰ্ণা গগৈ, শুভাংশী ভৰদ্বাজ, শিক্ষয়িত্ৰী নিলাক্ষী শৰ্মাৰ গীতে সকলোকে আপ্লুত কৰে। ইফালে, পুৱা পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ আৰম্ভ কৰে বিদ্যালয়খনৰ অধ্যক্ষ বিনন্দ চন্দ্ৰ বৰাই। উল্লেখ্য যে বিদ্যালয়খনত চলিত বৰ্ষৰ পৰাই উচ্চতৰ মাধ্যমিকৰ কলা আৰু বিজ্ঞান শাখাৰ পাঠদান আৰম্ভ হৈছে।

# শালবাৰীত ইউপিপিএলৰ ১০খন প্ৰাথমিক সমিতি গঠন



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২ আগষ্ট ঃ** ইউপিপিএলৰ শালবাৰী ব্লক সমিতিৰ উদ্যেগত কালি শালবাৰীৰ সমুহীয়া প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় এখন বিশেষ দলীয় সাংগঠনিক সভা। ইউপিপিএলৰ শালবাৰী ব্লক সমিতিৰ সভাপতি চক্ৰধৰ বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত, সাধাৰণ সম্পাদক আব্দুৰ ৰৌফে আঁত ধৰা সভাত দলীয় সাংগঠনিক দিশৰ ওপৰত বক্তৃতা প্ৰদান কৰে ক্ৰমে বিটিআৰৰ শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰী, ইউপিপিএলৰ শালবাৰী জিলা সমিতিৰ সভাপতি বিখন গয়াৰী, সাধাৰণ সম্পাদক সুৰেশ সৰকাৰ, সম্পাদক মজিবুৰ ৰহমান, যুৱ শাখাৰ শালবাৰী জিলা সমিতিৰ সভাপতি সত্যজিৎ বড়ো, সাংগঠনিক সাধাৰণ সম্পাদক কামাল বাদছাহ, সাধাৰণ সম্পাদক অকণ দৈমাৰী, দলৰ অনুসূচিত জাতি কোষৰ সভাপতি গৌৰচান্দ দাস, মহিলা কোষৰ সাধাৰণ সম্পাদক ডালিমী খেৰকটাৰী, মথনগুৰি ব্লক সমিতিৰ সভাপতি লায়াম বড়োৱে। উল্লেখ্য যে ইউপিপিএলৰ শালবাৰী ব্লক সমিতিৰ অন্তৰ্গত ১০খন প্ৰাথমিক সমিতি ক্ৰমে শালবাৰী, ঘোঁৰামাৰা, বৰফেণা, ৰামচাৰটাৰি, ঢেকীয়াজানী, চুণবাৰী, বাহবাৰী, খুশ্ৰাবাৰী, বুনমাজা আৰু ৰূপাফুলি প্ৰাথমিক সমিতিবোৰ আনুষ্ঠানিকভাৱে গঠন কৰা হয়। লগতে নতুনকৈ গঠিত প্ৰাথমিক সমিতিবোৰৰ বিষয়ববীয়াসকলক শপত বাক্য পাঠ কৰায় ইউপিপিএলৰ শালবাৰী জিলা সমিতিৰ সভাপতি বিখন গয়াৰীয়ে।

## আনুষ্ঠানিকভাৱে শপত গ্ৰহণ



## প্ৰধানমন্ত্ৰীৰ বাহি এ এছ এ এছ ভি আই ছাত্ৰবৃত্তিৰ বাবে কৰক আবেদন

[illegible]

# হাৰিয়ানাৰ গাঁৱৰ এই যুৱতীয়ে ক'চিং অবিহনে প্ৰথম চেষ্টাতে হ'ল আই পি এছ বিষয়া

প্ৰে ৰ ণা



[illegible]



## লেব এছিছটেণ্ট হোৱাৰ সুবৰ্ণ সুযোগ, ৬৯০ পদত দিব নিযুক্তি

[illegible]

# হিন্দুস্তান এৰ'ন'টিক্স লিমিটেডত দশম শ্ৰেণীৰ উত্তীৰ্ণৰ বাবে ৪৫৫ পদত দিয়া হ'ব নিযুক্তি



[illegible]

## আজিকালি উপাৰ্জন বৃদ্ধি কৰাৰ আন বহু উপায় আছে। আজি এনে এক উপাৰ্জনৰ বিকল্প আৰু সহজ উপায়ৰ কথা আপোনালোকক অৱগত কৰোৱা হ'ব। কিন্তু কি এই বিকল্প উপায়?



# দিনে কাম কৰক মাত্ৰ এঘণ্টা, অনলাইনত আছে ধন উপাৰ্জনৰ সহজ উপায়



[illegible]

# ভাৰত পেট্ৰ'লিয়াম কৰ্প'ৰেচন লিমিটেডত ১৫২ পদত নিযুক্তি



[illegible]

# Solved GS Question Paper of Assam Public Service Commission's Combined Competitive (Pre) Exam

The following is the solved General Studies question paper of Combined Competitive (Preliminary) Examination 2009 of the Assam Public Service Commission. Read the solved questions to upgrade your preparation for various competitive examinations.

**1. Habeas corpus writ is associated with**
(A) anticipatory bail
(B) quashing the order of the administrative authority
(C) an order of freedom of speech
(D) production of person before the court
Ans: (D)

**2. Drip irrigation is mostly practised in India especially for**
(A) tea and coffee
(B) rice
(C) wheat
(D) vegetables (Rabi crops)
Ans: (D)

**3. Grey Revolution is associated with**
(A) production of cement
(B) commercial production of eggs



(C) productions of sweets
(D) steel production
Ans: (A)

**4. The mass of an iron piece when gets rusted**
(A) may increase or decrease depending upon temperature
(B) decreases
(C) increases
(D) remain same
Ans: (B)

**5. The purest form of gold is**
(A) 16 carat
(B) 22 carat
(C) 24 carat
(D) 28 carat
Ans: (C)

# দশম উত্তীৰ্ণৰ বাবে ভাৰতীয় সেনাত পদ খালী শাৰীৰিক পৰীক্ষাৰ আধাৰত দিয়া হ'ব নিযুক্তি



[illegible]

# বিধ্বস্ত পথ মেৰামতিৰ বাবে আগবাঢ়ি আহিল সমাজকৰ্মী

অগ্ৰদূত বাৰ্তা

**হোজাই, ২ আগষ্ট ঃ** চৰকাৰ বা জনপ্ৰতিনিধিয়ে নহয়, হোজাই নীলবাগানৰ জৰাজীৰ্ণ দুটা পথ মেৰামতি কৰি ৰাইজক চলাচলৰ সুবিধা কৰি দিবলৈ আগবাঢ়ি আহিল এজন সমাজসেৱক। বিধ্বস্ত পথ দুটাত বালি, পাথৰ পেলাই পথ মেৰামতি কৰি মহানুভৱতাৰ পৰিচয় দিলে যুৱ সমাজকৰ্মী ছাহাব উদ্দিন নামৰ এজন লোকে। উল্লেখ্য যে হোজাইৰ নীলবাগানৰ দুটি জৰাজীৰ্ণ পথৰ বাবে দীৰ্ঘদিনৰ পৰা ৰাইজ জীয়াতু ভুগিছিল। বিধ্বস্ত পথৰ মাজত পানী জমা হৈ দুৰ্গন্ধময় পৰিৱেশৰ সৃষ্টি হোৱাত স্কুল-কলেজৰ কে'বা সহস্ৰাধিক শিক্ষাৰ্থীৰ লগতে পথচাৰীসকলেও নাকত ৰুমাল দি যাবলগীয়া পৰিৱেশৰ সৃষ্টি হৈছিল। নীলবাগান তিনিআলিৰ পৰা মাৰ্কেটিং হৈ সাপ্তাহিক বজাৰলৈকে যোৱা পথছোৱাৰ লগতে নীলবাগান তিনিআলীৰ গড়কাপ্টানী পথত সৃষ্টি হোৱা পুখুৰী সদৃশ দ' গাঁতৰ বাবে যমৰযাতনা ভুগিছিল ৰাইজে। সংবাদ মাধ্যমত ৰাইজৰ দুৰৱস্থাৰ এই বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে পথছোৱা মেৰামতিৰ বাবে আগবাঢ়ি আহে চৌধুৰীবজাৰৰ সমাজসেৱক ছাহাব উদ্দিন মজুমদাৰ। যুৱ সমাজকৰ্মীৰূপে হোজাই জিলাত সু-পৰিচিত মজুমদাৰে দুয়োটা বিধ্বস্ত পথত দুই ডাম্পাৰ ৰাবিছ পেলাই পথছোৱা চলাচলৰ বাবে সুবিধা কৰি দিয়ে। তেওঁৰ এই মহানুভৱতাৰ শলাগ লৈছে অঞ্চলবাসীয়ে।

# মৰিগাঁও লায়ন্স ক্লাবৰ সাধাৰণ সভা

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২ আগষ্ট ঃ** মৰিগাঁও লায়ন্স ক্লাবৰ সাধাৰণ সভাখনি কালি মৰিগাঁও চহৰস্থিত লায়ন্স ক্লাবৰ কাৰ্যালয়ত অনুষ্ঠিত হৈ যায়। মৰিগাঁও লায়ন্স ক্লাবৰ সভাপতি মাধব শৰ্মাৰ সভাপতিত্বত আৰু সাধাৰণ সম্পাদকৰ প্ৰণৱ দাসে আঁত ধৰা সভাখনত বিগত কাৰ্যকালৰ হিচাপ দাখিল, সম্পাদকীয় প্ৰতিবেদন পাঠ কৰাৰ পাছতেই আগন্তুক বৰ্ষৰ বাবে কে'বাটাও কৰ্ম আঁচনি গ্ৰহণ কৰে। ইয়াৰ পাছতেই অনুষ্ঠিত হয় নতুন সমিতি গঠনৰ প্ৰক্ৰিয়া। নতুন সমিতি গঠন প্ৰক্ৰিয়াত সভাই পুনৰ আগৰ সমিতিখনকেই বাহাল ৰখাত পুনৰবাৰ সভাপতিৰূপে মাধব শৰ্মা, উপ-সভাপতি বাণী বৰুৱা, অনিল জৈন, সাধাৰণ সম্পাদক প্ৰণৱ দাস, সহকাৰী সম্পাদক নিৰেন বৰা, কোষাধ্যক্ষ বাদল দেক নিৰ্বাচিত কৰি নতুন কাৰ্যকৰী সমিতিখন গঠন কৰা হয়। সাধাৰণ সভাৰ পূৰ্বে লায়ন্স ক্লাবৰ তত্ত্বাৱধানত চলি থকা মৰিগাঁও চহৰৰ ঘনকান্ত বৰুৱা উদ্যানত শিশুসকলৰ মাজত খেলা সামগ্ৰী বিতৰণ কৰা হয়। মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লীলাকান্ত বৰঠাকুৰে আঁত ধৰা খেলৰ সামগ্ৰী বিতৰণ অনুষ্ঠানটো আৰম্ভ কৰে বিশিষ্ট চিকিৎসক, প্ৰাক্তন ডিষ্ট্ৰিক গৱৰ্ণ ডাঃ এম এল আগৰৱালাই। অনুষ্ঠানত প্ৰাক্তন বিধায়িকা জোনজোনালী বৰুৱা, ডাঃ নকুল চন্দ্ৰ বৰুৱা, জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মাকে আদি কৰি বহুকেইজন ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

## ঘনকান্ত বৰুৱা শিশু উদ্যানত শিশুৰ খেলা সামগ্ৰী বিতৰণ

# বলিউড অভিনেত্ৰী উৰ্মিলা মহন্তৰ পৰিচালনাত সাণাপুৰত 'স্যামন্ত হৰণ' মঞ্চস্থ



অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ২ আগষ্ট ঃ** ইউ এম প্ৰডাকচন তথা নাট্যগোষ্ঠী আঁৰ কাপোৰৰ উদ্যোগত আৰু নতুন দিল্লীস্থ সংগীত নাটক অকাডেমীৰ সহযোগত পহিলা আগষ্ট সোণাপুৰত পৌৰাণিক নাট স্যমন্তহৰণ মঞ্চস্থ কৰা হয়। উল্লেখ্য যে সোণাপুৰৰ জীয়ৰী তথা বলিউদৰ বিশিষ্ট অভিনেত্ৰী উৰ্মিলা মহন্তই সোণাপুৰত এইবেলি গ্ৰীষ্মবন্ধৰ সময়ছোৱাত ২০দিনীয়াকৈ অনুষ্ঠিত কৰিছিল এক নাটকৰ্মশালাৰ। অভিনেত্ৰীগৰাকীৰ পৰিচালনাত কৰ্মশালাত অংশগ্ৰহণ কৰা ২৫জনীয়া কণ কণ প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰাই ট্ৰাইচেম ভৱনত নাটখন মঞ্চস্থ কৰা হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিৰচিত পৌৰাণিক নাটখনৰ আধাৰত নকৈ একে নামৰ নাট লিখি উলিয়াইছে অভিনেত্ৰীগৰাকীৰ পিতৃ গিৰিধৰ মহন্তই। এই উপলক্ষে যৌথভাৱে বন্তি প্ৰজ্বলনেৰে মঞ্চ মুকলি কৰে প্ৰবীণ অভিনেতা প্ৰাঞ্জল শইকীয়া, অভিনেতা যতীন বৰা আৰু পৰিচালক মৃদুল গুপ্তাই। নাটখনৰ জৰিয়তে নাট্যকাৰে নব-প্ৰজন্মৰ মাজত শ্ৰীকৃষ্ণৰ আধ্যাত্মিক দৰ্শনৰ কথা সুন্দৰকৈ প্ৰকাশ কৰিছে। ঐশ্বৰিক শক্তি সম্পন্ন স্যমন্ত মণিৰ দৰে আমাৰ সকলোৰে হৃদয়তো এক মণি তথা আত্মা আছে। সেই আত্মা সমাজৰ হিতৰ বাবে ব্ৰতী হ'লেহে সমাজৰ মংগল। এই কথাই নাট্যকাৰে সাধুকথাৰ আলমত নাটখনৰ জৰিয়তে উপস্থাপন কৰাৰ প্ৰয়াস কৰিছে। একেদৰে নাটখনৰ শেষত প্ৰশিক্ষাৰ্থীসকলে মঞ্চৰ পৰা নামি আহি একোটাকৈ গছপুলি দৰ্শক, অভ্যাসগতসকলক অৰ্পণ কৰাৰ দ্বাৰাই নাট্যকাৰে ধৰিত্ৰী সেউজীয়া হৈ থাকিলেহে ইহজগতৰ সকলো জীৱকুলৰে যে মংগল এই বাৰ্তাও দিবলৈ প্ৰয়াস কৰিছে। ইফালে, নাটখন উপভোগ কৰি প্ৰবীণ অভিনেতা প্ৰাঞ্জল শইকীয়াই ভূয়সী প্ৰশংসা কৰি নৱপ্ৰজন্মক সৃষ্টিশীল কৰ্মৰাজিৰে, নতুন চেতনা আদিৰে আমি আগুৱাই নিব লাগিব আৰু সেয়া সকলোৰে দায়িত্ব। উল্লেখ্য যে নাটখনৰ পোহৰত আছিল বিশিষ্ট অভিনেত্ৰী মণিমালা দাস আৰু পল্লৱ মেধি, সংগীত বাদল কলিতা, লক্ষ্যজ্যোতি বৰুৱা আৰু প্ৰমহাজোৱাৰী, মেকআপ জয়শ্ৰী শৰ্মা আৰু মৃণালী বড়োৰ, প্ৰডাকচন ডিজাইনত অভিনেতা মহেন্দ্ৰ দাস ধীৰাজ কুমাৰ, অন্যান্য ব্যৱস্থাপনাত আছিল কংকন দত্ত, দেংৰালী ক্ৰিয়েটৰচ হাব, অভিনেতা আৰিফ আলী, ৰিতুমণি পাটৰ, কৃষ্ণা মহন্ত, মুনিন্দ্ৰ মহন্ত আৰু ৰাজীৱ কুমাৰ। ইফালে, বলিউদত প্ৰতিষ্ঠিত হ'লেও নিজৰ ওপজা ঠাই, ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰখনক আগুৱাই নিয়াৰ দুৰ্বাৰ প্ৰয়াসৰ অংশস্বৰূপে এনেধৰণৰ নাট্যচৰ্চা অব্যাহত ৰখাৰ কথা অৱগত কৰে অভিনেত্ৰী উৰ্মিলা মহন্তই।

# মিটাৰ ৰীডাৰ সহায়ক সন্থাৰ প্ৰাপ্য মজুৰি একাউণ্টত জমা-চাকৰি নিয়মীয়াৰ দাবী

বিশেষ সংবাদদাতা

**নগাঁও, ২ আগষ্ট ঃ** নগাঁও বিদ্যুৎ চক্ৰৰ অধীনস্থ ১০ টা বিদ্যুৎ উপ-সংমণ্ডলৰ মিটাৰ ৰীডাৰ সহায়কসকলৰ প্ৰাপ্য মজুৰি নিজা একাউণ্টত জমা দিয়া, চাকৰি নিয়মীয়া কৰা আদি দাবীত কালি বিভাগটোৰ নগাঁৱস্থ মুখ্য কাৰ্যবাহী বিষয়াৰ হাতত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। মিটাৰ ৰীডাৰ সহায়কসকলে সদৰী কৰা মতে, তেওঁলোকে বিগত ১৪-১৫ বছৰ ধৰি সেৱা আগবঢ়ায় আহিছে। তেওঁলোকৰে মাজৰ চাৰিজনৰ মানক একাউণ্টযোগে মাননি আদায় দি আহিছে যদিও বাকীসকলৰ মাননি ঠিকাদাৰ অথবা একাউণ্টযোগে ধন আদায় দিয়া আন মিটাৰ ৰীডাৰৰ জৰিয়তেহে দি থকা হৈছে। এনেদৰে এই মিটাৰ ৰীডাৰ সহায়কসকলক মাননি আদায় দিওঁতে চাৰি-পাঁচশ টকাকৈ কাটি ৰখা বুলিও অভিযোগ কৰে। ইপিনে, শেহতীয়াকৈ চৰকাৰে লোৱা সিদ্ধান্ত মৰ্মে গ্ৰাহকক পি পি মিটাৰ দিয়া হ'ব। তেনে কৰিলে তেওঁলোকে নিষ্কৰ্মা হৈ পৰিব। সেয়েহে এই মিটাৰ ৰীডাৰ সহায়কসকলে তেওঁলোকৰ ভৱিষ্যতৰ কথা ভাবি তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ দাবী জনোৱা হয়।

# ন্যায্যপ্ৰাপ্তি অধিকাৰৰ বাবে সংগ্ৰাম কৰি জীয়াই থাকিবলগীয়া বিষয়টো দুৰ্ভাগ্যজনক

## ■ কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ তামুলপুৰৰ অধিবেশন-অভিনন্দন অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ ২ আগষ্ট ঃ** সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলন অন্তৰ্গত তামুলপুৰ আঞ্চলিক সমিতিৰ অষ্টম দ্বি-বাৰ্ষিক অধিবেশন আৰু অভিনন্দন অনুষ্ঠানৰ কালি সফল সামৰণি পৰে। তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত তামুলপুৰ আঞ্চলিক সমিতিৰ সভাপতি ভূপেন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা আৰু অভিনন্দন অনুষ্ঠানত উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ সুখ্যাতিৰে উত্তীৰ্ণ তামুলপুৰৰ ১০৫গৰাকী শিক্ষাৰ্থীক মানপত্ৰ, ফুলাম গামোচা, আৰু গছপুলিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তামুলপুৰ আঞ্চলিকৰ সম্পাদক হিতেন পাঠকে আঁত ধৰা অনুষ্ঠান উদ্বোধন কৰে সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ সাধাৰণ সম্পাদক প্ৰতুল কলিতাই। সভাত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ সভাপতি ডাঃ ৰমেন কুমাৰ কাকতিয়ে কয় যে, এটি প্ৰাচীন জনগোষ্ঠী হিচাপে কলিতা জনগোষ্ঠী আজি লাঞ্চিত-বঞ্চিত। নায্যপ্ৰাপ্তি আৰু নিজৰ



অধিকাৰৰ বাবে কলিতা জনগোষ্ঠী সংগ্ৰাম কৰি জীয়াই থাকিবলগীয়া বিষয়টো দুৰ্ভাগ্যজনক। আমি আমাৰ প্ৰাপ্য অধিকাৰৰ বাবে সংগ্ৰাম অব্যাহত ৰাখিব লাগিব বুলি তেওঁ কয়, 'আমি আমাৰ প্ৰাপ্যৰ বাবে যি ধৰণে যুঁজিব লাগে যুঁজিব লাগিব, নিজৰ জনগোষ্ঠীৰ লোকসকলক সাজু কৰি তুলিব লাগিব । আমি সংবিধানৰ গণ্ডীৰ ভিতৰত থাকি আমাৰ মৰ্যাদা আমি বিচাৰিছো। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি বিটিআৰৰ মনোনীত সদস্য হেমন্ত কুমাৰ ৰাভাই কয় যে বিটিআৰৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাৰে 'অঞ্চায় বিথাংখি' নামৰ আঁচনিৰ জৰিয়তে ৫০০০ টকাৰ আৰ্থিক সাহায্য বিতৰণ কৰাৰ ব্যৱস্থা আছে। এই আঁচনিৰ সুবিধা গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলে শৈক্ষিক দিশত আগবাঢ়িব পাৰে। অনুষ্ঠানত কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ নৱ কুমাৰ শৰণীয়া, তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিভূতি ডেকা, সদৌ অসম ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক পূৰ্ণ ডেকা, আৰু বিটিআৰৰ মনোনীত সদস্য অৰ্পণা মেধিও ভাষণ ৰাখে । সম্বৰ্ধনা অনুষ্ঠানত তামুলপুৰ জিলা সমিতিৰ সভাপতি বিশ্বজিত ডেকা, কলিতা জনগোষ্ঠী সন্মিলনীৰ সাংগঠনিক সম্পাদক বিপুল চন্দ্ৰ লহকৰ, প্ৰচাৰ সম্পাদক নৃপেন বৰা, সহ-সম্পাদক নয়ন কলিতা আৰু তামুলপুৰ প্ৰেছ ক্লাবৰ ভাৰপ্ৰাপ্ত সভাপতি আনন্দ ৰামচিয়াৰী উপস্থিত থাকে। তামুলপুৰ আঞ্চলিকৰ অষ্টম দ্বি-বাৰ্ষিক অধিবেশন পৰহি অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাতে আগন্তুক দুবছৰৰ বাবে গৌতম কলিতাক সভাপতি আৰু উৎপল মহন্তক সম্পাদকৰূপে লৈ এখন শক্তিশালী সমিতি গঠন কৰা হয়।

# মাৰ্ঘেৰিটাত ৰক্তদান শিবিৰ সজাগতা সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ২ আগষ্ট ঃ** কালি মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়ত ৰক্তদান শিবিৰ আৰু সজাগতা সভা অনুষ্ঠিত হৈ যায়। তিনিচুকীয়া জিলা ৱাৰিবৰ্ছ বেচৰকাৰী সংস্থা আৰু মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়ৰ উদ্যোগত অনুষ্ঠিত ৰক্তদান শিবিৰত অঞ্চলটোৰ অৰ্ধশতাধিক লোকে ৰক্তদান কৰে। ৰক্তদান শিবিৰৰ পূৰ্বে সজাগতা সভাত মাৰ্ঘেৰিটা অসামৰিক চিকিৎলয়ৰ অধীক্ষক কুমুদ চন্দ্ৰ দাস সমল ব্যক্তিৰূপে উপস্থিত থাকি সংস্থাই লোৱা পদক্ষেপৰ বাবে শলাগ লোৱাৰ লগতে মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়ত এটা ব্লাড বেংক স্থাপনৰো পোষকতা কৰে। আনহাতে, সভাত মাৰ্ঘেৰিটা মহকুমাধিপতি কাৰ্যালয়ৰ অতিৰিক্ত আয়ুক্ত সচিব সিদ্ধাৰ্থ শংকৰ উপস্থিত থাকি ৱাৰিবৰ্ছে লোৱা পদক্ষেপক ধন্যবাদ জ্ঞাপন কৰি অনাগত দিনত আগুৱাই গৈ মানৱ সেৱাৰ স্বাৰ্থত কাম কৰি যাবৰ বাবে আহ্বান জনায়। আজি ৰক্তদান শিবিৰত ৱাৰিবৰ্ছৰ তিনিচুকীয়া জিলা সমিতিৰ সভানেত্ৰী ৰঞ্জু বুঢ়াগোহাঁই, বিধায়ক প্ৰতিনিধি জ্যোতিষ সোন্দাসৰ লগতে সভাত মাৰ্ঘেৰিটা চিকিৎসালয়ৰ কে'বাজনো চিকিৎসক, সংস্থাৰ কে'বাজনো বিষয়ববীয়া তথা ৰক্তদান কৰিবলৈ অহা অৰ্ধশতাধিক লোক উপস্থিত থাকে।

# দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত স্মাৰক বক্তৃতা অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**দুলীয়াজান, ২ আগষ্ট ঃ** দুলীয়াজান মহাবিদ্যালয়ৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱসটো কালি উদ্‌যাপিত হয়। পুৱা মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোক বিকাশ গগৈয়ে। ইয়াৰ পাছতেই ছহিদ তৰ্পণ আৰু বৃক্ষৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। উক্ত প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এক বিশেষ অনুষ্ঠান তথা এই বৰ্ষৰ স্মাৰক বক্তৃতাটো দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ অসমীয়া বিভাগৰ অধ্যাপক প্ৰয়াত ব্ৰজেন নিৰ্মলীয়াৰ সোঁৱৰণত উছৰ্গা কৰা হয় আৰু এই চতুৰ্দশ বাৰ্ষিক স্মাৰক বক্তৃতাটো 'অসমীয়া গীতিকবিতা ঃ যাত্ৰাপথৰ ইতিহাস' শীৰ্ষক বিষয়ত প্ৰদান কৰে বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক ড° কৰবী ডেকা হাজৰিকাই। বিশিষ্ট শিক্ষাবিদ ড° হাজৰিকাই নিজৰ বক্তৃতাত অসমীয়া গীতি-সাহিত্যৰ জন্মলগ্ন আৰু ইয়াৰ ক্ৰমবিকাশৰ ইতিহাস তথ্য সহকাৰে দাঙি ধৰে। তেওঁ অসমীয়া গীতৰ গৰিমাণ্ডিত ঐতিহাসিক উদাহৰণসহ উপস্থাপন কৰি ইয়াৰ যাত্ৰাপথৰ বিশেষত্বসমূহ সূক্ষ্মভাৱে বিশ্লেষণ কৰি দেখুৱায়। মহাবিদ্যালয়ৰ তিনিগৰাকী ছাত্ৰীয়ে বক্তৃতাৰ মাজে মাজে নিৰ্বাচিত গীতাংশ পৰিৱেশন কৰি বক্তৃতাটো অধিক উপভোগ্য কৰি তোলে। বক্তৃতাৰ শেষ অংশত সকলোৰে ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত 'মানুহে মানুহৰ বাবে' সমূহীয়াকৈ পৰিৱেশন কৰে। মূল বক্তৃতাৰ আৰম্ভতে বন্তি প্ৰজ্বলন আৰু মহাবিদ্যালয়ৰ গীত পৰিৱেশন অনুষ্ঠিত হয়। বন্তি প্ৰজ্বলন কৰে ক্ৰমে মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ব্ৰজেন নিৰ্মলীয়াৰ পুত্ৰ দিগন্ত নিৰ্মলীয়াই।



আনহাতে, দুলীয়াজান মহাবিদ্যালয়ৰ গীত পৰিৱেশন কৰে মহাবিদ্যালয়খনৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকলে। ইয়াৰ পাছতেই অধ্যক্ষ ড° লোক বিকাশ গগৈয়ে আদৰণি ভাষণ আগবঢ়ায়। আদৰণি ভাষণত অধ্যক্ষ ড° গগৈয়ে মহাবিদ্যালয়ৰ লগত জড়িত বহুবোৰ ঐতিহাসিক ঘটনাক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে আৰু বিগত সময়ছোৱাৰ বিভিন্ন শৈক্ষিক-প্ৰশাসনিক তথ্য অৱগত কৰে। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ পূৰ্ণকান্ত হাজৰিকা তথা দুগৰাকী অৱসৰপ্ৰাপ্ত অধ্যাপিকাৰ শুভেচ্ছামূলক লিখিত বাৰ্তাও ড° গগৈয়ে পাঠ কৰে। একেটা অনুষ্ঠানতে দুলীয়াজান মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ শিক্ষকসকলে যুগুত কৰি উলিওৱা এখন গ্ৰন্থও উন্মোচন কৰা হয়। আনহাতে, অসম যুৱ অলিম্পিক, ২০২২ত অংশগ্ৰহণ কৰি ভাৰোত্তোলন প্ৰতিযোগিতাত ৰূপৰ পদক জয় কৰিবলৈ সক্ষম হোৱা মহাবিদ্যালয়ৰ ছাত্ৰ নীলকণ্ঠ কোঁৱৰকো কালিৰ অনুষ্ঠানতে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোক বিকাশ গগৈৰ সভাপতিত্বত পৰিচালিত হোৱা উল্লিখিত বক্তৃতা অনুষ্ঠানৰ আঁত ধৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় মুৰব্বী ড° চিত্ৰজিৎ শইকীয়াই। অন্যান্য কৰ্ম সম্পাদনৰ লগতে ড° শইকীয়াই বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক ড° কৰবী ডেকা হাজৰিকাৰ জীৱন আৰু কৰ্মৰ বিষয়েও আলোকপাত কৰে। একেদৰে প্ৰয়াত ব্ৰজেন নিৰ্মলীয়াৰ জীৱন আৰু কৃতীৰ বিষয়ে চমু অৱলোকন আগবঢ়ায় মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা আইচেনা বুঢ়াগোহাঁয়ে। এই অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট সাংস্কৃতিক কৰ্মী তথা অভিনেত্ৰী, অসম চৰকাৰৰ ২০২০ৰ 'কলাগুৰু বিষ্ণু ৰাভা বঁটা' প্ৰাপক ঝৰ্ণা শইকীয়া প্ৰমুখ্যে দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষসকল, প্ৰাক্তন শিক্ষক-কৰ্মচাৰীসকল, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল, স্থানীয় ৰাইজ, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি, স্থানীয় দল-সংগঠনৰ বিষয়ববীয়াসকল, সংবাদকৰ্মীসকল, মহাবিদ্যালয়খনৰ বৰ্তমানৰ শিক্ষক-কৰ্মচাৰীসকল তথা ছাত্ৰ-ছাত্ৰীসকল। দুলীয়াজান মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ সমন্বয়ক ড° জিতুমণি বড়াই শলাগৰ শৰাই আগবঢ়ায়।

# ভোটদানেই হৈছে গণতান্ত্ৰিক দেশৰ সকলোতকৈ গুৰুত্বপূৰ্ণ অস্ত্ৰ

## ■ নাজিৰা মহাবিদ্যালয়ত নিৰ্বাচন সংক্ৰান্তীয় নতুন প্ৰ-পত্ৰসমূহৰ মুকলি অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**নাজিৰা/নামতি, ২ আগষ্ট ঃ** অতিৰিক্ত উপায়ুক্ত তথা নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি সব্যসাচী কাশ্যপৰ সভাপতিত্বত কালি নাজিৰা মহাবিদ্যালয়ত নিৰ্বাচন সংক্ৰান্তীয় নতুন প্ৰ-প্ৰত্ৰসমূহৰ মুকলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ভাৰতৰ নিৰ্বাচনী আয়োগে জাৰি কৰা শেহতীয়া নিৰ্দেশনা তথা সংশোধনীসমূহৰ সন্দৰ্ভত এই সভা অনুষ্ঠিত কৰা হয়। মহকুমাধিপতিজনে অনুষ্ঠানৰ আৰম্ভণিতে সকলোকে শুভেচ্ছা জনাই চৰকাৰৰ এই পদক্ষেপক শলাগ লয়। গণতান্ত্ৰিক ব্যৱস্থাক আৰু অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এনে পদক্ষেপ অতি জৰুৰী বুলি উল্লেখ কৰি কয় যে এতিয়াৰে পৰা ১৭ বছৰ বয়সৰ যিকোনো ভাৰতীয় কিশোৰ-কিশোৰীয়ে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে আগতীয়াকৈ প্ৰ-পত্ৰ নম্বৰ ছয়ৰ যোগেদি আবেদন কৰিব পাৰিব। আবেদনৰ বাবে পূৰ্বে ভিত্তি তাৰিখ এবছৰত এবাৰ অৰ্থাৎ এক জানুৱাৰী নিৰ্ধৰাণ কৰা হৈছিল যদিও শেহতীয়াকৈ কেতবোৰ নিৰ্বাচন সংক্ৰান্তীয় আইনৰ ক্ষেত্ৰত ব্যাপক সংশোধনী ঘটোৱা হৈছে। সেই অনুসৰি এতিয়াৰে পৰা এক জানুৱাৰীলৈ অপেক্ষা কৰিব নালাগে, এক এপ্ৰিল, এক জুলাই আৰু এক অক্টোবৰ তাৰিখকো ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে আবেদনৰ ক্ষেত্ৰত বয়সৰ ভিত্তি তাৰিখ হিচাপে লোৱা হৈছে। অৰ্থাৎ ১৭ বছৰ চলি থকা যিকোনো যুৱক-যুৱতীয়ে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে আগতীয়াকৈ আবেদন কৰি থ'ব পাৰিব। তেওঁলোকৰ যেতিয়াই ১৮ বছৰ হ'ব তেতিয়াই ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তি হ'ব। অনুষ্ঠানত নাজিৰাৰ নিৰ্বাচনী বিষয়া অংশুলেখা দত্ত পাঠকে কয় যে প্ৰ-পত্ৰ নম্বৰ সাত, আঠৰ জৰিয়তে ভোটাৰসকলে ক্ৰমে নিজৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন যাৱতীয় তথ্যসমূহ শুধৰণি কৰিব পাৰিব। আনহাতে, ভোটাৰ কাৰ্ডৰ লগতে আধাৰ সংযুক্ত কৰিবৰ বাবে প্ৰ-পত্ৰ নম্বৰ ৬বি নতুনকৈ প্ৰৱৰ্তন কৰা হৈছে বুলি নিৰ্বাচনী বিষয়াজনে উল্লেখ কৰে। অৱশ্যে ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰ আধাৰ লগত সংযোজন কৰাটো সম্পূৰ্ণ স্বেচ্ছামূলক। তেওঁ লগতে কয় যে এই কাৰ্যসূচীৰ মূল উদ্দেশ্য হৈছে ভোটাৰসকলৰ পৰিচয় সঠিকভাৱে প্ৰতিষ্ঠা কৰা আৰু ভোটাৰ তালিকাত অন্তৰ্ভুক্তিৰ বাবে কৰা আবেদনসমূহৰ সত্যতা নিৰূপণ কৰা। ভোটাৰসকলে ভোটাৰ হেল্পলাইন এপ আৰু এনভিএছপি পৰ্টেলৰ জৰিয়তে অথবা বিএলঅ'ৰ জৰিয়তে ওপৰোক্ত প্ৰ-পত্ৰৰ যোগেদি নিজৰ আবেদনসমূহ দাখিল কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে। উল্লেখ্য যে ন নৱেম্বৰত সংহত খচৰা ভোটাৰ তালিকা প্ৰকাশ পাব। ন নৱেম্বৰৰ পৰা আঠ ডিচেম্বৰলৈকে ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। ওজৰ-আপত্তি দাখিলৰ নিৰ্ধাৰিত সময়ছোৱাৰ ভিতৰতে ভোটাৰ তালিকা সন্দৰ্ভত বিশেষ অভিযান চলোৱা হ'ব। ২৬ ডিচেম্বৰৰ ভিতৰত সকলো ওজৰ-আপত্তি নিষ্পত্তি কৰা হ'ব আৰু পাঁচ জনুৱাৰী ২০২৩ত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব। সভাত নাজিৰা নিৰ্বাচন জিলাৰ অন্তৰ্গত সহকাৰী নিৰ্বাচন পঞ্জীয়ন বিষয়া, বুথ পৰ্যায়ৰ বিষয়া, বিএলঅ' পৰ্যবেক্ষক, ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি, জ্যেষ্ঠ নাগৰিক, বিশিষ্ট ব্যক্তি নাজিৰা মহাবিদ্যালয়ৰ অধ্যাপক, নাজিৰাৰ ছপা আৰু বৈদ্যুতিন মাধ্যমৰ সংবাদকৰ্মী, বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, নাজিৰা মহকুমা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।



# পুৰণিগুদামত যুৱ-ছাত্ৰ পৰিষদৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ সামৰণি



অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ২ আগষ্ট ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নগাঁও জিলা সমিতিৰ একবিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশনখন পুৰণিগুদামৰ বাপুজী ভৱন আৰু পুথিভড়াল খেলপথাৰত যোৱা নিশা সফলতাৰে সমাপ্তি হয়। কাৰ্যসূচী অনুসৰি, পৰিষদৰ পতাকা উত্তোলন কৰে দীপমণি বৰাই, ছহিদ তৰ্পণ কৰে প্ৰাগজ্যোতিষ বণিয়াই, সতীৰ্থ স্মৰণ কৰে প্ৰদীপ শইকীয়াই, পুৰণিগুদামত জন্মগ্ৰহণ কৰা অসমৰ পুৰোধা ব্যক্তিসকলক স্মৰণ কৰে প্ৰবীণ চন্দ্ৰ দাসে, বৃক্ষৰোপণ কৰে বাপুজী ভৱন আৰু পুথিভড়ালৰ পৰিচালনা সমিতিৰ সভাপতি পুলিন হাজৰিকাই। পুৱা ১১ বজাত প্ৰতিনিধি সভা উদ্বোধন কৰে কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাণা প্ৰতাপ বৰুৱাই, বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে কেন্দ্ৰীয় উপদেষ্টা পুলক বৰা। সন্ধিয়া অনুষ্ঠিত বিষয় বাছনি সভাত ২০২২-২০২৪ৰ বাবে সভাপতিৰূপে প্ৰাগজ্যোতিষ বণিয়া আৰু সাধাৰণ সম্পাদক হিচাপে দেৱাশীষ দাসক মনোনীত কৰি এখন ৪৫জনীয়া কাৰ্যনিৰ্বাহক সমিতি গঠন কৰি দিয়ে। নিশা আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক পলাশ চাংমায়ে। উদ্বোধনী ভাষণত চাংমায়ে কয় যে অসমৰ জাতি মাটি ভেটি ৰক্ষাৰ সংগ্ৰামখনৰ লগতে নগাঁও জিলাৰ সামগ্ৰিক সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত নৱনিৰ্বাচিত সমিতিখনে ভূমিকা পালন কৰিব। পৰিষদৰ নৱনিৰ্বাচিত জিলা সমিতিৰ সভাপতি প্ৰাগজ্যোতিষ বণিয়া আৰু সাধাৰণ সম্পাদক দেৱাশীষ দাসে কয় যে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ধ্বজাখন নগাঁৱত সদায় উত্তোলিত হৈ থাকিব আৰু নদীবান্ধ বিৰোধী আন্দোলনৰ লগতে সমাজত সংঘটিত বিভিন্ন ধৰণৰ সমস্যাসমূহ নিৰ্মূল কৰিবলৈ সদায় প্ৰস্তুত থাকিব বুলি উল্লেখ কৰি নেতাদ্বয়ে নগাঁওবাসী ৰাইজৰ সহযোগিতা কামনা কৰে।

# তেজপুৰৰ শ্ৰীশ্ৰীশংকৰদেৱৰ মন্দিৰ অনুষ্ঠানত ৰছী টনাৰ খেল মঞ্চস্থ

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২ আগষ্ট ঃ** নাটক হৈছে এখন দলং। জনতা তথা দৰ্শকৰ স'তে মঞ্চত থকাসকলৰে সম্পৰ্ক গঢ়ি দিয়াই হৈছে দলং বা সেতু আৰু সেই সেঁতুৰেই হ'ল নাটক। নটসূৰ্য ফণী শৰ্মাৰো নাটক আছিল জীৱনৰ সাধনা। তেওঁ জীৱনৰ সকলো ত্যাগ কৰি নাটকতে জীৱনটো ব্ৰতী আছিল। যাৰ বাবে তেওঁ এক অনুষ্ঠানৰ ৰূপ পাইছে। তেজপুৰৰ মাজগাঁওস্থিত তথা ৯২ বছৰীয়া শ্ৰীশ্ৰী শংকৰদেৱৰ মন্দিৰ আনুষ্ঠানে যোৱা নিশা নটসূৰ্য ফণী শৰ্মাৰ সোঁৱৰণত অনুষ্ঠিত ৫২ সংখ্যাক নাট্য সন্ধিয়া উন্মোচন কৰি ৰাজ্যৰ এগৰাকী বলিষ্ঠ অভিনেত্ৰী, পৰিচালক ছিমি গোস্বামীয়ে এইদৰে কয়। উল্লেখ্য যে ১৯৩০ত স্থাপিত শ্ৰীশ্ৰী শংকৰদেৱৰ মন্দিৰ অনুষ্ঠানৰ মঞ্চতে ১৯৭০ৰ ২৩-২৪ মে'ত নটসূৰ্য ফণী শৰ্মাই এমুঠি চাউল নাটকত শেষবাৰলৈ অভিনয় কৰা বুলি উল্লেখ কৰি নটসূৰ্যক নৱপ্ৰজন্মৰ মাজত চিনাকি কৰা বা জনাৰ বাবে বছৰত বিশেষ চৰ্চা অনুষ্ঠান কৰাৰ পোষকতা কৰে অভিনেত্ৰী গোস্বামীয়ে। ম'বাইল ফোনে বহু সময়ত ক্ষতি কৰা বুলি আক্ষেপ কৰি তেওঁ এতিয়াৰ প্ৰজন্মই নাটক বা পুৰোধাসকলৰ বিষয়ে নুশুনি ম'বাইলত ব্যস্ত হৈ থকা বুলিও আক্ষেপ প্ৰকাশ কৰে গোস্বামীয়ে। ইয়াৰ পাছতে অভিনেতা, পৰিচালক- নাট্যকাৰ ননী মাধৱ শৰ্মাৰ পৰিচালনাত ৰাজ্যৰ বিশিষ্ট নাট্যকাৰ প্ৰভাত গোস্বামীৰ 'ৰছী টনাৰ খেল' মঞ্চায়ন কৰা হয়। শ্ৰীশ্ৰী শংকৰদেৱৰ মন্দিৰ অনুষ্ঠানৰ মহিলা চ'ৰাৰ দ্বাৰা মঞ্চস্থ হোৱা নাটখনত ৰাণু শৰ্মা, চিত্ৰা, চিনু শৰ্মা, পেহী, দিপালী কলিতা মাষ্টৰণী, অনিমা হাজৰিকা, কুমুদনী, মন্তী কলিতা আশা, অৰুন্ধতী গগৈ ৰেফাৰী ফুকননী, ৰেখা বৰুৱা অনুভা, জুৰি ভৰালী, ময়ুৰীৰ চৰিত্ৰ, কল্পনা দাস, কাঞ্চনৰ চৰিত্ৰ, লক্ষ্যৰেখা বৰুৱা, ৰজিতা, নৱনীতা শইকীয়া, মিনতি, প্ৰীতি বৰা, বকুল, মৰমী কলিতাই, পুলু, চৰিত্ৰত অভিনয়ৰে নাটকখন প্ৰাণৱন্ত কৰি তোলে। নাটখনত সংগীত ব্যৱস্থাপনাত মৃদুল দাস, শুভাক্ষী কোঁৱৰ, হীৰক নাথ, শব্দযন্ত্ৰত বুবু মশি কলিতা, পোহৰত উজ্জ্বল শইকীয়া, দৃশ্য সজ্জা বিচিত্ৰ তামুলী, ৰূপ সজ্জাত কুলেন ভৰালী, স্মাৰক হেমেন্দ্ৰ ভৰালী আৰু ৰণেন শৰ্মাৰ ভূমিকা আছিল উল্লেখনীয়। ক্ৰীড়া ক্ষেত্ৰত ৰাজনৈতিক প্ৰভাৱ পৰা আৰু ৰাজনৈতিক স্বাৰ্থতে খেল অনুষ্ঠিত কৰা, বিৰোধী দলৰ ভূমিকা, ক্ৰীড়া ক্ষেত্ৰৰ উন্নয়নৰ আঁচনিত ব্যক্তিগত লাভালাভৰ স্বাৰ্থ নিহিত হৈ থকা আদি বিষয়সমূহ সামৰি প্ৰায় ডেৰ ঘন্টা সময় চিন্তা আৰু হাঁহিৰ খোৰাক যোগাবলৈ সক্ষম হৈছে নাটকখনৰ জৰিয়তে। নাট্য সন্ধিয়া আৰম্ভৰ পূৰ্বে নটসূৰ্য ফণী শৰ্মালৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আৰম্ভ কৰে অনুষ্ঠানৰ সভাপতি টংকেশ্বৰ ভূঞাই । ইয়াৰ পাছতে সৃজনী সংগীত বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে খোল বাদন আৰু বিষ্ণু ৰাভা সংগীতৰ আধাৰত নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানত নটসূৰ্য ফণী শৰ্মাৰ এজন পুত্ৰ অজিত শৰ্মায়ো অংশ লয়।

# পশ্চিম কোকৰাঝাৰৰ বিদ্যালয়ৰ আন্তঃগাঁথনিৰ ওপৰত গুৰুত্ব বিধায়ক নাৰ্জাৰীৰ

অগ্ৰদূত বাৰ্তা

**দোতমা ২ আগষ্ট ঃ** কালি দোতমাত অসম বিধানসভাৰ ২৯ নম্বৰ কোকৰাঝাৰ পশ্চিম জনজাতি সমষ্টিৰ অধীনত থকা উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলৰ লগত মত বিনিময় কৰে বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে । উক্ত মত বিনিময় অনুষ্ঠানত উপস্থিত থাকি শিক্ষকসকলে বিধায়কজনক শ্ৰেণী কোঠাৰ অভাৱৰ কথা সদৰী কৰে। বিধায়ক নাৰ্জাৰীয়েও শ্ৰেণী কোঠাসমূহৰ আন্তঃগাঁথনি উন্নত কৰিবলৈ অসমৰ শিক্ষামন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰিব আৰু অলপ দিনৰ ভিতৰতে সমস্যা সমাধান কৰাৰ আশ্বাস প্ৰদান কৰে ।

# চতিয়াত বিশ্ব মাতৃ দুগ্ধপান সপ্তাহ উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**চতিয়া, ২ আগষ্ট ঃ** অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ অন্তৰ্গত চতিয়া সংহত শিশু উন্নয়ন প্ৰকল্পই আজিৰে পৰা উদযাপন কৰিছে বিশ্ব মাতৃ দুগ্ধপান সপ্তাহ। পহিলা আগষ্টৰ পৰা ৭ আগষ্টলৈ বিভিন্ন কাৰ্যসূচীৰে উদযাপন কৰিব বিশ্ব মাতৃ দুগ্ধপান সপ্তাহ । আজিৰ দিনৰ কাৰ্যসূচী ৰূপে মাতৃ দুগ্ধৰ উপকাৰিতাৰ সম্পৰ্কে এক সজগতা সমদল উলিয়াই চতিয়া সংহত শিশু উন্নয়ন প্ৰকল্পৰ পৰা এল বি ৰোডৰ মাজেৰে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথলৈ । "মাতৃ দুগ্ধ সহজলভ্য" , "মাতৃ দুগ্ধ বীজাণুমুক্ত" আদি প্লেকাৰ্ড লৈ শ্ল'গানৰে চতিয়াৰ ৰাজপথত সমদলৰে সকলোকে সজাগ কৰাৰ প্ৰচেষ্টা হাতত লয় ।আজিৰ এই সজাগতা সমদলত চতিয়াৰ অন্তৰ্গত অংগনৱাড়ী কেন্দ্ৰৰ শতাধিক কৰ্মী আৰু সহায়িকাসকলে অংশগ্ৰহণ কৰে । সপ্তাহটোৰ কাৰ্যসূচী অনুসৰি, চতিয়াৰ বিভিন্ন গাঁৱলৈ গৈ মাতৃসকলৰ মাজত বিস্তৃত্ব ব্যাখ্যাৰে সজাগতা সভা অনুষ্ঠিত কৰা হ'ব বুলি জানিবলৈ দিছে ।

## নামৰূপত নটসূৰ্য ফণী শৰ্মা দিৱস সম্পন্ন

**নামৰূপ, ২ আগষ্ট ঃ** পদাতিক নাট্য গোষ্ঠীৰ উদ্যোগত আৰু নামৰূপ বসুন্ধৰা জাতীয় বিদ্যালয়ৰ সৌজন্যত নটসূৰ্য ফণী শৰ্মা দিৱস অনুষ্ঠিত হৈ যায় । ছাত্ৰ-ছাত্ৰীসকলৰ গ্ৰীষ্ম বন্ধৰ প্ৰায় এমাহ সময় নাট কৰ্মশালা আয়োজন কৰি তিনিখন শিশু নাট ক্ৰমে নাট্যকাৰ ৰাজীৱ লোচন বৰাৰ নাট এটি উদীয়মান সপোন, নাট্যকাৰ ব্ৰজানন্দ ভূঞাৰ নাট কৰো আহা, নাট্যকাৰ হৰেন্দ্ৰ নাথ বৰঠাকুৰৰ নাট নুফুলা ফুলৰ মালিতা আৰু নবীন বৰুৱা আৰু ময়ূৰাক্ষী মহন্তৰ পৰিচালনাৰে চিনাকি বাঁহীৰ সুৰ নামৰ এখন গীত-নৃত্য-নাতিকা নামৰূপ সাহিত্য সভা প্ৰেক্ষাগৃহত মঞ্চস্থ কৰা হয়। মূলতঃ শিশুসকলক পঢ়া-শুনাৰ লগতে সংস্কৃতিবান ৰূপত গঢ় দিবলৈ আয়োজকসকলে হাতত লোৱা এই প্ৰচেষ্টাত প্ৰায় শতাধিক শিশুৱে অংশগ্ৰহণ কৰে ।

## কাছজান নৈৰ বাঢ়নী পানীত শ শ বিঘা শালি খেতি বিধ্বস্ত

**অগ্ৰদূত বাৰ্তা**
**মেলামাটি, ২ আগষ্ট ঃ** নেৰানেপেৰা বৰষুণৰ ফলত তিতাবৰ মহকুমাৰ নগা পাহাৰৰ পৰা বিভিন্ন গাঁৱৰ মাজেদি বৈ যোৱা পাহাৰীয়া নৈ কাছজান, কাকডোঙা, চৰাইপানী নৈৰ ফেনেফোটোকাৰে বাঢ়ি আহিছে। এই নৈ কেইখনৰ বাঢ়নী পানীয়ে মেলামাটি অঞ্চলটো বিভিন্ন পথাৰত শালি খেতি জলমগ্ন কৰিছে। ইফালে, মেলামাটি গাঁও পঞ্চায়ত অঞ্চলাধীন এলেঙীৰ সমীপত কালি কাছজান নৈৰ এটা মথাউৰি ভঙাৰ ফলত নদীৰ বাঢ়নী পানীয়ে বৰপথাৰ, নাহৰপথাৰ, মিচিংপথাৰ আদিকে ধৰি অঞ্চলটো বিভিন্ন পথাৰত শ শ বিঘা শালি খেতি নষ্ট কৰাত চিন্তিত হৈ পৰিছে দৰিদ্ৰ



কৃষকসকল। পুনৰ ৰোপণ কৰিবলৈও খেতিয়কসকলৰ মাজত কঠীয়াৰ অভাৱ হোৱাত হাহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হৈছে। অৱশ্যে দুই এজন কৃষকৰ কিছু আগতীয়া ধানৰ কঠীয়া আছে যদিও সেইবিলাক ৰোপণ কৰা বতৰ ইতিমধ্যে ওকলি গৈছে বুলি কৃষকসকলে সদৰী কৰিছে। মন কৰিবলগা যে যোৱা চাৰিদিন ধৰি অঞ্চলটোৰ সমস্ত পথাৰৰ শালিখেতি পানীৰ তলত থকাৰ ফলত খেতি বিধ্বস্ত হোৱাৰ পুৰামাত্ৰাই সম্ভাৱনাই দেখা দিছে। মেলামাটি গাঁও পঞ্চায়তৰ তৰফৰ পৰাও ভঙা মথাউৰিটো মেৰামতিৰ কোনো ব্যৱস্থা কৰা নাই। তিতাবৰ মহকুমাৰ কৃষি, জলসিঞ্চন বিভাগৰ অথবা তিতাবৰ উন্নয়ন খণ্ডৰ এজনো বিষয়া কৰ্মচাৰীয়ে পৰিস্থিতিৰ বুজ ল'বলৈ অঞ্চলটোত ভুমুকি মৰা নাই। কঠীয়াৰ অভাৱত হয়তো পুনৰ ৰোপণ কৰিব নোৱাৰিব বুলি খেতিয়কসকলে সন্দেহ প্ৰকাশ কৰিছে।

## ডিব্ৰুগড়ৰ জ্যেষ্ঠ কাৰখানা পৰিদৰ্শকৰ মাণ্ডলিক কাৰ্যালয় ঘেৰাও আটছাৰ

### ■ মইনা নায়কৰ ন্যায় লাগে

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২ আগষ্ট ঃ** ডিব্ৰুগড় লেপেটকটা চাহ বাগিচাৰ চিটিচি মেচিনত সোমাই আঘাতপ্ৰাপ্ত মইনা নায়কক ক্ষতিপূৰণ প্ৰদান নকৰাত ক্ষুব্ধ হৈ ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰে ডিব্ৰুগড়ত। চাহ শ্ৰমিকৰ জীৱন নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবীত অসম চাহ জনজাতি ছাত্ৰ সন্থাই কালি ডিব্ৰুগড়ৰ জ্যেষ্ঠ কাৰখানা পৰিদৰ্শকৰ মাণ্ডলিক কাৰ্যালয় ঘেৰাও কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। চাহ শ্ৰমিক মইনা নায়কৰ উচিত ন্যায় বিচাৰি ডিব্ৰুগড়ত আটছাৰ এনে প্ৰতিবাদ। ডিব্ৰুগড়ৰ জ্যেষ্ঠ কাৰখানা পৰিদৰ্শকৰ মাণ্ডলিক কাৰ্যালয়ত আটছাই ধৰ্ণা কাৰ্যসূচীৰে ৰাজপথ উত্তাল কৰি তোলে। লেপেটকটা চাহ বাগিচাৰ চিটিচি মেচিনত কৰ্মৰত অৱস্থাত আঘাতপ্ৰাপ্ত হোৱা মইনা নায়কক ক্ষতিপূৰণ আদায় দিয়া আৰু বাগিচাৰ কাৰখানাত চাহ শ্ৰমিকৰ জীৱন সুনিশ্চিত কৰাৰ দাবীত এই প্ৰতিবাদ সাব্যস্ত কৰা হয়। প্ৰতিবাদকাৰীসকলে জিলাখনৰ প্ৰতিটো কলঘৰত কাৰখানা আইন ৰূপায়ণৰো দাবী জনায়। আটছাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি বিমল বাৰ্গ আৰু সাধাৰণ সম্পাদক লক্ষীন্দৰ কুৰ্মীৰ নেতৃত্বত কে'বাশতাধিকে ৰূপায়ণ কৰা প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে অসম চৰকাৰ আৰু শ্ৰম বিভাগৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া আৰু বিষোদগাৰ প্ৰকাশ কৰে। উল্লেখ্য যে যোৱা ১৯ জুলাইত কৰ্মৰত অৱস্থাত মইনা নায়ক চিটিচি মেচিনত সোমাই জীৱন-মৰণৰ স'তে যুঁজ দি আছে গুৱাহাটীৰ চিকিৎসা মহাবিদ্যালয়ত। আনহাতে, মইনা নায়কৰ সাহায্য তথা ক্ষতিপূৰণ হিচাপে বাগিচা কৰ্তৃপক্ষক ১৩ লাখ ৩৩ হেজাৰ ৩৪ টকা প্ৰদান কৰাৰ নিৰ্দেশ দিছিল যদিও বাগিচা কৰ্তৃপক্ষই ক্ষতিপূৰণ নিদিয়ে বুলি উল্লেখ কৰাত ক্ষুব্ধ হৈ পৰিছে আটছাকে ধৰি চাহ শ্ৰমিকৰ সংগঠনসমূহ। চৰকাৰ তথা শ্ৰম বিভাগে এগৰাকী জ্যেষ্ঠ ফেক্টৰী পৰিদৰ্শকক নিলম্বন কৰিলে যদিও বাগিচাৰ পৰিচালক তথা দোষী অন্যান্যসকলৰ বিৰুদ্ধে কোনো পদক্ষেপ গ্ৰহণ নকৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## লেঙেৰীত শুই থকা অৱস্থাতে ছাত্ৰৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**ৰাজগড়, ২ আগষ্ট ঃ** টিংখাং সমষ্টিৰ অন্তৰ্গত লেঙেৰী চহৰীকটাত অঘটন । শুই থকা অৱস্থাতে আকস্মিকভাৱে মৃত্যুক সাৱটিলে এজন ছাত্ৰই। চহৰীকটা উচ্চ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰ তথা স্থানীয় চহৰীকটা টেপগুৰি গাঁৱৰ নিৱাসী সঞ্জীৱ সোণোৱাল আৰু ৰূপালী সোণোৱালৰ সন্তান মনজিৎ সোণোৱালে যোৱা ৩১ জুলাইৰ নিশা শুই থকা অৱস্থাতে আকস্মিকভাৱে মৃত্যু হয়। ছাত্ৰগৰাকীৰ এনে অকাল বিয়োগত সমগ্ৰ অঞ্চলটো শোকাকুল হৈ পৰে। আনহাতে, ছাত্ৰজনৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰি কালি বিদ্যালয় অৰ্ধছুটী ঘোষণা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰা হয় ।

## লক্ষ্যত উপনীত হ'বলৈ হ'লে কষ্ট কৰিবই লাগিব

### যোৰহাট লখিমীখাতত আশিস প্ৰদান অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**
**চিনামৰা, ২ আগষ্ট ঃ** 'প্ৰত্যেকগৰাকী শিক্ষাৰ্থীয়ে নিজক চিনি পাব লাগিব। নিজৰ মনৰ ভিতৰত শক্তিক চিনাক্ত কৰিব পাৰিব লাগিব। তেতিয়াহে জীৱনত সফলতা লাভ কৰিব পাৰিব।' বালিগাঁও অঞ্চলৰ কৃতী শিক্ষাৰ্থীসকলক আশিস প্ৰদান কৰিবৰ বাবে শৈক্ষিক-নৈতিক-সাংস্কৃতিক উত্তৰণত উৎসৰ্গিত অনুষ্ঠান আলোকৰ উদ্যোগত এক নম্বৰ লখিমীখাত গাঁৱৰ নৱ উদিত সমাজ কল্যাণ কেন্দ্ৰৰ প্ৰাংগণত অনুষ্ঠিত আশিস প্ৰদান অনুষ্ঠান উদ্বোধন কৰি এইদৰে কয় সাহিত্যিক অনন্ত কুমাৰ শৰ্মাই। আলোকৰ অধ্যক্ষ দিলীপ চন্দ্ৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানত মুখ্য অতিথিৰূপে তিতাবৰ প্ৰাগজ্যোতিকাৰ প্ৰৱক্তা তথা প্ৰতিষ্ঠিত ঔপন্যাসিক, গল্পকাৰ বিশ্বজ্যোতি শৰ্মাই শিক্ষাৰ্থীসকলক উদ্দেশ্যি কয় যে পাঠ্যক্ৰমৰ উপৰি শিক্ষাৰ্থীসকলে বাহিৰা কিতাপ পঢ়া উচিত। তদুপৰি নিজৰ লক্ষ্যত উপনীত হ'বলৈ হ'লে কষ্ট কৰিবই লাগিব। কষ্টৰ বিকল্প একো নাই। অনুষ্ঠানত অ'এনজিচিৰ উচ্চপদস্থ বিষয়া ড° অজয়লাল দত্তই কয় যে শিক্ষাৰ্থীসকলে সমাজৰ কাম কৰাৰ সমান্তৰালভাৱে নিজৰ কেৰিয়াৰ সন্দৰ্ভতো সঠিকভাৱে আগবাঢ়ি যোৱা উচিত। অনুষ্ঠানত ক্ৰীড়া সংগঠক মৃদল প্ৰৱণ জোন, সাংস্কৃতিক মহাসভাৰ যোৰহাট জিলাৰ সম্পাদক মৃদল শইকীয়া, সমাজকৰ্মী বিৰাজ দত্ত, অধ্যাপক অচ্যুত দত্ত, বন বিভাগৰ উপ-বন বিষয়া উত্তম ভৰালীকে ধৰি বহুকেইজনে ভাষণ প্ৰদান কৰে। ধৰ্মপ্ৰাণ ব্যক্তি তুলসীৰাম কলিতাই বন্তি প্ৰজ্বলন কৰা, সচিব অজন্ত কুমাৰ বৰাই আঁতধৰা অনুষ্ঠানত অঞ্চলটোৰ ৬০ গৰাকী শিক্ষাৰ্থীক আশিস পত্ৰ, এখন গ্ৰন্থ, এটি গছ পুলিৰে অভিনন্দন জনোৱা হয়। শিশু সাহিত্যিক সুনীল কুমাৰ শইকীয়া, কবি অশান্ত ৰাতুল দত্ত, গল্পকাৰ কুসুম শইকীয়া, সাংবাদিক প্ৰাঞ্জল কুমাৰ দত্ত, পুলিন তামুলী, শিক্ষক বিভূতি দত্ত, সমাজকৰ্মী শিৱনাথ বৰাকে ধৰি বহু লোক উপস্থিত থকা অনুষ্ঠানত ৰুষ্টিস্পৃহা কলিতাই লোকগীত, প্ৰিন্সিপ্ৰীয়া কলিতাই আধুনিক গীত, অদিভিত বৰাই কবিতা আবৃত্তি কৰে। অনুষ্ঠানত উদীয়মান খেলুৱৈ বিপ্লৱ হাজৰিকা, ক্ৰীড়া সংগঠক মৃদল প্ৰৱণ জোন, যুৱ সমাজকৰ্মী কৃষ্ণ কলিতাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে ৰীয়াৰাণী দত্তই। অভিনন্দন অনুষ্ঠান, সম্বৰ্ধনা অনুষ্ঠানৰ পৰিৱৰ্তে আশিস প্ৰদান নামকৰণ কৰাত উপস্থিত ৰাইজে শলাগ জ্ঞাপন কৰে।

## নিত্য ব্যৱহাৰ্য সামগ্ৰীত জিএছটি প্ৰত্যাহাৰৰ দাবী চিপিআইৰ

### ■ প্ৰধানমন্ত্ৰীলৈ স্মাৰকপত্ৰ

**অগ্ৰদূত বাৰ্তা**
**শিমলুগুৰি, ২ আগষ্ট ঃ** নিত্য ব্যৱহাৰ্য সামগ্ৰীত জিএছটি প্ৰত্যাহাৰৰ দাবী জনাই আজি ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ অসম ৰাজ্য পৰিষদৰ আহ্বানমৰ্মে ৰাজ্যজুৰি জিলা উপায়ুক্তৰ যোগেদি প্ৰধানমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰা হয়। পাৰ্টিৰ শিৱসাগৰ জিলা পৰিষদেও এটা সঁজাতী দলে জিলা উপায়ুক্তৰ জৰিয়তে এই স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰত প্ৰধানতঃ দাইল, চাউল, আটা, ঔষধকে ধৰি অতি প্ৰয়োজনীয় সামগ্ৰীসমূহৰ ওপৰত আৰোপ কৰা জিএছটি তৎকালে প্ৰত্যাহাৰ কৰিবলৈ দাবী জনোৱা হয়। সঁজাতী দলৰ নেতৃত্ব দিয়ে পাৰ্টিৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য তথা জিলা সম্পাদক কনক গগৈয়ে। অসম মহিলা সংঘৰ জিলা সম্পাদিকা অনুৰাধা গোহাঁই গগৈ আৰু নিখিল ভাৰত কৃষক সভাৰ জিলা সম্পাদক যোগেশ বুঢ়াগোহাঁইকে ধৰি ভালেকেইজন সদস্যই অংশ লয়। চৰকাৰক সমালোচনা কৰি কনক গগৈয়ে কয় যে এফালে চৰকাৰে একাংশক সন্তুষ্ট কৰাৰ কাম কৰিছে যদিও বেছিসংখ্যকেই সাধাৰণ জনতাৰ ওপৰত মাধমাৰ শোধোৱা কাম কৰিছে। কেৱল কৰ আৰোপ কৰি সাধাৰণ জনতাৰ পানীত হাঁহ নচৰা অৱস্থা সৃষ্টি কৰি পুঁজিপতি শ্ৰেণীক কৰ ৰেহাই দিছে। সেয়ে তেওঁ চৰকাৰক আনুপাতিক কৰ ব্যৱস্থাৰ পৰিৱৰ্তে ইতিবাচক কৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ দাবী জনায়।

## সাউদৰভিঠাত খেৰৌলা বিজনী আঞ্চলিক এবছুৰ ৮০ কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২ আগষ্ট ঃ** এবছুৰ খেৰৌলা বিজনী আঞ্চলিক সমিতিৰ উদ্যেগত কালি বাগ্‌সাৰ শালবাৰীৰ নিকটবৰ্তী সাউদৰভিঠাৰ সিব্ৰাই বাথৌ আশ্ৰম প্ৰেক্ষাগৃহত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা অনুষ্ঠান সম্পন্ন হয়। এবছুৰ খেৰৌলা বিজনী আঞ্চলিক সমিতিৰ সভাপতি জয়চৰণ নাৰ্জাৰীৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা জ্ঞাপনৰ সভাত সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। এবছুৰ শালবাৰী জিলা সমিতিৰ সভাপতি উমেশ দৈমাৰীয়ে উদ্বোধন কৰা সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° দিগন্ত নাৰ্জাৰীয়ে মুখ্য অতিথিৰূপে, এবছুৰ কেন্দ্ৰীয় সহকাৰী শিক্ষা সম্পাদক ৰোমিঅ' কুমাৰ বসুমতাৰীয়ে নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়াৰ লগতে শালবাৰী মহকুমা জনজাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ বিউটি বসুমতাৰী, এবছু নেতা ক্ৰমে মণিৰাম বৰগয়াৰী, কুমুদ বড়ো, ৰঞ্জিত স্বৰ্গীয়াৰী, সমাজকৰ্মী উপেন বসুমতাৰী, পুৰাৰাম মুছাহাৰী, উদাংশ্ৰী ফৰাইশালিৰ প্ৰধান শিক্ষক ৰঞ্জিত কুমাৰ বসুমতাৰীয়ে সন্মানীয় অতিথিৰূপে উপস্থিত থাকে। সম্বৰ্ধনা সভাৰ আঁত ধৰে এবছুৰ খেৰৌলা বিজনী আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক নৱজিৎ গয়াৰী আৰু শিক্ষা সম্পাদক নিজৌম বসুমতাৰীয়ে। উল্লেখ্য যে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত শালবাৰীৰ বৃহত্তৰ খেৰৌলা বিজনী অঞ্চলৰ পৰা কৃতিত্বৰে উত্তীৰ্ণ মুঠ ৮০ গৰাকী শিক্ষাৰ্থীক মানপত্ৰ, আৰনাই আদিৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে এবছুৰ খেৰৌলা বিজনী আঞ্চলিক সমিতিয়ে। সম্বৰ্ধনা সভাৰ আৰম্ভণিতে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু প্ৰতিচ্ছবিত মাল্যদান কৰে বিশিষ্ট সমাজকৰ্মী পুৰাৰাম মুছাহাৰীয়ে।

## গুৰুজনাৰ অপূৰ্ব সৃষ্টিৰাজি বৰগীতৰ আধ্যাত্মিক পৰিৱেশত বিলীন চতিয়া

### ■ নদুৱাৰ সংগীত বিদ্যাপীঠৰ উদ্যোগত
### ■ ১০ দিনীয়া বৰগীতৰ প্ৰশিক্ষণৰ সামৰণি



**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ/জামুগুৰিহাট, ২ আগষ্ট ঃ** আগষ্টৰ প্ৰথম দিনটোৰ সন্ধিয়াৰে পৰা চতিয়াৰ নগৰ অঞ্চল গুৰুজনাৰ অপূৰ্ব সৃষ্টিৰাজি বৰগীতৰ সুৰত এক আধ্যাত্মিক পৰিৱেশৰ মাজত বিলীন হৈ পৰে চতিয়াৰ নদুৱাৰ সংগীত বিদ্যাপীঠৰ উদ্যোগত বৰগীতৰ কৰ্মশালাৰ সামৰণি অনুষ্ঠান উপলক্ষে চতিয়া নাট্য ভৱনত অনুষ্ঠিত অনুষ্ঠানত নিশা শিকাৰু প্ৰশিক্ষাৰ্থী কণ কণ চেমনীয়া শিশুসকলৰ পৰা যুৱতী-মহিলাসকলৰ কণ্ঠৰে নিগৰা গুৰুজনাৰ সৃষ্টিৰাজি বৰগীতৰ সুৰ আৰু ধ্বনিয়ে অঞ্চলটোৰ চৌপাশ বিয়পাই তোলে। ১০ দিনীয়াকৈ অনুষ্ঠিত বৰগীতৰ প্ৰশিক্ষণ কালছোৱাত প্ৰশিক্ষাৰ্থীসকলক বৰগীতৰ কহৰী উৰ্দ্ধৰ, মন হজহু, বিৰিন্দামনে খেলত আৰু ঐছন মোহন' এই চাৰিটা ভাগত প্ৰশিক্ষণ প্ৰদান কৰে বৰপেটাৰ বায়ন বিজয় চন্দ্ৰ বায়নে। চতিয়া পৌৰসভাৰ পৌৰপতি দীপশিখা সন্দিকৈয়ে বন্তি প্ৰজ্বলনৰে আৰম্ভ কৰা অনুষ্ঠানত দুকুৰিৰো অধিক প্ৰশিক্ষাৰ্থীয়ে ইয়াৰ উপৰি অনুষ্ঠানত আমন্ত্ৰিত শিশু বাঁহীবাদক শিল্পী বেদান্ত ফুকনেও বাঁহীৰ সুৰত গোপালে কি... গতি কৈলে, গোবিন্দে.. শীৰ্ষক বৰগীত পৰিৱেশন কৰি উপস্থিত সহস্ৰাধিক ৰাইজক আপ্লুত কৰাৰ লগতে নদুৱাৰ সংগীত বিদ্যাপীঠৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত সত্ৰীয়া নৃত্যও মোহিত কৰে উপস্থিত দৰ্শকসকলক। উল্লেখ্য যে ১০ দিনীয়া বৰগীতৰ এই প্ৰশিক্ষণৰ কালছোৱাত গুৰুজনাৰ সৃষ্টিৰাজিৰ প্ৰতি আকৰ্ষিত হৈ ইছলাম ধৰ্মাৱলম্বী বহুকেইগৰাকী প্ৰশিক্ষাৰ্থীয়েও অংশগ্ৰহণ কৰি বৰগীতৰ প্ৰশিক্ষণ গ্ৰহণ কৰাৰ লগতে এককভাৱে বৰগীত পৰিৱেশন কৰি গুৰুজনাৰ সৃষ্টিৰাজি এই সম্পদক এক অনন্য মাত্ৰাও প্ৰদান কৰে। মন কৰিবলগীয়া যে সংগীত নাটক অকাডেমী (নতুন দিল্লী), সত্ৰীয়া কেন্দ্ৰ গুৱাহাটীৰ সহযোগত নদুৱাৰ সংগীত বিদ্যাপীঠৰ উদ্যোগত অনুষ্ঠিত ১০ দিনীয়া বৰগীতৰ কৰ্মশালাত অংশগ্ৰহণ কৰা শতাধিক ছাত্ৰ-ছাত্ৰীক একোখনকৈ প্ৰমাণপত্ৰও প্ৰমাণ কৰে উদ্যোক্তাসকলে। বৰগীতৰ সামৰণি অনুষ্ঠান উপলক্ষে বৰগীতৰ সুৰত আধ্যাত্মিক পৰিৱেশৰ মাজত সম্পূৰ্ণ এটি সন্ধ্যা নিজকে বিলীন কৰি দিবলৈ পাই সহস্ৰাধিক দৰ্শক ৰাইজ আনন্দিত হৈ পৰা পৰিলক্ষিত হয়।

## গৌৰীপুৰত মুছলমান সম্প্ৰদায়ৰ আৰক্ষীয়ে দাঙি ধৰিছে সম্প্ৰীতিৰ নিদৰ্শন

### থানা চৌহদত নিৰ্মাণ কৰিলে শিৱ মন্দিৰ

**অগ্ৰদূত বাৰ্তা**
**গৌৰীপুৰ, ২ আগষ্ট ঃ** গৌৰীপুৰ আৰক্ষী থানাৰ দাওভাংগীত হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰিছে এজন মুছলিম সম্প্ৰদায়ৰ আৰক্ষী বিষয়াই। আৰক্ষী বিষয়াজন দাওভাংগী আৰক্ষী টহলদাৰী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া জাহান উদ্দিন। আৰক্ষী চকী চৌহদত হিন্দু ধৰ্মাৱলম্বী আৰক্ষীৰ উপাসনাৰ বাবে নাছিল মন্দিৰ। আৰক্ষী চকী চৌহদত এটা মন্দিৰ নিৰ্মাণৰ বাবে তেওঁ ইচ্ছা প্ৰকাশ কৰি জিলা প্ৰশাসনৰ পৰা অনুমতি বিচাৰি এখন আবেদন দাখিল কৰিছিল। জিলা প্ৰশাসনে অনুমতি প্ৰদান কৰাৰ পাছতে শিৱ মন্দিৰটো নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছিল ধুবুৰী জিলা আৰক্ষী অধীক্ষক অভিজিৎ দিলীপ গৌৰৱে। তাৰ পাছতে স্থানীয় ধৰ্মপ্ৰাণ লোকৰ সহযোগত প্ৰায় আঠ-নমাহৰ ভিতৰতেই উক্ত শিৱ মন্দিৰটো নিৰ্মাণ কৰে আৰক্ষী বিষয়াজনে। স্থানীয় ৰাইজৰ সহযোগত আৰক্ষী বিষয়াজনৰ তত্বাৱধানত শিৱ মন্দিৰটো নিৰ্মাণৰ কাম অলপতে সম্পন্ন কৰা হয়। কালি প্ৰথমবাৰৰ বাবে পূজা-অৰ্চনা কৰি মন্দিৰটো উদ্বোধন কৰে ধুবুৰী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক বিদ্যুৎ বৰভূঞাই। আৰক্ষী বিষয়া জাহান উদ্দিনে ৰাইজৰ সহযোগিতাত আৰক্ষী চকী চৌহদত শিৱ মন্দিৰটো নিৰ্মাণ কৰাত স্থানীয় ৰাইজৰ প্ৰশংসা লাভ কৰে।

## অভয়াপুৰীৰ মিলিজুলি আত্মসহায়ক গোটে প্ৰস্তুত কৰিছে এহেজাৰ পতাকা

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ২ আগষ্ট ঃ** স্বাধীনতাৰ অমৃত মহোৎসৱ উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানমৰ্মে ১৩ৰ পৰা ১৫ আগষ্টলৈ প্ৰতিটো ঘৰ, কাৰ্যালয় তথা ব্যৱসায়িক প্ৰতিষ্ঠানত উৰিব ৰাষ্ট্ৰীয় পতাকা। অসমতো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই অভিযান সফল কৰি তুলিবলৈ ৰাইজলৈ আহ্বান জনাইছে। এই বৃহৎ সংখ্যক পতাকাৰ চাহিদা পূৰণ কৰিবলৈ আগবাঢ়ি আহিছে ৰাজ্যখনৰ বিভিন্ন আত্মসহায়ক গোটসমূহেও। তেনেদৰে বঙাইগাঁও জিলাৰ অভয়াপুৰী চহৰৰ ১১ নম্বৰ ৱাৰ্ডৰ 'মিলিজুলি আত্মসহায়ক গোট'ৰ ১০ সদস্যই প্ৰস্তুত কৰিছে ৰাষ্ট্ৰীয় পতাকা। এই পতাকা প্ৰস্তুত কৰি কোনো ধৰণৰ লাভ নোলোৱাকৈ অকল মূলধনৰ বিনিময়ত এহেজাৰ পতাকা অভয়াপুৰী চহৰ আৰু পাৰ্শ্বৱৰ্তী অঞ্চলত যোগান ধৰাৰ সংকল্প লৈছে আত্মসহায়ক গোটটোৱে। এনেদৰেই পতাকা প্ৰস্তুতকৰণেৰে দেশৰ প্ৰতি থকা শ্ৰদ্ধা নিবেদন কৰিব বিচাৰিছে আত্মসহায়ক গোটটোৱে।

## উত্তৰ-পূব সৰুক্ষেত্ৰী গাঁও পঞ্চায়তত বিশেষ গাঁওসভা



**অগ্ৰদূত বাৰ্তা**
**সৰ্থেবাৰী, ২ আগষ্ট ঃ** বৰপেটা জিলাৰ সৰুক্ষেত্ৰী উন্নয়ন খণ্ডৰ অধীনস্থ ১৪ নম্বৰ উত্তৰ-পূব সৰুক্ষেত্ৰী গাঁও পঞ্চায়তত আজি এখন বিশেষ গাঁওসভা অনুষ্ঠিত হয়। পঞ্চায়তখনৰ সভাপতি মানৱ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত গাঁওসভাত সমাগত স্বাধীনতা দিৱস উপলক্ষে পঞ্চায়তখনৰ প্ৰতিটো পৰিয়ালৰ ঘৰে ঘৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন, জল জীৱন মিছন আঁচনিৰ অধীনত হ'ব লগা 'হৰ ঘৰ জল' আদি বিষয়ৰ ওপৰত আলোচনা কৰা হয়। সভাত সৰুক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সদস্য তথা সমাজকৰ্মী ধীৰাজ ভূঞাই পঞ্চায়তখনৰ প্ৰতিটো পৰিয়ালকে স্বাধীনতা দিৱস উপলক্ষে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দেশৰ প্ৰতি শ্ৰদ্ধা আৰু ভালপোৱা প্ৰদৰ্শন কৰাৰ বাবে আহ্বান জনায়। সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পৰা খণ্ড সমন্বয়ক গুণজিৎ চৌধুৰীয়ে জল জীৱন মিছন অভিযানৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। এই সভাত পঞ্চায়তখনৰ অন্তৰ্গত কাৰাকুছি গাঁওখনৰ প্ৰতিটো পৰিয়াল কাৰ্যক্ষম নল সংযোগৰ দ্বাৰা সংযোজিত হোৱা বুলি ঘোষণা কৰা হয় আৰু এই ক্ষেত্ৰত পঞ্চায়তখনে প্ৰমাণপত্ৰ প্ৰদান কৰে। সভাই পঞ্চায়তখনৰ উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান নৱজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়খন আন বিদ্যালয়ৰ স'তে একত্ৰীকৰণৰ বাবে চৰকাৰে যুগুত কৰা প্ৰস্তাৱৰ বিৰোধিতা কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি এই প্ৰস্তাৱ পুনৰ বিবেচনা কৰিবলৈ অনুৰোধ জনাই প্ৰস্তাৱ গ্ৰহণ কৰে। সভাপতিৰ ভাষণত মানৱ চৌধুৰীয়ে দেশৰ স্বাধীনতা আন্দোলনত প্ৰাণ আহুতি দিয়া ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি প্ৰতিটো পৰিয়ালকে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ বাবে আহ্বান জনায়। সভাত বিভিন্ন গাঁৱৰ গাঁওবুঢ়া, মহিলা আত্মসহায়ক গোটৰ সদস্যকে ধৰি শতাধিক লোক উপস্থিত থাকে।

## শংকৰদেৱ সংঘ ছিপাঝাৰ প্ৰাথমিক শাখাৰ সোণালী জয়ন্তীৰ আদৰণি সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**
**ছিপাঝাৰ, ২ আগষ্ট ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ ধৰ্মীয় গণতান্ত্ৰিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দৰং জিলাৰ আটাইতকৈ পুৰণি প্ৰাথমিক শাখা ছিপাঝাৰ প্ৰাথমিক শাখাই পুচ বছৰ অতিক্ৰম কৰিলে।সেয়ে আগন্তুক জানুৱাৰীৰ ২১-২২ আৰু ২৩ তাৰিখে সোণালী জয়ন্তী উদ্‌যাপনৰ বাবে যোৱা ৩১ জুলাইত অনুষ্ঠিত এখন ৰাজহুৱা সভাত ৩৫ গৰাকী সদস্য আৰু ১২খন উপ-সমিতিক লৈ এখন আদৰণি সমিতি গঠন কৰা হয়। সভাৰ সিদ্ধান্ত মৰ্মে চন্দ্ৰ কুমাৰ বণিয়া সভাপতি, ফটিক চন্দ্ৰ বৰুৱা কাৰ্যকৰী সভাপতি, তিলক চন্দ্ৰ চহৰীয়া, কুশল বৰুৱা আৰু যামিনী ডেকাক উপ-সভাপতি জয়ন্ত হাজৰিকা সম্পাদক আৰু অনিল কুমাৰ বণিয়া, মাধব চন্দ্ৰ ডেকা, সঞ্জীৱ ডেকাক সহকাৰী সম্পাদকৰূপে দায়িত্ব অৰ্পন কৰি এখন আদৰণি সমিতি গঠন কৰা হয়। আগন্তুক সোণালী জয়ন্তী সমাৰোহত ভক্তপ্ৰাণ ৰাইজৰ আন্তৰিক সহযোগিতা আদৰণি সমিতিয়ে কামনা কৰিছে।

### ৰাইজে হাতে-লোটে ধৰি গতালে আৰক্ষীক

## নাজিৰাত অনৈতিক কাৰ্যত লিপ্ত যুৱক ধৃত

**অগ্ৰদূত বাৰ্তা**
**শিমলুগুৰি, ২ আগষ্ট ঃ** যোৱা নিশা প্ৰায় ন বজাত নাজিৰা নগৰৰ মাজমজিয়াস্থ চৰকাৰী বাছ আস্থানৰ কাষত দুজন যুৱকে এগৰাকী যুৱতীৰ স'তে ৰাজপথৰ কাষত অনৈতিক কাৰ্যত লিপ্ত থকা অৱস্থাত প্ৰত্যক্ষ কৰি প্ৰশ্ন কৰোতেই যুৱক দুজনে উপৰ্যুপৰি মাৰধৰ কৰাত ৰাজেন মেছ নামৰ স্থানীয় যুৱকজন গুৰুতৰভাৱে আহত হয়। আহত যুৱকজনে চিঞৰ-বাখৰ কৰাত স্থানীয় ৰাইজ ওলাই অহাত আন্ধাৰৰ সুযোগ লৈ যুৱতীগৰাকীক লৈ এজন যুৱক পলাই যায় যদিও আদিত্য শৰ্মা নামৰ অনৈতিক কাৰ্যত লিপ্ত থকা যুৱকজনক ৰাইজে ধৰি উত্তম-মধ্যম শোধাই নাজিৰাৰ আৰক্ষীক গতাই দিয়ে। আৰক্ষীয়ে অনৈতিক কাৰ্যত লিপ্ত থকা শৰ্মাক আটক কৰাৰ লগতে আহত ৰাজেনক চিকিৎসাৰ ব্যৱস্থা কৰে। আজি কিছুদিনৰ পৰা নাজিৰা নগৰত আৰক্ষীয়ে দিনে-নিশাই দুচকীয়া বাহন আদিত অভিযান তীব্ৰতৰ ৰূপত অব্যাহত ৰখাৰ সময়তে ৰাজপথৰ মাজতে এনেদৰে যুৱক-যুৱতীয়ে অনৈতিক কাৰ্যত লিপ্ত হোৱাৰ ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

## ম'বাইল-ইণ্টাৰনেট অনলাইন গেমৰ বাবে শিশু ট্ৰেফিকিঙৰ বলি

### ■ ধেমাজি ৰাজহুৱা প্ৰেক্ষাগৃহত ৰাজ্যিক শিশু সুৰক্ষা আয়োগৰ কৰ্মশালা

**ধেমাজি, ২ আগষ্ট ঃ** ধেমাজি ৰাজহুৱা প্ৰেক্ষাগৃহত কালি অসম ৰাজ্যিক শিশু সুৰক্ষা আয়োগৰ আহ্বানত 'চেলিব্ৰেচন অন্ দ্য অকেজন অৱ ৱৰ্ল্ড দে এগেইনষ্ট ট্ৰেফিকিং ইন পাৰ্চনছ' কাৰ্যসূচী অনুষ্ঠিত হয়। বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা সভাত আমন্ত্ৰিত অতিথিক সম্বৰ্ধনা জনোৱাৰ পাছতে অসম ৰাজ্যিক শিশু সুৰক্ষা আয়োগৰ সদস্যা ড° পিলু হাজৰিকাই আদৰণি ভাষণ প্ৰদান কৰি মানৱ সৰবৰাহ আৰু শিশু সৰবৰাহ ৰোধ সম্পৰ্কত সমাজৰ ল'ব লগা সচেতনতা সম্পৰ্কত আৰু শিশু অধিকাৰ আইনৰ সম্পৰ্কত বিস্তৃতভাৱে বৰ্ণনা কৰা হয়। সাম্প্ৰতিক সময়ত ম'বাইল ইণ্টাৰনেটৰ অনলাইন গেম ইত্যাদিৰ অপপ্ৰয়োগৰ বাবেই শিশুসকলক প্ৰলোভিত কৰি অধিক শিশু ট্ৰেফিকিঙৰ বলি হ'ব লগা হয় বুলি তেওঁ উল্লেখ কৰে। এই ক্ষেত্ৰত সভাত উপস্থিত সকলো শিক্ষক সমাজ, দল-সংগঠনক সজাগতা বৃদ্ধিত অধিক গুৰুত্ব দিবলৈ আহ্বান জনোৱা হয়। মুখ্য অতিথিৰ ভাষণত ধেমাজিৰ আৰক্ষী অধীক্ষক ৰঞ্জন ভূঞাই অসম-অৰুণাচল সীমান্তৱৰ্তী জিলা হিচাপে নহয় কিন্তু ধেমাজিত বেছিকৈ অৰুণাচললৈ কৰ্মসূত্ৰে গৈ অধিক শিশু আৰু মানৱ সৰবৰাহ সংঘটিত হয় বুলি কয়। এই ক্ষেত্ৰত উদ্ধাৰ অভিযানৰ কামত অৰুণাচল আৰক্ষীয়ে যথেষ্ট পৰিমাণে সহযোগিতা আগবঢ়াই আহিছে বুলি তেওঁ সদৰী কৰে। এই অনুষ্ঠানতেই ধেমাজিৰ অতিৰিক্ত উপায়ুক্ত যাদৱ পেগু আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক গৌৰৱ আগৰৱালে আজিৰ যুগত ফেচবুকৰ অপপ্ৰয়োগৰ ফলতেই বন্ধুত্ব গঢ়াৰ চেলু লৈ মানৱ সৰবৰাহকাৰীয়ে অধিক সুযোগ পোৱা বুলি উল্লেখ কৰে। ইয়াৰ বাবে অভিভাৱক-অভিভাৱিকাৰ সচেতনতাৰ যথেষ্ট প্ৰয়োজন বুলি ৰাইজক সজাগ হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত জিলা পৰিষদৰ চি অ' প্ৰফুল্ল দেউৰী, অসম ৰাজ্যিক শিশু সুৰক্ষা আয়োগৰ সদস্য অজয় কুমাৰ দত্ত আদিও উপস্থিত থাকে।

## গড়মূৰ চোমনি গাঁৱত ভূপেন বড়া সোঁৱৰণী সংগীত কৰ্মশালাৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**
**শিমলুগুৰি, ২ আগষ্ট ঃ** শিমলুগুৰি বাঁহগড়ৰ সংগীত শিল্পী ভূপেন বড়াৰ সোঁৱৰণীত সংগীতৰ এটি ১৫ দিনীয়া কৰ্মশালা অনুষ্ঠিত হোৱাৰ পাছত গড়মূৰ চোমনি গাঁৱৰ উদয়ন সংঘৰ প্ৰেক্ষাগৃহত সামৰণি অনুষ্ঠান সম্পন্ন হয়। শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগ গগৈৰ সভাপতিত্বত অনুষ্ঠিত সামৰণি অনুষ্ঠানত জ্যোতি প্ৰসাদ আগৰৱালাৰ জীয়ৰী জয়শ্ৰী চলিহাই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে। শিক্ষক, সমাজকৰ্মী বৈকুণ্ঠ বৰকাকতিয়ে উদ্বোধন কৰা সামৰণি অনুষ্ঠানত কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সংগীতৰ কৰ্মশালাত অংশগ্ৰহণ কৰাসকলে গীত, নৃত্য পৰিৱেশন কৰে। সভাত দেৱ হাজৰিকা, অনুপ্ৰভা বড়া, মহেন্দ্ৰ ফুকন প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।




## ঘৰচিৰিকা অ' ঘৰচিৰিকা



লগাই কোঢ়ালখন
ভাঙি দিয়ে পুৱতি নিশাৰ
মজাৰ টোপনিকণ।
পিৰিক পাৱাক চকু মাৰি
ইফালে সিফালে চায়
ক'ত কি পৰি আছে
খাবলৈ কিনো পায়!
মুগা, মটিয়া পাতল ৰঙৰ
দেখিবলৈ কণমানি
চিৰিক চিৰিক মাতটো মাতি
ধৰাখন কৰে শুৱনি।
ভাল পায় খাই পোক-পৰুৱা
আৰু ধান, চাউল,মাহ
ঘৰৰ মূধচত থাকিবলৈ
নিতৌ সাজে বাহ।
কণমানি হিয়াখনি
পৰিশ্ৰমী মন
দেও দি দি কৰি ফুৰে
সকলো কাম-বন।

সুখ, শান্তিৰ প্ৰতীক
বুলি সকলোৱে কয়
২০ মাৰ্চত দিৱস হিচাপে
সিহঁতৰ পালন কৰা হয়।
জাক পাতি ধৰাৰ বুকুত
মিলনৰ গীত জুৰে
জঁপিয়াই জঁপিয়াই সকলোৰে
মনত আনন্দ দি ফুৰে।

**ঝৰ্ণালী শৰ্মা বৰকটকী**
তেজপুৰ বিশ্ববিদ্যালয় চৌহদ



সম্প্ৰীতি শৰ্মা, তৃতীয় শ্ৰেণী, ৰুক্মিণীগাঁও।



ভাস্কৰণ বৰা, শিক্ষা জুনিয়ৰ পাব্লিক স্কুল, পাঞ্জাবাৰী।

সাধু



## এজন সৎ লোকৰ কথা

**এখন** গাঁৱত এহাল বুঢ়া-বুঢ়ী আছিল। তেওঁলোক বৰ দুখীয়া আছিল। যদিও তেওঁলোক দুখীয়া আছিল, কিন্তু বৰ সৎ আৰু পৰিশ্ৰমী আছিল। সতি-সন্ততি নথকা ঘৰখনত দুয়োজনে সমানে পৰিশ্ৰম কৰিছিল। বুঢ়ীয়ে আৰ-তাৰ ঘৰত কাম বন কৰিছিল আৰু বুঢ়াই হাবিলৈ গৈ খৰি কাটি সেয়া বজাৰত বিক্ৰী কৰি ঘৰখনৰ তত মাৰিছিল। এনেকৈয়ে তেওঁলোক দুয়ো সুখে-সন্তোষে দিন পাৰ কৰিছিল। এদিন বুঢ়াই বুঢ়ীক ক'লে, 'বুঢ়ী, তই আজি কামলৈ যাব নালাগে। ঘৰতে যি আছে তাকে দুটামান ৰান্ধি খাই ঘৰতে থাক। মোক তই কেইটামান চিৰা আৰু এলদা গুড়ৰে স'তে এটা টোপোলা বান্ধি দে। মই হাবিলৈ খৰি কাটিবলৈ যাওঁ।' বুঢ়াৰ উদফাই ৰোগ থকা কাৰণে বুঢ়ীৰ তেওঁক যাবলৈ দিবৰ মন নাছিল। যদিও বুঢ়াই বুঢ়ীৰ কথা নুশুনি তেওঁ বান্ধি দিয়া চিৰাকেইটা জোলোঙা এটাত ভৰাই হাবিলৈ খৰি কাটিবলৈ গ'ল। তেওঁ খৰি কাটি থাকোতে হঠাৎ এজোপা প্ৰকাণ্ড পাকৰি গছৰ তলত এটা টোপোলা দেখা পালে। বুঢ়াই টোপোলাটো খোলাত তাত অজস্ৰ সোণৰ মুদ্ৰা দেখা পালে। বুঢ়াই বৰ ভয় খালে। টোপোলাটো যেনেকৈয়ে আছে তেনেদৰেই থৈ পুনৰ খৰি কটাত মন দিলে। ক্ষন্তেক সময়ৰ পাছতে ক'ৰবাৰ পৰা এজনী ছোৱালী আহি তেওঁক সুধিলে, 'বৰদেউতা, এইখিনিতে মোৰ এটা টোপোলা হেৰাইছিল। আপুনি দেখা পাইছিল নেকি?' উত্তৰত বুঢ়াই ছোৱালীজনীৰ মুখলৈ চাই ক'লে, 'হয় মাজনী, মই সৌ গছজোপাৰ তলতে এটা টোপোলা দেখা পাই তাত কি আছে চাইছিলো। সম্ভৱ সেইটো তোমাৰে হ'ব।' ছোৱালীজনীয়ে টোপোলাটো হাতত লৈ ক'লে, 'হয়, এইটো মোৰে টোপোলা।' টোপোলাটো হাতত লৈয়েই ছোৱালীজনী চকুৰ পচাৰতে এজনী দীপলিপ পৰীলৈ পৰিৱৰ্তিত হ'ল। বুঢ়াই তৰ্কিবই নোৱাৰিলে। পৰীৰূপী ছোৱালীজনীয়ে বুঢ়াক ক'লে, 'বৰদেউতা, আপোনাৰ সততাৰ কথা মই ইমানদিনে শুনিহে আছিলো। আজি তাৰ প্ৰমাণ পালো আৰু সেইকাৰণে মোৰ এই অক্ষয় স্বৰ্ণ মুদ্ৰাৰ টোপোলাটো আপোনাক দান হিচাপে দিলো। আপুনি এই টোপোলাটোত থকা সোণৰ মুদ্ৰাখিনি লৈ গৈ বৰমাৰ লগত সুখে-সন্তোষে দিন কটাওকগৈ। এতিয়াৰ পৰা আপোনাৰ কোনো দুখ নহয়।' কথাখিনি কৈয়েই চকুৰ পচাৰতে পৰীজনী অন্তৰ্ধান হ'ল। বুঢ়াই সন্তোষ মনেৰে টোপোলাটো লৈ ঘৰলৈ বুলি বাট ল'লে। সাধুটোৰ পৰা আমি ইয়াকে বুজি পালো যে সততাত থাকিলে ঈশ্বৰেও সহায় কৰে।

**বিতোপন বৰা**
সপ্তম শ্ৰেণী, জামুগুৰি হায়াৰ ছেকেণ্ডাৰী, শোণিতপুৰ

## আশা

মানুহৰ জীৱনত থাকে বহুত আশা
প্ৰত্যকৰে জীৱনৰ আশা সুকীয়া সুকীয়া,
মোৰ জীৱনতো আছে বহুত আশা
নানা ৰঙী সেই আশাৰ
বহু শাখা- প্ৰশাখা।
এতিয়াতো মই বহুত সৰু হৈ আছো
মন প্ৰাণ সপি দি মাথোঁ
পঢ়া শুনা কৰিছো,
যেতিয়া ডাঙৰ হ'ম তেতিয়া মই
ঘৰৰ সকলোৰে আশা
পূৰ কৰিম নিশ্চয়!
আশা আছে মোৰ
ভাল মানুহ হ'বলৈ
মা-দেউতাৰ সপোনবোৰ
বাস্তৱ কৰিবলৈ।
গাওঁখনৰ বাবেও মোৰ
ভাল কাম কৰাৰ মন
ল'লো আজি হৃদয়ত বান্ধি
সফল হোৱাৰ পণ।

**গায়ত্ৰী ৰায়**
দশম শ্ৰেণী, বাপুজী হাইস্কুল

## কাছৰ নামৰ পাৰ্থক্য

**কাছৰ** বিষয়ে বাৰু কিমান জানা? বহু বছৰলৈকে জীয়াই থাকিব পৰা এইবিধ উভচৰ প্ৰাণীৰ উৎপত্তি এক কোটি ৫৭ লাখ বছৰৰ আগতেই হোৱা বুলি বিজ্ঞানীসকলে ধাৰণা কৰে। কাছৰ পিঠিত থকা টান খোলাটোক চলং বা ইংৰাজীত কাৰাপেচ বুলি কয়। সেইদৰে ইহঁতৰ তলৰ ফালেও প্ৰায় একেধৰণৰ কঠিন কবচ থাকে, যাক ইংৰাজীত কোৱা হয় 'প্লাছট'ন'। বিপদৰ আশংকা দেখিলে কাছই চলঙৰ ভিতৰত মূৰটো ভৰাই থয়। কিন্তু এনে কাৰ্য সকলো প্ৰজাতিৰ কাছৰ বাবে সম্ভৱ নহয়। বিশ্বৰ সবাতোকৈ ডাঙৰ প্ৰজাতিৰ কাছ হ'ল লেদাৰবেক ছি টাৰ্টল। ইহঁতৰ সৰ্বাধিক ওজন ৯০০ কেজি। সাগৰত বাস কৰা কাছৰ শৰীৰত এক প্ৰকাৰৰ বিশেষ গ্ৰন্থি থাকে। সেই গ্ৰন্থিৰ সহায়তে কাছই নিজে খোৱা পানীৰ পৰা সাগৰৰ নিমখ আঁতৰাই লয়।

তোমালোকে হয়তো জানা যে কাছক ইংৰাজীত টৰটয়জ (Tortoise) আৰু টাৰ্টল (Turtle) বুলি কয়। অসমীয়াত দুয়োটা শব্দৰ অৰ্থ কাছ বুলিয়েই ধৰা হয়। কিন্তু ইংৰাজীৰ দুয়োটা শব্দৰ মাজত এটা পাৰ্থক্য আছে। মাটিত বাস কৰা কাছক টৰটয়জ আৰু পানীত বাস কৰা কাছক টাৰ্টল বুলি কয়। বিশ্বত বৰ্তমান ৩২৭টা প্ৰজাতিৰ কাছ আছে। ইয়াৰে কেতবোৰ প্ৰজাতি বিলুপ্ত হোৱাৰ উপক্ৰম ঘটিছে। বিলুপ্তিৰ দিশলৈ আগবঢ়া কিছুমান



প্ৰজাতি হ'ল— আফ্ৰিকান ছাইডনেক টাৰ্টল, বক্স টাৰ্টল, ডায়মণ্ডবেক টেৰাপিন, মাস্ক টাৰ্টল, ইণ্ডিয়ান পিক'ক ছফ্‌টশ্বেল্ড টাৰ্টল, মাড টাৰ্টল আদি।

## পৰীক্ষিত ৰজাৰ কাহিনী

*(যোৱা সংখ্যাৰ পাছৰ পৰা)*

কাশ্যপ উভতি যোৱাৰ লগে লগে তক্ষকে এজন ব্ৰাহ্মণৰ ৰূপ ধাৰণ কৰিলে। ব্ৰাহ্মণৰূপী তক্ষকে গৈ পৰীক্ষিত ৰজাৰ ওচৰ পালেগৈ। ব্ৰাহ্মণৰূপী তক্ষকক ৰজাক পহৰা দি থকা সৈন্যসকলে কোনো বাধা প্ৰদান নকৰিলে। সেই সময়ত ৰজাই একান্তমনে কৃষ্ণক ধ্যান কৰি আছিল। ব্ৰাহ্মণৰূপী তক্ষকে ঘপহকৈ নিজৰ ৰূপ ধাৰণ কৰি ৰজাৰ ভৰিত খোঁট মাৰিলে। ৰজাৰ নিমিষতে প্ৰাণবায়ু উৰি গ'ল। এনেদৰে ধাৰ্মিক, মহাপৰাক্ৰমী, প্ৰজাৰঞ্জক, বিষ্ণু ভক্ত ৰজা পৰীক্ষিতৰ আত্মা পৰমেশ্বৰ কৃষ্ণত বিলীন হ'ল। পৰীক্ষিত ৰজাৰ মৃত্যুৰ লগে লগে ঋষি-মুনি আৰু দেৱতাসকলে তেওঁৰ নশ্বৰদেহত আকাশৰ পৰা ফুল ছটিয়াই, মন্ত্ৰ মাতি শংখধ্বনি বজালে। পৰীক্ষিত ৰজাৰ আত্মা কৃষ্ণত বিলীন হোৱা বুলি জানি ঋষি-মুনিসকলে পৰীক্ষিত ৰজাৰ গুণ বখানি নিজ নিজ আশ্ৰমলৈ বাট ল'লে। পুত্ৰ জন্মেজয়ে পিতৃৰ প্ৰেতকৰ্ম সমাধা কৰিলে।

পৰীক্ষিতৰ পুত্ৰ জন্মেজয়ো পিতৃৰ দৰে বিষ্ণুভক্ত ধাৰ্মিক আৰু মহা পৰাক্ৰমী ৰজা আছিল। তেওঁ প্ৰজাক নিজ পুত্ৰৰ দৰে পালন কৰিছিল। পৰীক্ষিত ৰজা স্বৰ্গগামী হোৱাৰ কিছুদিনৰ পাছতে এটা ঘটনা ঘটিল। কাশ্যপ আৰু তক্ষকে পতা কথা-বতৰা এজন খৰিকটীয়াই শুনি আছিল। খৰিকটীয়াজনে এদিন ৰাজসভালৈ আহি ৰজা জন্মেজয়ক সকলো কথা বিবৰি ক'লে। খৰিকটীয়াৰ কথা শুনি ৰজা জন্মেজয়ৰ খুব খং উঠিল। মুনিৰ অভিশাপ ৰক্ষা কৰিবৰ বাবে তেওঁৰ পিতৃ পৰীক্ষিতক দংশন কৰাটো তক্ষকে কোনো অপৰাধ কৰা নাই বুলি ৰজাই ভাবিছিল। কিন্তু যেতিয়া ৰজা জন্মেজয়ে গম পালে যে তেওঁৰ পিতৃক বচাবলৈ অহা কাশ্যপক তক্ষকে ধন-সোণ দি ঘূৰাই পঠিয়াইছিল, তেতিয়া ৰজা জন্মেজয় অগ্নিশৰ্মা হ'ল। তেওঁ



সমগ্ৰ সৰ্পকুল বিনাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। তেওঁ গুণী-জ্ঞানী পূজাৰীসকলক নিমন্ত্ৰণ কৰি আনি তেওঁ সৰ্প নিধনৰ বাবে যজ্ঞ পাতিলে। যজ্ঞৰ মন্ত্ৰৰ প্ৰভাৱত বহুতো সৰ্প আহি যজ্ঞৰ অগ্নিকুণ্ডত জঁপিয়াই প্ৰাণ আহুতি দিবলৈ বাধ্য হ'ল। এই কথাত ভয় খাই তক্ষকে প্ৰাণৰ ভয়ত দেৱৰাজ ইন্দ্ৰৰ সহায় বিচাৰিলে। দেৱৰাজে তক্ষকক ক'লে, 'তুমি সহায় বিচাৰিছা যেতিয়া মই সহায় কৰিবই লাগিব। নহ'লে মোক জগতে হাঁহিব।' দেৱৰাজে তক্ষকক অমৃত পান কৰিবলৈ দি অমৰত্ব প্ৰদান কৰালে। তাৰ পাছত ইন্দ্ৰই ক'লে, 'তোমাক মই সকলো প্ৰকাৰে সহায় কৰিম, তুমি চিন্তা কৰিব নালাগে।' দেৱৰাজে অভয় প্ৰদান কৰাতো তক্ষকৰ মনৰ পৰা ভয় ভাব আঁতৰ নহ'ল। তেওঁ ইন্দ্ৰৰ সিংহাসনৰ খুৱাত মেৰাই ধৰি থাকিল। ইফালে, তক্ষক যজ্ঞলৈ নহাত জন্মেজয়ে পূজাৰীসকলক তক্ষকৰ নাম লৈ মন্ত্ৰ মাতিবলৈ কোৱাত পূজাৰীসকলে পৰীক্ষিত ৰজাক দংশন কৰা তক্ষক বুলি নাম লৈ মন্ত্ৰ মাতিলে। তেতিয়াও তক্ষক যজ্ঞকুণ্ডত আহি নোপোৱাত পূজাৰীসকলে গণনা কৰি ক'লে, 'হে মহাৰাজ, তক্ষকে আপোনাৰ ভয়ত পলাই গৈ দেৱৰাজ ইন্দ্ৰৰ আশ্ৰয় লৈছেগৈ। বৰ্তমানে ইন্দ্ৰৰ সিংহাসনৰ খুৱাত মেৰিয়াই ধৰি আছে।' জন্মেজয়ে তেতিয়া ইন্দ্ৰসহ তক্ষকক যজ্ঞকুণ্ডলৈ আনিবৰ বাবে মন্ত্ৰ পাঠ কৰিবলৈ কোৱাত পূজাৰীসকলে তেনেকৈয়ে মন্ত্ৰ মতাত সিংহাসনসহ ইন্দ্ৰ আৰু তক্ষক যজ্ঞকুণ্ডলৈ আহিবলৈ বাধ্য হ'ল। তেতিয়া ইন্দ্ৰই ভয়তে দেৱগুৰু বৃহস্পতিৰ সহায় বিচাৰি নানা ধৰণে কাকুতি-মিনতি কৰিলে। কথা বিষম দেখি দেৱগুৰুৱে ততালিকে জন্মেজয়ৰ ওচৰলৈ আহি সবিনয়ে ক'লে, 'ৰাজন, তুমি বিষ্ণুৰ মহাভক্ত। তুমি বিষ্ণুৰ অংশজাত। তোমাৰ পিতৃ পৰমেশ্বৰ কৃষ্ণৰ ভাগিন। তদুপৰি তুমি মহাবীৰ অৰ্জুনৰ পৰিনাতি। তুমি দেৱৰাজ ইন্দ্ৰৰ শত্ৰুতা নকৰিবা। তক্ষকক দেৱৰাজে অমৃত খুৱাই অমৰ কৰিছে। তোমাৰ পিতৃৰ সৰ্প দংশনত মৃত্যু হ'ব বুলি ভাগ্যত লিখা আছিল বাবে সৰ্প দংশনত মৃত্যু হৈছে। মুনিপুত্ৰ, তক্ষক আদি কাৰণ মাত্ৰ। সকলো পৰমেশ্বৰ কৃষ্ণৰ ইচ্ছাতেই হৈছে।' দেৱগুৰু বৃহস্পতিৰ বুজনিত ৰজা জন্মেজয়ৰ খং মাৰ গ'ল। তেওঁ পূজাৰীসকলক পূজা সমাপ্ত কৰিবলৈ নিৰ্দেশ দি দেৱগুৰু বৃহস্পতিক স-সন্মানেৰে বিদায় দিলে। দেৱগুৰুৱেও জন্মেজয়ক আশীৰ্বাদ প্ৰদান কৰিলে। পৰীক্ষিত ৰজাৰ কাহিনী ইমানতে শেষ হ'ল। শুকমুনিয়ে ৰজা পৰীক্ষিতক সমস্ত ভাগৱত শাস্ত্ৰ শ্ৰৱণ কৰাইছিল। এই ভাগৱতত অনেক ৰসাল আৰু নীতি কথাৰে ভৰপূৰ কাহিনী আছে। এই সকলো কাহিনী আগন্তুক সংখ্যাসমূহত ধাৰাবাহিকভাৱে প্ৰকাশ কৰা হ'ব। (সমাপ্ত)

## সুবৰ্ণময় শৈশৱ হিৰন্ময় বৈভৱ

**ড° নমিতা ডেকা**

**বিশ্বৰ** সাহিত্যৰ পথাৰত স্ক্যাণ্ডিনেভিয়ান সাহিত্যৰ বিশেষ মূল্য আছে। হেনৰিক ইবচেন,গুয়মান্দুৰ কাম্বান, জি হেগ্‌লিন, ক্ৰিষ্টমান আদি লেখকৰ দ্বাৰা স্ক্যাণ্ডিনেভিয়ান সাহিত্যই বিশেষ প্ৰসাৰ লাভ কৰিছিল। স্বদেশৰ পৰিধি পাৰ হৈ বিদেশতো অতি জনপ্ৰিয় গৈ পৰা আন এগৰাকী স্ক্যাণ্ডিনেভিয়ান সাহিত্যিক হ'ল হালডোৰ লেক্সনেচ্। আজি হালডোৰ লেক্সনেচ্ সম্পৰ্কে কিছু কথা ক'ম। স্ক্যাণ্ডিনেভিয়া আৰু গ্ৰীণলেণ্ডৰ মাজত থকা প্ৰকাণ্ড দ্বীপটোৱে হৈছে আইচ্‌লেণ্ড। প্ৰায় ৪০ হেজাৰ বৰ্গমাইল আয়তনৰ আইচ্‌লেণ্ডৰ বসতি পাতল। ইয়াৰেই ৰাজধানী ৰাকিয়াভিকত হালডোৰ লেক্সনেচ্‌ৰ ১৯০২ৰ ২৩ এপ্ৰিলত জন্ম হয়। তেওঁৰ সম্পূৰ্ণ নাম হ'ল হালডোৰ কিলিয়ান লেক্সনচ্। তেওঁ জন্মগ্ৰহণ কৰা পৰিয়ালটো আছিল এটা সাধাৰণ মজদুৰ পৰিয়াল। তেওঁৰ দেউতাকে ৰাজধানীৰ ৰাস্তা মেৰামতি কৰা কাম কৰিছিল। কিছুদিন এই কাম কৰাৰ পাছত দেউতাকে নিজাববীয়াকৈ খেতিৰ কাম কৰিবলৈ লয়। হালডোৰৰ তিনি বছৰ বয়সত তেওঁক ৰাকিয়াভিকৰ ওচৰৰ গাঁৱৰ কৃষিক্ষেত্ৰলৈ লৈ যোৱা হয়। লেক্সনেচ্ গাঁৱৰ নামেৰেই ছদ্মনামত তেওঁ নিজকে পৰিচিত কৰিছিল আৰু পাছলৈ এয়া তেওঁৰ উপাধি হৈ পৰে। অতি আপোন হৈ পৰা এই গাঁৱত মাক-দেউতাকৰ স'তে তেওঁ ১২ বছৰ বয়সলৈকে আছিল।

হালডোৰৰ শিক্ষা জীৱনৰ আৰম্ভণি কিছু ব্যতিক্ৰমী। পাঠ্যপুথিৰ শিক্ষাতকৈ সংগীত শিক্ষাৰ ক্ষেত্ৰতহে তেওঁক জোৰ দিয়া হৈছিল। সেয়ে পিয়ানো শিকিবলৈ তেওঁক পঠিওৱা হৈছিল ৰাকিয়াভিকলৈ। হালডোৰৰ কিন্তু পিয়ানো শিকিবলৈ অলপো আগ্ৰহ নাছিল। তেওঁৰ ভাল লাগিছিল গল্প আৰু কবিতা লিখিবলৈ। সৃষ্টিশীল সাহিত্যৰ প্ৰতি শৈশৱৰে পৰা তেওঁৰ আকৰ্ষণ আছিল অতি গভীৰ। এটা অস্থিৰ মন লৈ পিয়ানো শিকি থকা হালডোৰৰ



সংগীত চৰ্চা মাত্ৰ তিনি বছৰতে সমাপ্ত হয়। তিনি বছৰ পিয়ানো শিকাৰ পাছত তেওঁ ৰাজধানীৰ লেটিন স্কুলত ভৰ্তি হয়। সেই সময়ত ভালদৰে পঢ়া-শুনা কৰিবলৈ আইচলেণ্ডৰ ছাত্ৰবোৰ ডেনমাৰ্কলৈ যাবলগীয়া হৈছিল; ঠিক এটা সময়ত অসমৰ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, যতীন্দ্ৰনাথ দুৱৰা আদি কলকাতালৈ (তেতিয়াৰ কলিকতা) যোৱাৰ দৰে। হালডোৰো ইয়াৰ ব্যতিক্ৰম নহৈ ডেনমাৰ্কলৈ গৈছিল ১৭ বছৰ বয়সত।

শিশুহঁত, এইখিনিতে এটা কথা উল্লেখ কৰিব খুজিছো। সকলো শিশুৰে নিজা নিজা প্ৰতিভা থাকে। সেইমতে তেওঁলোক এটা নিৰ্দিষ্ট পথেৰে আগবাঢ়ি যাব লাগে। আনৰ লগত ফেৰ মাৰিবলৈ অথবা তেওঁ কৰিব পাৰিছে তুমিও কৰিব লাগিব আদি ভাব লৈ অভিভাৱক বা মাক-দেউতাকেও সন্তানক জোৰ কৰিব নালাগে। ফলত শিশুটোৰ জীৱনত খেলি-মেলিৰ সৃষ্টি হয়। লেক্সনেচ্‌ৰ সংগীত শিকাত ৰূপ নথকা সত্ত্বেও তেওঁক জোৰকৈ পিয়ানো শিকিবলৈ দিয়া হৈছিল। ফলত তেওঁৰ শৈশৱৰ মূল্যৱান সময়ৰ অপচয় হৈছিল।

শৈশৱকাল, বিশেষকৈ ছাত্ৰাৱস্থাৰ পৰাই লেক্সনেচ্‌ৰ দুৰ্বাৰ ইচ্ছা বা আগ্ৰহ আছিল দেশ ভ্ৰমণৰ প্ৰতি। সেই সময়তে তেওঁ ইউৰোপৰ বিভিন্ন দেশ কানাডা আৰু আমেৰিকা ভ্ৰমণ কৰিছিল। এই দেশ ভ্ৰমণৰ ফলত বিভিন্ন দেশৰ সংস্কৃতিয়ে তেওঁৰ জীৱনত গভীৰভাৱে প্ৰভাৱ পেলাইছিল।

হালডোৰ লেক্সনেচ্ ছাত্ৰাৱস্থাত থাকোতেই তেওঁৰ প্ৰথমখন উপন্যাস প্ৰকাশ পায়। উপন্যাসৰ উপৰি প্ৰবন্ধৰ পুথি, গীতি-কবিতাৰ সংকলন তেওঁ ৰচনা কৰিছিল। তেওঁ আছিল সাম্যবাদত বিশ্বাসী। বিভিন্ন দেশ ভ্ৰমণ কৰাৰ ফলত তেওঁ ইংৰাজী, ফৰাচী, ডাচ আদি ভাষা আয়ত্ত কৰিছিল। এই সুবিধাৰ বাবেই তেওঁ বহু বিদেশী সাহিত্য অনুবাদ কৰিব পাৰিছিল। এইগৰাকী হালডোৰ লেক্সনেচ্ পৃথিৱী বিখ্যাত সাহিত্যিক, শব্দৰ গাঁথনিৰে মানুহৰ হৃদয় জয় কৰা এজন সাৰ্থক কথাশিল্পী। তেওঁৰ কিতাপবোৰ পঢ়িবলৈ যত্ন কৰিবা। তোমালোকে আৰু লেক্সনেচ্‌ৰ নিচিনাকৈ আগ্ৰহী হ'বা দেশভ্ৰমণ কৰি ভাষা, জ্ঞান অৰ্জন কৰিবলৈ।

*ফোন ঃ ৯৭০৬০১০০৯৭*

## মোল্লা নাছিৰুদ্দিন হোজাৰ সাধু



(৩২)

নাছিৰুদ্দিনে এবাৰ বাদছাহৰ দৰবাৰলৈ যাব লগা হ'ল। দৰবাৰৰ পৰা উভতি আহি নাছিৰুদ্দিনে ওচৰ-চুবুৰীয়াক ক'লে ঃ'দৰবাৰত ইমানবোৰ লোকৰ ভিতৰত বাদছাহে আজি কেৱল মোৰ লগতহে কথা পাতিছে।'

বাদছাহৰ লগত কথা পতাটো কম সৌভাগ্যৰ কথানে? আটায়ে নাছিৰুদ্দিনক বাঃ বাঃ দিবলৈ ধৰিলে। আটায়ে প্ৰশ্ন কৰিলে ঃ 'বাদছাহে আপোনাক কি কৈছে?'

নাছিৰুদ্দিনে ক'লে ঃ দৰবাৰত তেতিয়া অনেক লোক। সকলোৱে শুনাকৈ বাদছাহে মোক ক'লে ঃ 'হেৰ' অসৎ মোল্লা, এতিয়াই তই দৰবাৰৰ পৰা ওলাই যা।' ক্ৰমশঃ

নাছিৰুদ্দিনৰ ওচৰলৈ এবাৰ এজন নিৰক্ষৰ লোক আহিল তেওঁৰ ভায়েকলৈ নাছিৰুদ্দিনৰ হতুৱাই চিঠি এখন লেখাবলৈ। মানুহজনে কৈ গ'ল, নাছিৰুদ্দিনে লিখি গ'ল। লিখা শেষ হোৱাত মানুহজনে ক'লে ঃ 'মোল্লাচাহেব, কি লিখিলে এবাৰ প্ৰথমৰ পৰাই পঢ়কচোন। হয়তো কিবা জৰুৰী কথা বাদ পৰিবও পাৰে।'

নাছিৰুদ্দিনে 'প্ৰিয় ভাই হোচেন' পৰ্যন্ত পঢ়ি ৰৈ গ'ল। তাৰ পাছত অনেক চেষ্টা কৰিও এটা লাখৰো পঢ়িব নোৱাৰিলে।

মানুহজনে আচৰিত হৈ ক'লে ঃ 'কি আচৰিত, আপোনাৰ লিখা আপুনি নিজেই যদি পঢ়িব নোৱাৰে তেন্তে মোৰ ভায়ে পঢ়িব কেনেকৈ।?'

নাছিৰুদ্দিনে ক'লে ঃ 'সেয়া মই কি জানো? মোক লিখিবলৈ ক'লা, লিখিলো। পঢ়াটোতো তোমাৰ ভাইৰ কাম। তদুপৰি লোকৰ চিঠি পঢ়া উচিত নহয়।'

## দ্য বাইচাইকেল স্পাই

**মূল ঃ য়না জেলদিছ মেকড'না**

**অনুবাদ ঃ মাহিৰ আল কিবৰিয়া**

**পাছদিনা** পুৱা গিৰ্জাৰ পৰা তিনিটা গলি পাৰ হৈ তিনিমহলীয়া তাৰ বিদ্যালয়লৈ চাইকেল লৈ গ'ল। সি সৰুৰে পৰা ইয়াতেই পঢ়িছে আৰু ইয়াতেই সি স্নাতক বৰ্ষলৈ থাকিব। সি দীঘল বাৰাণ্ডাখনৰ ম'মেৰে মচা মজিয়া, শ্ৰেণীবোৰৰ কাঠৰ চকী-মেজ, চক্-বৰ্ড আৰু ডাঙৰ খিৰিকীবোৰ ভালকৈ জানিছিল, ঠিক তেনেদৰে যি দৰে সি ঘৰৰ প্ৰতিটো কোঠালি জানিছিল।

দিনটো অপ্ৰত্যাশিতভাৱে গৰম আছিল, সেয়েহে সি জেকেটৰ বুটামকেইটা খুলি ল'লে। তাৰ তলত সি বগা ছাৰ্ট এটা পিন্ধি আছিল, যিটো ডাঠ নীলা আঠুমূৰীয়া পেণ্টটোত খুচি লোৱা আছিল আৰু পেণ্টৰ লগত মিলা ডাঠ নীলা ৰঙৰ মোজা পিন্ধিছিল। তাৰ পাছত কান্ধত বেগটো ওলোমাই ল'লে আৰু চাইকেলৰ বাস্কেটত টিনৰ লাঞ্চ বক্সটো আছে নে নাই চালে।

গৈ থাকোতে এটা কোণত তাতকৈ ডাঙৰ ল'ৰাকেইটামান দেখিলে। এটাই তাক চিঞৰিলে, 'ঐ' পোৱালি।

'আৰু সৰু হৈ গৈ আছে নেকি?' আন এটাই চিঞৰিলে। তাৰ পাছত দুয়োটাই হাঁহি হাঁহি গুচি গ'ল।

মাৰ্চেলে নিজৰ গালকেইখন গৰম হোৱা অনুভব কৰিলে; কিন্তু সি একো নক'লে। যেতিয়া সি নিজৰ নামটো মতা শুনিলে সি উদ্বিগ্ন হৈ পৰিল। সিহঁত আকৌ ঘূৰি আহিছে নেকি তাক আৰু যন্ত্ৰণা দিবলৈ।

কিন্তু নাই। সি ঘূৰি চালে তাক তাৰ বন্ধু গুলিয়াম্ আৰু আৰ্ণডে মাতিছে। সি চাইকেলৰ পৰা নামিল আৰু ৰেকৰ লগত তলাটো মাৰি সিহঁতৰ কাষলৈ গ'ল।

'কা' ভা গুলিয়ামে ক'লে 'কেনে চলি আছে? '

'কা' 'ভা' মাৰ্চেলে ক'লে— 'ঠিকেই আছে।' সি ক'ব বিচাৰিছিল যদিও সি কাকো নকয়, নিজৰ ভাল বন্ধুবোৰকো নকয়। নিজৰ মাক-দেউতাক আৰু ৰেজিচটেন্সৰ কথা। এই বিষয়ে কথা পতাটো বিপজ্জনক। ৰেজিচটেন্সৰ সদস্য ধৰা পৰিলে সিহঁতক সোধাপোছা কৰে আৰু জেইলত ভৰাই থয় বা তাতকৈ বেয়া গুলীয়াই মাৰি দিয়ে।

'সেই দিনাখন তোমাক চাইকেল চলাই থকা দেখিলো, স্পীড্ কেনে হৈছে?' আৰ্ণডে সুধিলে,

'প্ৰতিদিনে ভাল হৈছে। মাৰ্চেলে ক'লে। 'আৰু তোমাৰ?'

আৰ্ণডেও প্ৰতিযোগিতা কৰি ভাল পায় আৰু কেতিয়াবা সিহঁতে চাইকেল চালনাৰ প্ৰতিযোগিতা কৰে। আৰ্ণড আছিল ওখ, দীঘল ভৰিৰে স'তে গতিকে সি প্ৰায়েই বিজয়ী হৈছিল। কিন্তু মাৰ্চেল আছিল সৰু আৰু সাহসী। সি বোকা, শিল, খাল, বৰফ সকলোতে চাইকেল চলাব পাৰে।

'স্কুলৰ পাছত ৰেচ কৰিবা? আৰ্ণডে সুধিলে, 'আমি টাউনৰ পৰা ওলাই ছেইণ্ট ভিনচেষ্ট প'লৰ পাছৰ ৰাস্তাত যাম।'

'হ'ব' মাৰ্চেলে ক'লে আৰু নিজৰ বেগটো লৈ নিজৰ শ্ৰেণীত সোমাল।

'চাম কোন ভাল চালক হৈ উঠিছে।'

তাৰ বহা ঠাইত বহি লোৱাত তাৰ উদ্বেগ কমিল। অন্ততঃ স্কুলত কোনো সৈনিক নাই। সেই সকলোবোৰ আন ক'ৰবাত হৈছিল। অন্ততঃ এই কোঠাৰ দেৱালৰ বাহিৰত। এই শ্ৰেণীকোঠাত সুন্দৰকৈ শাৰীত থকা চকী-মেজবোৰ, পাছফালে থকা ডাঙৰ ফ্ৰান্সৰ মেপ্ আৰু সমুখত ব্লেকব'ৰ্ডখন সকলো আছিল চিনাকি আৰু নিৰাপদ। তাৰ আশে-পাশে মুখবোৰ সি বছৰ বছৰ ধৰি দেখি অহা আৰু মেড্‌মজেল বাৰ্বিনিউক্সো তাৰ চিনাকি। যিমানলৈ মনত আছে, তেওঁ বেকাৰীলৈ প্ৰত্যেক শনিবাৰে আহেই।

সি কোঠাটোৰ চৌদিশে চাওতে দেখিলে এজনী ছোৱালী যাক সি নাজানিছিল কিন্তু চিনি পাইছিল




সেইদিনাখন যাৰ মেকুৰীৰ ওপৰেৰে ভুলতে সি চাইকেল চলাব ওলাইছিল তায়ে আছিল। আজি তাই ৰঙা-ক'লা প্লেইড্ আৰু বগা-ক'লাৰ থকা ছাৰ্ট পিন্ধি আহিছে। তাইৰ বেনীকেইডাল উজ্জ্বল আৰু জিলিকি আছিল।

'মই শুনিছো তাই উত্তৰ ফালৰ ক'ৰবাৰ পৰা আহিছে। পেৰিচ বোধহয়,' গিল'মে ফুচ্‌ফুচাই ক'লে। সি মাৰ্চেলৰ লগতে বহিছিল আৰু মাৰ্চেলে পৰিয়ালটো কেইদিনমান আগতে আহিছে।'

আগ্ৰাসন হোৱাৰ পাছৰ পৰা সৰু-টাউনখনলৈ নতুন নতুন মানুহ আহিবলৈ ধৰিছে। কিছুমান থাকি যায় আৰু বাকী কিছুমান গুচি যায়। নতুন ছোৱালীজনীৰ ক্ষেত্ৰত কোনটো বা হয়।

'তাইৰ নামটো কি? ' মাৰ্চেলে সুধিলে।

'ডেল্‌ফিন নে কিবা এটা,' গিল'মে ক'লে। 'আৰু তাইৰ পৰিয়ালটো এতিয়া কিয় আহিল, ছমহীয়া পৰীক্ষাৰ পাছত?'

গিল'মে কান্ধ কোচাই ক'লে 'মই কেনেকৈ জানিম? পিছে তই এইটো কথাত ইমান আগ্ৰহ দেখাৱাইছ যে?

'একো বিশেষ কাৰণ নাই', 'মাৰ্চেলে ক'লে। সি আশা কৰিলে যে তাৰ মুখখন ৰঙা হৈ যোৱা নাই।

'এই ল'ৰাহঁত'। মেড্‌ময়েজেল বাৰ্বিনিউক্সে ক'লে। 'কথা বন্ধ কৰ আৰু মন দে।'

'অ'হ মেড্‌মেয়জেল' মাৰ্চেলে ক'লে। সি গিল'মক আৰু একো নক'লে। কিন্তু গোটেই পুৱাটো সি নতুন ছোৱালীজনীক চাই থাকিল। যেতিয়া মেড্‌মেয়জেল বাৰ্বিনিউক্সে জ্যামিতি পঢ়াইছিল প্ৰত্যেক বাৰেই ডেলফিনৰ হাত উঠে আৰু প্ৰত্যেকবাৰ ডেলফিনৰ হাত উঠে আৰু প্ৰত্যেকবাৰেই উত্তৰটো শুদ্ধ হয়। যেতিয়া তাইক ব'ৰ্ডত লিখিবলৈ মাতিলে, তাইৰ লিখনি নিখুঁত আছিল। সাহিত্যৰ পাঠ পঢ়াওতে তাই পিয়েৰ ডি ৰণচাৰ্ডৰ কবিতা মুখস্থ মাতিলে।

'বৰ সুন্দৰ হৈছে' মেডময়েজেল বাৰ্বিনিউক্সে ক'লে। চিন্তাৰ বাৰ্ণাডেটৰ ধৰ্মৰ বিষয়ে শিকোৱা শ্ৰেণীতহে তাইৰ খোকাজা লাগিল। তাই হাত নাদাঙিলে আৰু যেতিয়া উত্তৰ দিবলৈ মাতিলে তেতিয়া ভুল উত্তৰ দিলে। কিছুমান ল'ৰা-ছোৱালীয়ে ফিচ্‌ফিচাই হাঁহিলে। প্ৰথমতে মাৰ্চেলে ৰেহাই পালে যে তাই সকলো বিষয়ত ভাল নহয়। কিন্তু সি যেতিয়া তাইক লাজত ৰঙা হোৱা দেখা পালে তাৰ দুখ লাগিল। সি জানিছিল কোনোবাই কাৰোবাক জোকালে কেনে অনুভৱ হয়।

জিৰণিৰ সময়ত সি তাইক বেলেগ ছোৱালীৰ লগত কথা পতা দেখিলে। প'লেট্‌ৰ লগতো কথা পতা দেখিলে, সি নিজকে শ্ৰেণীৰ ভিতৰত আটাইতকৈ চোকা ছোৱালী বুলি ভাবিছিল। কিন্তু সি তাইৰ কথা ইমান কিয় ভাবি আছিল।

সি গহীনভাৱে নতুন ছোৱালীজনীক পাত্তা নিদিয়াকৈ আৰ্ণডৰ লগত দবা খেলিবলৈ বহিল। আৰ্ণডে ঘৰৰ পৰা ব'ৰ্ড এখন লৈ আহিছে। দবা বহুত জনপ্ৰিয় আছিল আৰু এইতো সময়ত সিহঁতে প্ৰায় খেলিছিল। মাৰ্চেল ইমান ভাল খেলুৱৈ নাছিল, কিন্তু সি ভাল হ'বলৈ চেষ্টা কৰিছে। তাৰ দেউতাকে দবাৰ ৰণনীতি সম্পৰ্কীয় কিতাপ এখন আনি থৈছে, সি শিকিবৰ বাবে।

আ'ৰণডে ব'ৰ্ডত গুটিকেইটা সজোৱাৰ পাছত খেল আৰম্ভ হ'ল। আৰ্ণডে ভাল খেলুৱৈ আছিল। তাৰ হাতী, ঘোঁৰা আনকি ৰাণীকো সি সাহসিকতাৰে খেলাইছিল। যিটো মাৰ্চেলৰ কাম আছিল। তথাপি সি ব'ৰ্ডখন চাই-চিতি খেলি আছিল আৰু খেলখন চাই থকা ল'ৰাকেইটাৰ কথা নুশুনা ভাও জুৰিলে।

'ঐ তহঁতে মনে মনে থাক।' আৰ্ণডে ধমক দি ক'লে' 'তহঁতে কথা পতা বন্ধ কৰিব নোৱাৰাযদি চাব নালাগে। দবা খেলটো গহীন, মনোযোগ দিব লাগে, পেক্ পেকাব নালাগে।' ল'ৰাকেইটা চুপ হৈ গ'ল আৰু খেল পুনৰ আৰম্ভ হ'ল।

যোৱাবাৰ খেলোতে আৰ্ণডে জিকিছিল। আজি মাৰ্চেলে সিদ্ধান্ত ল'লে যে সি জিকিবই। কিন্তু আৰণড্‌ৰ আক্ৰমণাত্মক খেলাৰ ধৰণে মাৰ্চেলৰ আত্মবিশ্বাসত পানী ঢালি দিলে আৰু সি চাই থাকিল শোচনীয়ভাৱে, সেয়ে আৰণডে ব'ৰ্ডৰ পৰা মাৰ্চেলৰ গুটি এটা এটাকৈ আঁতৰালে। শেষত আৰণডে ঘোষণা কৰিলে 'চেক্ মেট' খেলখন শেষ হ'ল। 'তুমি হাৰিলা, হাৰিলা।' আৰণডে তাৰ কাপোৰৰ মোনাত গুটিবোৰ ভৰাই থকাৰ লগতে কৈ থাকিল।

মাৰ্চেলে একো নক'লে। সিহঁত ভাল বন্ধু, সেই বুলিয়েই সিহঁতে যিকোনো প্ৰতিযোগিতা নকৰাকৈ থকা নাছিল। মাৰ্চেলে জানিছিল— সিওঁ আৰ্ণডক তেনেদৰেই জোকালেহেঁতেন, যদি সি জিকিলহেঁতেন।

পাছত খোৱাৰ ঘণ্টা যেতিয়া বাজিল, মাৰ্চেলে আৰ্ণডৰ পৰা আঁতৰত থাকিব বিচাৰিলে। সি তাৰ সম্পূৰ্ণ জিৰণিৰ সময়খিনি তাৰ ওফাইদাং মৰা কথা শুনি কটাব নিবিচাৰিলে। সেয়ে সি আকৌ ডেলফিনৰ কথা ভাবিব ধৰিলে। এতিয়া তাই খোৱা কোঠাৰ মাজত থিয় হৈ ইফালে-সিফালে চাই আছে। শ্ৰেণী চলি থকাৰ সময়ত কথা পতা আৰু এতিয়া কথা পাতি থকা কোনেও তাইক একেলগে খাবলৈ নামাতিলে। সেয়ে তাই অকলে এখন টেবুলত বহি ল'লে। সি তাইৰ ওচৰলৈ গ'ল। 'ইয়াত বহিব পাৰোনে?' সি সুধিলে। **আগলৈ**

*(অনুবাদক গুৱাহাটীৰ শ্ৰীমন্ত শংকৰ একাডেমীৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰ)*

# ভাৰতক পঞ্চমটো সোণ দিলে পুৰুষৰ টি টি দলে



## ফাইনেলত ছিংগাপুৰৰ বিৰুদ্ধে ৩-১ ত জয়লাভ

**বাৰ্মিংহাম, ২ আগষ্ট ঃ** চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত আজি ভাৰতে সোণৰ পদক দখললেৰে উজলি উঠে। উল্লেখ্য যে লন বলত ভাৰতীয় মহিলা দলে ঐতিহাসিক সোণ লাভ কৰাৰ পাছত পুৰুষ টেবুল টেনিছ দলে ফাইনেলত ছিংগাপুৰক ৩-১ ৰ ব্যৱধানত পৰাস্ত কৰি সোণ লাভ কৰিবলৈ সক্ষম হয়। ভাৰতৰ হৈ হৰমীত দেশাই আৰু ছাথিয়ানে প্ৰথম মেচত ১৩-১১, ১১-৭, ১১-৫ ত জয়লাভ কৰি ১-০ ৰ প্ৰত্যাশিত আৰম্ভণি দিয়ে। কিন্তু দ্বিতীয় মেচখন অভিজ্ঞ পেডলাৰ শৰথ কমল ৭-১১, ১৪-১২, ৩-১১, ৯-১১ ৰ ব্যৱধানত পৰাস্ত হয়। এই জয়ৰে ছিংগাপুৰে প্ৰত্যাৱৰ্তন কৰি ১-১ ত সমতা স্থাপন কৰে। কিন্তু ছাথিয়ানে একক মেচখনত ১২-১০, ৭-১১, ১১-৭, ১১-৪ ত জয়লাভ কৰি ভাৰতৰ অগ্ৰগতি পুনৰ ২-১ কৰে। একক শাখাৰ তৃতীয়খন মেচত হৰমীতে ১১-৮, ১১-৫, ১১-৬ ত জয়লাভ কৰি ভাৰতৰ স্বৰ্ণ পদক নিশ্চিত কৰে। ইয়াৰপূৰ্বে যোৱানিশাৰ ছেমিফাইনেলত ভাৰতৰ পুৰুষ টেবুল টেনিছ দলে ছেমিফাইনেলত নাইজেৰিয়াক ৩-০ ৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে আৰু পদক জয় নিশ্চিত কৰিবলৈ সক্ষম হয়। ভাৰতৰ হৰমীত দেশাই আৰু ছাথিয়ানে প্ৰথম মেচত ১১-৬, ১১-৭, ১১-৭ ত জয়লাভ কৰাৰ পাছত অভিজ্ঞ শৰথ কমলে দ্বিতীয় মেচখন ১১-৯, ১১-৮, ৭-১১, ১৫-১৩ ৰ ব্যৱধানত জয়ী হয়। আনহাতে, ছাথিয়ানে একক মেচখনত ১১-৯, ৪-১১, ১১-৬, ১১-৮ ত জয়লাভ কৰি ভাৰতক খিতাপৰ যুঁজলৈ অগ্ৰসৰ কৰায়। ইয়াৰপূৰ্বে কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ পুৰুষ টেবুল টেনিছ দল মুখামুখি হৈছিল বাংলাদেশৰ। একপক্ষীয় মেচখনত ভাৰতৰ পুৰুষ দলে ৩-০ ৰ ব্যৱধানত বাংলাদেশক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। আনহাতে, ভাৰতে ৩-০ ৰ ব্যৱধানত উত্তৰ আয়াৰলেণ্ডক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছিল। প্ৰথম মেচত বাৰ্বাডোজক ৩-০ ৰ ব্যৱধানত পৰাস্ত কৰি অভিযান আৰম্ভ কৰিছিল পুৰুষ টেবুল টেনিছ দলে



মহিলা বক্সিঙৰ কোৱাৰ্টাৰ খেলিব নিখাত-নিতুৱে

### ছেমিফাইনেলত ছিংগাপুৰক পোনপটীয়া ব্যৱধানত হৰুৱাই নিশ্চিত কৰিলে পদক

## মিক্সড বেডমিণ্টনৰ ফাইনেলত ভাৰতীয় দল

**বাৰ্মিংহাম, ২ আগষ্ট ঃ** পি ভি সিন্ধু আৰু লক্ষ্য সেনৰ চমকপ্ৰদ প্ৰদৰ্শনৰে চলিত কমনৱেলথ গেমছত ভাৰতৰ বেডমিণ্টন দলে প্ৰথমটো পদক নিশ্চিত কৰিছে। উল্লেখ্য যে বিগত কমনৱেলথ গেমছৰ বেডমিণ্টনৰ দলীয় চেম্পিয়ন ভাৰতে নিজৰ জয়যাত্ৰা অব্যাহত ৰাখি এইবাৰো ফাইনেলত প্ৰৱেশ কৰিছে। ছেমিফাইনেলত ভাৰতে প্ৰথম তিনিখন গেমতে ছিংগাপুৰক ৩-০ ৰ ব্যৱধানত পৰাস্ত কৰি খিতাপৰ যুঁজত প্ৰৱেশ কৰে। ভাৰতৰ পুৰুষ ডাবলছ যুটি চিৰাগ আৰু ছাটৱিকে প্ৰথম মেচত ২১-১১, ২১-১২ ৰ ব্যৱধানত জয়লাভ কৰাৰ পাছত ছোৱালীৰ একক শাখাত সিন্ধুই ২১-১১, ২১-১২ ৰ ব্যৱধানত জয়ী হৈ অগ্ৰগতি ২-০ কৰে। আনহাতে, তৃতীয় মেচত পৰুষৰ একক শাখাত লক্ষ্য সেনে ২১-১৮, ২১-১৫ ৰ ব্যৱধানত জয়ী হৈ ভাৰতৰ ফাইনেলৰ স্থান নিশ্চিত কৰে। সোণৰ পদক উদ্ধাৰৰ যুঁজত ভাৰত মুখামুখি হ'ব মালয়েছিয়াৰ। ইয়াৰপূৰ্বে কোৱাৰ্টাৰ ফাইনেলত ভাৰতে দক্ষিণ আফ্ৰিকাক ৩-০ ৰ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰিছিল। পি ভি সিন্ধু নেতৃত্বনাধীন ভাৰতীয় মিক্সড বেডমিণ্টন দলে গ্ৰুপৰ অন্তিমখন মেচত ৪-১ ৰ ব্যৱধানত পৰাস্ত কৰিছিল অষ্ট্ৰেলিয়াক। এই মেচখনত ভাৰতৰ দুবাৰৰ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধুই ২১-১০, ২১-১২ ৰ ব্যৱধানত জয়লাভ কৰাৰ বিপৰীতে কিদাম্বি শ্ৰীকান্তে ২১-১৪, ২১-১৩ ৰ ব্যৱধানত জয় সাব্যস্ত কৰে। আনহাতে, ডাবলছ শাখাত চিৰাগ-সমিথ যুটিয়ে ২১-১৬, ২১-১৯ ৰ ব্যৱধানত জয়লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ভাৰতীয় বেডমিণ্টন দলে প্ৰথম মেচত পাকিস্তানক ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰি অভিযান আৰম্ভ কৰাৰ পাছত দ্বিতীয় মেচত ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰিছিল শ্ৰীলংকাক।




## কোৱাৰ্টাৰ ফাইনেলত অমিত কুমাৰ-সাগৰ

**বাৰ্মিংহাম, ২ আগষ্ট ঃ** চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতৰ আৰু দুগৰাকী পুৰুষ বক্সাৰে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। ৮০ কিলোগ্ৰাম শাখাৰ খেলত অমিত কুমাৰে হেলাৰঙে প্ৰথম ৰাউণ্ডৰ মেচত ৫-০ ৰ ব্যৱধানত জয়লাভ কৰি অন্তিম আঠত স্থান নিশ্চিত কৰাৰ লগতে ৯২ কিলোগ্ৰাম উৰ্দ্ধৰ শাখাত খেলা ভাৰতীয় হেভীৱেইট বক্সাৰ সাগৰেও কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে ভাৰতৰ অমিত পাংগল আৰু মহম্মদ হুছামুদ্দিনে কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছিল। পুৰুষৰ ৫১ কিলোগ্ৰাম শাখাৰ খেলত অমিতে হেলাৰঙে ভানুটুৰ নামৰি বেৰিক ৫-০ ৰ



ব্যৱধানত পৰাস্ত কৰি প্ৰত্যাশিতৰূপত চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত অভিযান আৰম্ভ কৰে। ইফালে, পুৰুষৰ ৫৭ কিলোগ্ৰাম শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত হুছামুদ্দিনে বাংলাদেশৰ মহম্মদ ছেলিম হুছেইনক ৫-০ ৰ ব্যৱধানত বিধ্বস্ত কৰে। ইয়াৰপূৰ্বে ভাৰতীয় বক্সাৰজনে প্ৰথম মেচত ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰিছিল দক্ষিণ আফ্ৰিকাৰ আমজ'লেলাক। ইফালে, আজি নিশালৈ ভাৰতৰ ৰোহিত টাকাছে পুৰুষৰ ৫৭ কিলোগ্ৰাম শাখাত নিজৰ অভিযান আৰম্ভ কৰিব। উল্লেখ্য যে ভাৰতৰ তিনিজন পুৰুষ বক্সাৰে ইতিমধ্যে ব্যৰ্থতাৰ সন্মুখিন হৈ চলিত বাৰ্মিংহাম কমনৱেলথ গেমছৰ পৰা বিদায় লৈছে। শিৱ থাপাই প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অপ্ৰত্যাশিতভাবে পৰাস্ত হৈ বিদায় লৈছে। উল্লেখ্য যে ৬০ কিলোগ্ৰাম শাখাত খেলা দুবাৰৰ অলিম্পিয়ান অসম সন্তান শিৱক এখন কঠিন মেচত ৪-১ ৰ ব্যৱধানত পৰাস্ত কৰে স্কটলেণ্ডৰ বক্সাৰ ৰীছে লীনছে। উল্লেখ্য যে থাপাই সুন্দৰ জয়েৰে অভিযান আৰম্ভ কৰিছিল। পুৰুষৰ লাইট ৱেল্টৰৱেট ৬০ কিলোগ্ৰাম শাখাত খেলা শিৱই প্ৰথম ৰাউণ্ডৰ মেচত পাকিস্তানৰ চুলেমান বালোচৰ বিৰুদ্ধে ৫-০ ৰ চমকপ্ৰদ জয় সাব্যস্ত কৰিছিল। ইফালে, শিৱৰ লগতে ভাৰতৰ হৈ ৯২ কিলোগ্ৰাম শাখাত খেলা পুৰুষ বক্সাৰ সঞ্জিতেও প্ৰথম ৰাউণ্ডতে ৩-২ তপৰাস্ত হোৱাৰ লগতে ৭৫ কিলোগ্ৰাম শাখাত খেলা সুমিতো প্ৰথম মেচতে ৫-০ ত পৰাস্ত হৈ বিদায় লয়।



## বাৰ্মিংহামত আজি পদক নিশ্চিত কৰাৰ যুঁজত লাভলীনা

**বাৰ্মিংহাম, ২ আগষ্ট ঃ** টকিঅ' অলিম্পিকৰ ব্ৰঞ্জজয়ী অসম কন্যা লাভলীনা বৰগোহাঁই আৰু বিশ্ব চেম্পিয়নশ্বিপত সোণ লাভ কৰাৰ নিখাত জাৰীনে কাইলৈ চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত পদক জয়ৰ লক্ষ্যৰে ৰিঙত নামিব। উল্লেখ্য যে কাইলৈ কমনৱেলথ গেমছত অনুষ্ঠিত হ'ব মহিলাৰ বক্সিঙৰ কোৱাৰ্টাৰ ফাইনেল। লাভলীনা আৰু নিখাতৰ লগতে ভাৰতৰ নিতুইয়ো ৪৮ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰ ফাইনেল খেলি নিজৰ অভিযান আৰম্ভ কৰিব। প্ৰত্যাশা অনুসৰি যদি কাইলৈ তিনিওগৰাকী মহিলা বক্সাৰে নিজৰ নিজৰ মেচত জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে তেন্তে নিশ্চিত হ'ব পদক। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰথম ৰাউণ্ডৰ মেচত ৭০ কিলোগ্ৰাম শাখাত খেলা লাভলীনাই ৫-০ ৰ ব্যৱধানত সহজে পৰাস্ত কৰিছিল নিউজিলেণ্ডৰ অৰিনা নিকলছনক। কাইলৈ কোৱাৰ্টাৰ ফাইনেলত লাভলীনা মুখামুখি হ'ব ৱেলছৰ ৰ'ছি ইকলেছৰ। এই মেচত জয়ী হোৱা মানেই কমনৱেলথ গেমছতো পদক জয় নিশ্চিত হ'ব লাভলীনাৰ। উল্লেখ্য যে ইতিমধ্যে বিশ্ব চেম্পিয়নশ্বিপত দুবাৰ ব্ৰঞ্জ তথা অলিম্পিকতো ঐতিহাসিক ব্ৰঞ্জ লাভ কৰা লাভলীনাই বিগত কমনৱেলথ গেমছত কোৱাৰ্টাৰ ফাইনেলতে পৰাস্ত হৈছিল। কিন্তু এতিয়া লাভলীনা যথেষ্ঠ অভিজ্ঞ। বাৰ্মিহামত লাভলীনাৰ পৰা পদক আশা কৰিছে দেশবাসীয়ে। ইফালে, ভাৰতীয়ই পদক আশা কৰিছে বিশ্ব চেম্পিয়নশ্বিপত সোণ লাভ কৰা নিখাত জাৰীনৰ পৰাও। ইতিমধ্যে প্ৰথম ৰাউণ্ডৰ মেচত ৫০ কিলোগ্ৰাম শাখাত খেলা নিখাতে নক আউট কৰে মোঝাম্বিকৰ হেলেনা ইছমাইলক। কাইলৈ কোৱাৰ্টাৰ ফাইনেলত নিখাত মুখামুখি হ'ব নিউজিলেণ্ডৰ ট'ৰী গীৰ্টনৰ। এই মেচত জয়ী হৈ নিজৰ প্ৰথম কমনৱেলথ গেমছত পদক জয়ৰ লক্ষ্য লৈছে নিখাতে।

### ভাৰোত্তোলনত ভাৰতৰ পদকৰ সংখ্যা সাতটালৈ বৃদ্ধি

## বিকাশৰ ৰূপ, হৰ্জিন্দৰৰ ব্ৰঞ্জ অৰ্জন

**বাৰ্মিংহাম, ২ আগষ্ট ঃ** চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতৰ ভাৰোত্তোলকৰ পদক জয়ৰ গৌৰৱময় যাত্ৰা অব্যাহত আছে। আজি ভাৰোত্তোলনত ভাৰতে আৰু দুটা পদক লাভ কৰিবলৈ সক্ষম হয়। পুৰুষৰ ৯৬ কিলোগ্ৰাম শাখাত খেলা ভাৰতৰ বিকাশ ঠাকুৰে ৩৪৬ কিলোগ্ৰাম উত্তোলন কৰি ৰূপৰ পদক জয় কৰে। তেওঁ স্নেচত ১৫৫ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৯১ কিলোগ্ৰাম উত্তোলন কৰি কেৰিয়াৰত তৃতীয়টো কমনৱেলথ গেমছৰ পদক লাভ কৰে। ইয়াৰপূৰ্বে ২০১৪ আৰু ২০১৮ তো বিকাশে পদক লাভ কৰিছিল। ইফালে, ভাৰতৰ হৰ্জিন্দৰ সিঙে মহিলাৰ ৭১ কিলোগ্ৰাম শাখাত খেলি ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হয়। স্নেচত ৯৩ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১১৯ কিলোগ্ৰাম মুঠ ২১২ কিলোগ্ৰাম উত্তোলন কৰি কমনৱেলথ গেমছত প্ৰথমটো পদক লাভ কৰে হৰ্জিন্দৰে। অৱশ্যে আজি মহিলাৰ ৭৬ কিলোগ্ৰাম শাখাত খেলা ভাৰতৰ পুনম যাদৱে স্নেছত ৯৮ কিলোগ্ৰাম উত্তোলন কৰি দ্বিতীয় স্থানত থকাৰ পাছতো আঘাতৰ বাবে ক্লিন এণ্ড জাৰ্কত তৃতীয় চেষ্টাতো অফল হৈ পদকৰ পৰা বঞ্চিত হয়। উল্লেখ্য যে চলিত কমনৱেলথ গেমছত ভাৰতে ভাৰোত্তোলনত এতিয়ালৈকে তিনিটা সোণ, তিনিটা ৰূপ আৰু দুটা ব্ৰঞ্জসহ সাতটা পদক লাভ কৰিছে।





## ছেমিফাইনেলত পৰাস্ত সৌৰভ

**বাৰ্মিংহাম, ২ আগষ্ট ঃ** ভাৰতৰ সৌৰভ ঘোষালে চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ পুৰুষৰ একক শাখাৰ ছেমিফাইনেলত নিউজিলেণ্ডৰ খেলুৱৈৰ বিৰুদ্ধে ৩-০ ৰ ব্যৱধানত পৰাস্ত হৈছে। এতিয়া ব্ৰঞ্জ পদকৰ বাবে খেলিব সৌৰভে। উল্লেখ্য কোৱাৰ্টাৰ ফাইনেলত সৌৰভে ১১-৫, ৮-১১, ১১-৭, ১১-৩ ৰ ব্যৱধানত স্কটলেণ্ডৰ ল'বানক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। ইয়াৰপূৰ্বে সৌৰভে শ্ৰীলংকাৰ প্ৰতিদ্বন্দ্বীক ১১-৪, ১১-৪, ১১-৬ ৰ ব্যৱধানত পৰাস্ত কৰিছিল। ইফালে, আজি হোৱা অন্য এখন মেচত ছোৱালীৰ শাখাত ভাৰতৰ সুনয়না কুৰুভিল্লাই পাকিস্তানৰ খেলুৱৈক ১১-২, ১১-৪, ১১-৫ ৰ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। ইয়াৰপূৰ্বে তেওঁ ১১-৩, ১১-২, ১১-



২ ৰ ব্যৱধানত শ্ৰীলংকাৰ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ স্থান নিশ্চিত কৰে। মাত্ৰ ১২ মিনিটতে মেচত জয়ী হয় সুনয়না। উল্লেখ্য যে জ্যোৎস্না চিন্নাপ্পা চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ মহিলাৰ একক শাখাৰ স্ক'ৱাছৰ কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হৈ পদক জয়ৰ দৌৰৰ পৰা ইতিমধ্যে আঁতৰি আহিছে।

## মৰিয়নি ফুটবল লীগত ষ্টাৰ একাদশৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা, মৰিয়নি, ২ আগষ্ট ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা ফুটবল লীগত আজি ষ্টাৰ একাদশে জয়ী হৈ সম্পূৰ্ণ পইন্ট অৰ্জন কৰে। দলে খ্ৰীষ্টজ্যোতি ফুটবল ক্লাৱক ২-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে। ষ্টাৰ ইলেভেনৰ ৰাজেশ চবৰ আৰু শ্ৰীকান্ত চবৰে গ'ল কৰাৰ বিপৰীতে খ্ৰীষ্টজ্যোতিৰ চলমান নায়কে এটা গ'ল দিয়ে। খেলখন পৰিচালনা কৰে প্ৰাঞ্জল পাওগাম, নিত্যৰঞ্জন ফুকন, নেইনা ভূমিজ আৰু আন্দ্ৰিয়াছ তাঁতীয়ে।

## বঢ়মপুৰ স্প'ৰ্টছ ক্লাবৰ তৃতীয় জয়

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২ আগষ্ট ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নৱ কুমাৰ ভূএগ সোঁৱৰণী তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত বঢ়মপুৰ স্প'ৰ্টছ ক্লাবে ৰেডক্ৰছ ক্লাবক ৬-২ গ'লত সহজেই হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। আজিৰ বিজয়ৰে এইবাৰৰ লীগত বঢ়মপুৰ স্প'ৰ্টছ ক্লাবে তৃতীয়টো বিজয় সাব্যস্ত ৰাখিছে। একপক্ষীয় খেলখনত বঢ়মপুৰ স্প'ৰ্টছ ক্লাবৰ হৈ গমেন ৰাভাই হেট্ৰিকসহ পাঁচটা গ'ল দিয়ে। খেলখন পৰিচালনা কৰাত ৰেফাৰী পাৰ্শজ্যোতি দাসক সহায় কৰে পবিত্ৰ বৰা, ৰিয়াজ আহমেদ আৰু অহিদুজ জামানে।

## প্ৰাইজমানি ফুটবল আৰম্ভ



**অগ্ৰদূত বাৰ্তা, টিংখাং, ২ আগষ্ট ঃ** ডিব্ৰুগড় জিলাৰ টিংখাং চাহ বাগিচা খেল পথাৰত আজিৰে পৰা আৰম্ভ হৈছে প্ৰাইজমানি আৰু ট্ৰফি ফুটবল প্ৰতিযোগিতা। উদ্বোধনী অনুষ্ঠানত টিংখাং চাহ বাগিচাৰ প্ৰধান পৰিচালক কমল কৰি দাস, চাহ মজদুৰ সংঘ নাহৰকটীয়া শাখাৰ সভাপতি অভিৰাম কুমাৰ , সম্পাদক বলৰাম তাঁতি,টিংখাং গাঁও পঞ্চায়তৰ সভাপতি সন্তোষ গগৈ, সমাজকৰ্মী অঞ্জন সভাপণ্ডিত, কমল বড়া আজি উপস্থিত থাকে। উদ্বোধনী খেলখন সৰোজিনী চাহবাগিচা আৰু আছাবাম চাহ বাগিচাৰ মাজত হয় আৰু সৰোজিনী চাহ বাগিচাৰ দলে আছাবাম চাহ বাগিচা দলক ৩-১ গলৰ ব্যৱধানত পৰাস্ত কৰে।

### ইংলণ্ডৰ বিৰুদ্ধে বিফল হ'ল ভাৰতীয় হকী দল

## পুৰুষৰ ড্ৰ, মহিলাৰ পৰাজয়

**বাৰ্মিংহাম, ২ আগষ্ট ঃ** ভাৰতৰ পুৰুষ আৰু মহিলা হকী দলে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত সুন্দৰ আৰম্ভণি কৰাৰ পাছত ঘৰুৱা দল ইংলণ্ডৰ বিৰুদ্ধে থমকিছে। উল্লেখ্য যে ঘানাৰ বিৰুদ্ধে ১১-০ গ'লৰ ব্যৱধানত জয়লাভ কৰি অভিযান আৰম্ভ কৰা ভাৰতীয় পুৰুষ হকী দলে নিজৰ দ্বিতীয় মেচত ৩-০ গ'লৰ ব্যৱধানত আগবাঢ়ি থকাৰ পাছতো ইংলণ্ডৰ বিৰুদ্ধে ৪-৪ ত ড্ৰ খেলিবলৈ বাধ্য হয়। ইফালে, আজি ইংলণ্ডে ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ভাৰতৰ মহিলা হকী দলক। উল্লেখ্য যে ক্ৰমাগতভাবে প্ৰথম দুখন মেচত বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হোৱা ভাৰতৰ মহিলা হকী দলে আজি ইংলণ্ডৰ বিৰুদ্ধে জয়লাভ কৰিলে ছেমিফাইনেলত স্থান নিশ্চিত কৰিলেহেতেন। ইয়াৰপূৰ্বে ভাৰতৰ মহিলা হকী দলে প্ৰথম মেচত ৫-০ গ'লৰ ব্যৱধানত ঘানাক পৰাস্ত কৰি প্ৰত্যাশিত আৰম্ভণি কৰিছিল। জয় ধাৰা অব্যাহত ৰাখি গ্ৰুপৰ দ্বিতীয়খন মেচত ভাৰতৰ মহিলা হকী দলে ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৱেলছক। টকিঅ' অলিম্পিকত ছেমিফাইনেল খেলি চমক সৃষ্টি কৰা ভাৰতৰ মহিলা হকী দলে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত পদক জয়ৰ লক্ষ্য লৈছে। অৱশ্যে সুযোগ এতিয়াও আছে। টকিঅ'ত ব্ৰঞ্জ লাভ কৰা ভাৰতীয় পুৰুষ হকী দলো লক্ষ্যৰ পৰা আঁতৰি যোৱা নাই।

## জুডোত ভাৰতৰ বিজয় কুমাৰৰ ব্ৰঞ্জৰ পদক লাভ

**বাৰ্মিংহাম, ২ আগষ্ট ঃ** চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতে জুডোত এটা ৰূপ আৰু এটা ব্ৰঞ্জ লাভ কৰি পদক তালিকাত গুৰুত্বপূৰ্ণ অৰিহনা আগবঢ়াইছে। উল্লেখ্য যে ভাৰতৰ চাৰি গৰাকী জুডুকাই নিজৰ নিজৰ ওজন শাখাত অংশ যদিও মহিলাৰ ৪৮ কিলোগ্ৰাম শাখাত খেলা এল সুশীলা দেৱীয়ে ৰূপ আৰু ৬০ কিলোগ্ৰাম শাখাত খেলা বিজয় কুমাৰে ব্ৰঞ্জৰ পদক লাভ কৰে। ফাইনেলত প্ৰৱেশ কৰা সুশীলাক খিতাপৰ যুঁজত পৰাস্ত কৰে দক্ষিণ আফ্ৰিকাৰ মিচেলাই। ইফালে, ৬০



কিলোগ্ৰাম শাখাত খেলা ভাৰতৰ বিজয় কুমাৰে ছেমিফাইনেলত পৰাস্ত হয় যদিও ব্ৰঞ্জৰ পদকৰ মেচত চাইপ্ৰাছৰ খেলুৱৈক পৰাস্ত কৰি দেশক গৌৰৱ দিয়ে। ব্ৰঞ্জ পদকৰ বাবে ভাৰতৰ সুচিকা তাৰিয়ালে ৫৭ কিলোগ্ৰাম শাখাত আৰু জেছলিন সিং ছাইনিয়ে ৬৬ কিলোগ্ৰাম শাখাত খেলিছিল যদিও পৰাস্ত হয়। উল্লেখ্য যে মণিপুৰৰ জুডোকা সুশীলাই কোৱাৰ্টাৰ ফাইনেলত মালদ্বীপৰ খেলুৱৈক পৰাস্ত কৰাৰ পাছত ছেমিফাইনেলত মৰিছাচৰ ম'ৰান্ডক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। ইয়াৰপূৰ্বে তেওঁ ২০১৪ ৰ কমনৱেলথ গেমছতো পদক লাভ কৰিছিল।





# যুৱকৰ পেটত ওলাল ৬৩টা এটকীয়া মুদ্ৰা

## মানসিক অৱসাদৰ পৰা ৰক্ষাৰ বাবেই দুদিন ধৰি খাইছিল



■ নিউজ ব্যুৰ'

**যোধপুৰ, ২ আগষ্ট ঃ** মানসিক অৱসাদত ভুগিছিল। সেই সমস্যা দূৰ কৰিবলৈকো দুদিন ধৰি তেওঁ কেৱল এটকীয়া মুদ্ৰাই খাইছিল। ইয়াৰ পাছতে আৰম্ভ হ'ল প্ৰচণ্ড পেটৰ যন্ত্ৰণা। পাছত সেই যুৱকজনৰ পেটৰ পৰা বাহিৰ হ'ল ৬৩টাকৈ এটকীয়া মুদ্ৰা। সংবাদ সংস্থাই সূত্ৰই জনোৱা মতে, যোধপুৰৰ ৩৬ বছৰীয়া যুৱকজনৰ পেটৰ পৰা এণ্ডো'স্কপিৰ জৰিয়তে দুদিনত মুঠ ৬৩টা মুদ্ৰা বাহিৰ কৰা হৈছে। পেটৰ যন্ত্ৰণাৰ বাবে তেওঁক হাস্পতালত ভৰ্তি কৰা হৈছিল। পৰীক্ষা-নিৰীক্ষাত চিকিৎসকে দেখা পালে যে যুৱকজনৰ পেটৰ কিবা ধাতব বস্তু আছে। ভালদৰে চোৱাত জানিব পাৰিলে যে সেইবোৰ মুদ্ৰা। ইয়াৰ পাছতে অস্ত্ৰোপচাৰ কৰি মুদ্ৰাবোৰ বাহিৰ কৰা হয়।

যোধপুৰৰ এমডিএম হাস্পতালৰ এজন চিকিৎসকে জনায় যে ৰোগীজনে অৱসাদত ভুগিছিল। সেই অৱসাদৰ বাবেই তেওঁ এটকীয়া মুদ্ৰা খাবলৈ ধৰে। গেষ্ট্ৰোএণ্টাৰ'লজি বিভাগৰ মুৰব্বী নৰেন্দ্ৰ ভাৰ্গৱে কয়, 'পেটত প্ৰচণ্ড যন্ত্ৰণা লৈ লোকজন হাস্পতাললৈ আহিছিল। তেওঁ জনালে যে ১০-১৫টা মুদ্ৰা খাইছে। এক্স-ৰে' কৰাৰ পাছত আমি দেখা পালো যে তেওঁৰ পেটত ধাতব কিবা আছে।' সম্প্ৰতি যুৱকজন সুস্থ বুলিয়ে জনাইছে চিকিৎসকে।

# পানী নহয়, 'বিষ' পান কৰি আছে দেশৰ অধিকাংশই

## কেন্দ্ৰৰ নতুন তথ্যই দিলে ভয়ংকৰ বতৰা



নিউজ ব্যুৰ'

**নতুন দিল্লী, ২ আগষ্ট ঃ** আগন্তুক কিছু বছৰৰ ভিচৰতে যে পানীৰ সংকটে দেশত বিয়াগোম আকাৰ ধাৰণ কৰিব পাৰে, সেই আশংকা বিশেষজ্ঞসকলে বহুদিনৰ পৰাই কৰি আহিছিল। এনে পৰিস্থিতিত কেন্দ্ৰৰ তৰফৰ পৰা ৰাজ্যসভাত যি তথ্য সদৰী কৰা হ'ল সেয়া কেৱল আশংকাজনকেই নহয়, বৰঞ্চ ভয়ৰো কাৰণ। সেই তথ্য অনুসৰি, দেশৰ অধিকাংশ মানুহেই সম্প্ৰতি পানীৰ নামত প্ৰায় 'বিষ'হে পান কৰি আছে। দেশৰ প্ৰায় সকলো ৰাজ্যৰে প্ৰতিখন জিলাতেই ভূগৰ্ভৰ পৰা পানীত বিষাক্ত উপাদান পোৱা গৈছে।

এই সন্দৰ্ভত কেন্দ্ৰই ৰাজ্যসভাত চাৰিটা তথ্য দাঙি ধৰিছে। এই তথ্যসমূহ হৈছে— (ক) দেশৰ ২৫খন ৰাজ্যৰ মুঠ ২০৯খন জিলাত ভূগৰ্ভৰ পানীত আৰ্ছেনিকৰ পৰিমাণ প্ৰতি লিটাৰত ০.০১ মিলিগ্ৰামৰো অধিক, (খ) ২৯খন ৰাজ্যৰ ৪৯১খন জিলাত ভূগৰ্ভৰ পানীত লোৰ পৰিমাণ প্ৰতি লিটাৰত এক মিলিগ্ৰামৰো অধিক, (গ) একেদৰে ভূগৰ্ভৰ পানীত কেডমিয়ামৰ পৰিমাণ প্ৰতি লিটাৰত ০.০৫ মিলিগ্ৰামৰো অধিক ১৬খন ৰাজ্যৰ ৬২খন জিলাত, (ঘ) প্ৰতি লিটাৰত ০.০৩ মিলিগ্ৰামৰো অধিক ইউৰেনিয়াম আছে ১৮খন ৰাজ্যৰ ১৫২খন জিলাত। জলশক্তি মন্ত্ৰণালয়ৰ তৰফৰ পৰা প্ৰদান কৰা তথ্যত লগতে জনা গৈছে যে দেশৰ ৮৪ শতাংশ লোকেই খোৱাপানীৰ বাবে ভূগৰ্ভৰ পানীৰ ওপৰতে নিৰ্ভৰশীল। ফলত যদি নিৰ্দিষ্ট পৰিমাণতকৈ অধিক বিষাক্ত উপাদান সেই পানীত থাকে, তাৰ অৰ্থ হৈছে দেশৰ সংখ্যাগৰিষ্ঠ লোকেই পানীৰ লগতে বিষপান কৰি আছে। ৰাজ্যসভাত দিয়া চৰকাৰী তথ্যৰ পৰা লগতে জনা গৈছে যে জনবসতিত খোৱাপানীৰ উৎসসমূহ দূষিত হৈ পৰিছে। চহৰৰ তুলনাত গাঁৱত এই সমস্যাই আৰু গভীৰ আকাৰ ধাৰণ কৰিছে। গাঁও অঞ্চলত খোৱাপানীৰ বাবে মানুহে টিউবৱেল, মাটি বা পকী কুঁৱা, নদী আৰু পুখুৰীৰ পানীতে নিৰ্ভৰশীল। অৰ্থাৎ পোনপটীয়াকৈ মাটিৰ তলৰ পৰা অহা পানীয়েই পান কৰে তেওঁলোকে। ফলত গাঁও অঞ্চলত বিপদ অধিক বেছি। পানী শোধন কৰি লোৱাৰ বিশেষ উপায় নাই বাবে তেওঁলোকে কাৰ্যতঃ বাধ্য হৈয়েই বিষপান কৰি আছে। এনে পৰিস্থিতিত জল সংকটৰ বিষয়টো ৰাজ্যসমূহৰ কান্ধতে জাপি দিছে কেন্দ্ৰই। কেন্দ্ৰৰ তৰফৰ পৰা দাবী কৰা হৈছে যে খোৱাপানী সাধাৰণ মানুহৰ ওচৰলৈ লৈ যোৱাটো ৰাজ্যৰ দায়িত্ব। অৱশ্যে কেন্দ্ৰয়ো যে প্ৰদূষণমুক্ত পানী যোগান ধৰিবলৈ নানা প্ৰকল্প চলাই আছে, সেই কথাও জনোৱা হৈছে।

# গতি বৃদ্ধি পাইছে পৃথিৱীৰ, চুটি হৈছে দিন

## আহ্নিক গতিৰ দ্ৰুততাৰ প্ৰভাৱ পৰিব পাৰে স্মাৰ্টফোন-কম্পিউটাৰত



নিজৰ অভিলেখেই নিজে ভাঙিলে পৃথিৱীয়ে। সৃষ্টিৰ সূচনাৰ পৰাই এটা কথা সৰ্বজনবিদিত যে পৃথিৱীৰ দুটা গতি আছে। আহ্নিক আৰু বাৰ্ষিক গতি। বাৰ্ষিক গতিৰ ফলত যিদৰে এটা বছৰ সম্পূৰ্ণ হয়, সেইদৰে আহ্নিক গতিৰ জৰিয়তে দিন-ৰাতি হয়। ইয়াৰ বাবে সময় লাগে ২৪ ঘণ্টা, অৰ্থাৎ এদিন।

নিউজ ব্যুৰ'

**নতুন দিল্লী, ২ আগষ্ট ঃ** নিজৰ অভিলেখেই নিজে ভাঙিলে পৃথিৱীয়ে। সৃষ্টিৰ সূচনাৰ পৰাই এটা কথা সৰ্বজনবিদিত যে পৃথিৱীৰ দুটা গতি আছে। আহ্নিক আৰু বাৰ্ষিক গতি। বাৰ্ষিক গতিৰ ফলত যিদৰে এটা বছৰ সম্পূৰ্ণ হয়, সেইদৰে আহ্নিক গতিৰ জৰিয়তে দিন-ৰাতি হয়। ইয়াৰ বাবে সময় লাগে ২৪ ঘণ্টা, অৰ্থাৎ এদিন। অথচ যোৱা ২৯ জুলাইত পৃথিৱীৰ এই নিয়মৰ ব্যতিক্ৰম ঘটিছিল। সেইদিনা পৃথিৱীয়ে নিজৰ চাৰিওফালে এপাক ঘূৰাৰ বাবে পৰিচিত ২৪ ঘণ্টা সময় লোৱা নাছিল। তাতকৈ সামান্য কম সময়তে নিজৰ প্ৰদক্ষিণ সম্পূৰ্ণ কৰিছিল পৃথিৱীয়ে। পৰিসংখ্যাৰ দিশৰ পৰা ক'বলৈ গ'লে প্ৰায় ১.৫৯ মিলি ছেকেণ্ড কম। ইয়াতেই সৃষ্টি হ'ল নতুন অভিলেখ। পৃথিৱীয়ে নিজৰে শেহতীয়া অভিলেখ ভাঙি গঢ়িলে ক্ষুদ্ৰতম দিনৰ অভিলেখ। যোৱা ২৯ জুলাই আছিল পৃথিৱীৰ ক্ষুদ্ৰতম দিন।

এই ক্ষুদ্ৰতম দিন সৃষ্টি হোৱাৰ মূলতে আছে পৃথিৱীৰ গতি। একাংশ বিজ্ঞানীয়ে দাবী কৰিছে যে সম্প্ৰতি পৃথিৱীয়ে নিজৰ গতি অৰ্থাৎ প্ৰদক্ষিণৰ গতি বৃদ্ধি কৰি আছে। ইয়াৰ পূৰ্বে ক্ষুদ্ৰতম দিনৰ অভিলেখ আছিল ২০২০ৰ ১৯ জুলাইৰ দখলত। সেয়া ঘটিছিল ১৯৬০ৰ পাছত। সেইদিনা পৃথিৱীৰ আহ্নিক গতি সম্পূৰ্ণ হ'বলৈ সময় লাগিছিল ২৪ ঘণ্টাতকৈ ১.৪৭ মিলি ছেকেণ্ড কম। পাছৰ বছৰ অৰ্থাৎ ২০২১ত পৃথিৱীয়ে পুনৰ নিজৰ গতি বৃদ্ধি কৰে। সেইবাৰো ২৪ ঘণ্টাৰ পূৰ্বেই আহ্নিক গতি সম্পূৰ্ণ কৰে যদিও অভিলেখ সৃষ্টি কৰিব পৰা নাছিল। যদিও এই বছৰ নতুন অভিলেখ সৃষ্টি কৰিলে।

পৃথিৱীৰ এই গতিৰ হেৰফেৰৰ কাৰণ অৱশ্যে এতিয়াও স্পষ্ট হোৱা নাই। অৱশ্যে একাংশ বিজ্ঞানীয়ে মত প্ৰকাশ কৰিছে যে ইয়াৰ নেপথ্যত থাকিব পাৰে পৃথিৱীৰ অন্তঃ আৰু বহিঃস্তৰীয় ক্ষেত্ৰলৈ অহা কোনো পৰিৱৰ্তন। সেয়া সোঁতভিত্তিক বা জলবায়ুভিত্তিকো হ'ব পাৰে। আকৌ কোনো কোনোৱে ধাৰণা কৰিছে যে ইয়াৰ কাৰণ হৈছে 'চেণ্ডলাৰ ওবল', অৰ্থাৎ মেৰুদেশীয়ঞ্চলৰ পৃষ্ঠতলত পৃথিৱীৰ ঘূৰ্ণনগতিৰ তাৰতম্য। একাংশ বিশেষজ্ঞই মন্তব্য কৰিছে যে পৃথিৱীৰ গতি যদি এইদৰে বাঢ়ি থাকে, তেনেহ'লে 'নিগেটিভ লিপ ছেকেণ্ড' সৃষ্টি হ'ব। ইয়াৰ প্ৰভাৱ পৰিব যোগাযোগ ব্যৱস্থাত। 'নিগেটিভ লিপ ছেকেণ্ড' বাঢ়ি থাকিলে স্মাৰ্টফোন, কম্পিউটাৰ আদি ব্যৱহাৰ কৰাত বিপাঙত পৰিব সাধাৰণ মানুহ। অৱশ্যে মহাকাশ বিজ্ঞানীসকলৰ কামত এই ব্যৱস্থাই সাহায্য কৰিব। যদিও 'নিগেটিভ লিপ ছেকেণ্ড'ক ব্যৱহাৰ কৰি যদি কোনো কাম কৰা হয়, সেই ক্ষেত্ৰত আশংকাৰ মাত্ৰা অতিশয় বেছি থাকিব।

# কমাৰগাঁৱৰ বৰচাপৰিত প্ৰকাণ্ড অজগৰ উদ্ধাৰ

## অজগৰ দৰ্শনত আহত দুজন



অগ্ৰদূত বাৰ্তা

**খুমটাই, ২ আগষ্ট ঃ** গোলাঘাট জিলাৰ নুমলীগড় বন উপ-সংমণ্ডল কাৰ্যালয়ৰ অধীনস্থ বৰচাপৰি অঞ্চলত আজি এজন কৃষকে এটা প্ৰকাণ্ড অজগৰ উদ্ধাৰ কৰি বন বিভাগক গতাই দিয়ে। উল্লেখ্য যে কমাৰগাঁৱৰ কৃষক তুলসী ফুকনে বৰচাপৰিৰ কৃষি পামত কৰ্মৰত অৱস্থাত এডাল প্ৰকাণ্ড অজগৰে এটা ছাগলী ভক্ষণ কৰি থকা অৱস্থাত অজৰগডাল উদ্ধাৰ কৰি বন বিভাগৰ হাতত গতাই দিয়ে। উল্লেখ্য যে প্ৰায় ২৫ কিলো ওজনৰ অজগৰডালে অঞ্চলটোৰ পোহনীয়া ছাগলী, হাঁহ, কুকুৰা ভক্ষণ কৰি অঞ্চলটোৰ পালকসকলক ত্ৰাসৰ সৃষ্টি কৰি আহিছিল বুলি স্থানীয় ৰাইজে সদৰী কৰিছে। ইফালে, তুলসী ফুকন নামৰ লোকজনে প্ৰকাণ্ড অজগৰডাল ধৰি আনোতেই অসাৱধানবশত লোকজনৰ লগতে স্থানীয় যুৱক দেৱজিৎ ফুকনক অজগৰডালে দংশন কৰে। যাৰ ফলত দুয়োজন লোকে কমাৰগাঁৱত চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰে। বৰ্তমান সময়লৈকে দুয়োজন লোক সুস্থ বুলি জানিব পৰা গৈছে।



# বিবাহপাশত আবদ্ধ হ'ল বিশেষভাৱে চৰ্চিত শুকুৰ আলী

## ডিংডিংগাৰ ঠাকুৰপুৰৰ ছবিনা খাতুনক কৰিলে জীৱন সংগিনী

**তামাৰহাট, ২ আগষ্ট ঃ** সামাজিক মাধ্যম ফেচবুক আৰু সামাজিক মাধ্যমত বিশেষভাৱে চৰ্চিত শুকুৰ আলীয়ে যোৱা নিশা বিবাহ পাশত আবদ্ধ হয়। তথ্য মতে শুকুৰে কোকৰাঝাৰ জিলাৰ গ্ৰাহামপুৰ আৰক্ষী চকীৰ অন্তৰ্গত ডিংডিংগাৰ ঠাকুৰপুৰ গাঁৱৰ বাসিন্দা ছফিক মিঞাৰ কন্যা ছবিনা খাতুনক ইছলাম ধৰ্মীয় নীতি মতে বিয়া কৰাই যুগ্ম জীৱনৰ পাতনি মেলে। কোকৰাঝাৰ জিলাৰ কাজিগাঁও থানাৰ অন্তৰ্গত মদাতি পাহাৰ বস্তি গাঁৱৰ বাসিন্দা মোছলেমউদ্দিন মিঞাৰ পুত্ৰ বহু চৰ্চিত শুকুৰ আলী যোৱা লোকসভা নিৰ্বাচনত ধুবুৰী লোকসভা সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। উক্ত সময়ছোৱাত সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীসকলক বিশেষকৈ এ আই ইউ এফৰ সভাপতি বদৰুদ্দিন আজমলৰ বিৰুদ্ধে বিভিন্ন ধৰণৰ মন্তব্য আগবঢ়াই ফেচবুক আৰু ৱেব প'ৰ্টেলত জনপ্ৰিয় হৈ পৰে শুকুৰ। পৰৱৰ্তী সময়ত কংগ্ৰেছ আৰু এআইইউডিএফৰ বিৰুদ্ধে বিভিন্ন ধৰণৰ মন্তব্য আগবঢ়াই শুকুৰে বিজেপিৰ ভক্ত হৈ পৰে। আনকি বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰিয়পাত্ৰ হৈ পৰে। ফলত বিটিচিৰ পৰ্বতঝোৰা পৰিষদীয় সমষ্টিৰ অন্তৰ্গত মদাতি ভিচিডিচিৰ সভাপতি পদত অধিষ্ঠিত হয়। উল্লেখ্য যে শুকুৰে অনাড়ম্বৰভাৱে মাত্ৰ এখন সৰু বাহনেৰে কেইজনমান লগৰীয়াক লগত লৈ কন্যা ঘৰত আহি উপস্থিত হয় যদিও উক্ত খবৰ পাই শুকুৰক দেখা কৰাৰ বাবে বিবাহ ঘৰত স্থানীয় ৰাইজে ভিৰ কৰা পৰিলক্ষিত হয়।

# ধমধমাত বাঁহৰ দলঙে বিপদ ঘণ্টা বজাইছে ছাত্ৰ-ছাত্ৰীৰ লগতে সৰ্বসাধাৰণ ৰাইজৰ



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২ আগষ্ট ঃ** বাৰিষাৰ প্ৰথমটো বানে ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিভীষিকাত যাতায়াত ব্যৱস্থা বিঘ্নিত হৈ পৰাৰ সমান্তৰালকৈ নলবাৰী আৰু বাগ্‌সা জিলাৰ ভালেকেইটা পথ বিচ্ছিন্ন হৈছিল। তাৰ ভিতৰত ধমধমা-ৰঙিয়া গড়কাপ্তানী পথ, ধমধমা-তামুলপুৰ গড়কাপ্তানী পথ, ধমধমা-গড়ভিতৰ ভেৰেভেৰী পথ, গড়ভিতৰ- উজিৰখাট পথ, ধমধমা- উত্তৰ বৰশিৰাল গড়কাপ্তানী পথ। এই পথসমূহৰ অধিকাংশই আজিও যাতায়াতৰ অনুপযোগী হৈ আছে। ইয়াৰে ধমধমা-ৰঙিয়া গড়কাপ্তানী পথৰ ওপৰত বিভাগীয়ভাৱে অতি নিম্ন মানৰে এখন বাঁহৰ দলং নিৰ্মাণ কৰিছিল যদিও সম্প্ৰতি জৰাজীৰ্ণ ৰূপ লোৱাত যাতায়াত কৰা একপ্ৰকাৰ অসম্ভৱ হৈ পৰিছে। এই পথটোৰে দৈনিক হেজাৰ হেজাৰ শিক্ষাৰ্থীয়ে বিপদসংকুলভাৱে যাতায়াত কৰি আছে। বছৰি বানত এই পথটো বিচ্ছিন্ন হয় যদিও পথটো নিৰ্মাণৰ ক্ষেত্ৰত আধুনিক প্ৰযুক্তিবিদ্যা ব্যৱহাৰ নকৰাৰ ফলত অঞ্চলবাসী বছৰি যাতায়াতৰ নামত নৰক যন্ত্ৰণা ভুগিবলগীয়া হয়। বিভাগীয়ভাৱে নিৰ্মাণ কৰা জৰাজীৰ্ণ বাঁহৰ দলংখন অতি দীঘল হোৱা হেতুকে ছাত্ৰ-ছাত্ৰীসকলে দলংখন পাৰ হোৱাৰ ক্ষেত্ৰত শংকিত হৈ পৰে। ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সৰ্বসাধাৰণ ৰাইজে শীঘ্ৰেই পথটোৰ ওপৰত এখন আধুনিক প্ৰযুক্তি বিদ্যা ব্যৱহাৰ কৰি দলং নতুবা বিকল্প ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক দাবী জনাইছে।



# প্ৰতিষ্ঠা দিৱসত নৃত্য-গীতেৰে মুখৰিত সোণাপুৰ মহাবিদ্যালয় প্ৰাংগণ

অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ২ আগষ্ট ঃ** গুৱাহাটী মহানগৰৰ পাৰ্শ্বৱৰ্তী তথা বৃহত্তৰ ডিমৰীয়াৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান সোণাপুৰ মহাবিদ্যালয়ৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি অতি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱব্ৰত খনিকৰে পতাকা উত্তোলনেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী মুকলি কৰা অনুষ্ঠানত কলেজৰ এনচিচি আৰ্মী আৰু এয়াৰ উয়িং গ্ৰুপৰ কেডাৰসকলে পেৰেড প্ৰদৰ্শনৰ লগতে এটি ভক্তিমূলক গীত পৰিবেশন কৰে। স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰে সোণাপুৰ মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক উপেন বৰাই। ইয়াৰ পাছতে মহাবিজ্যালয় প্ৰেক্ষাগৃহত প্ৰতিষ্ঠা দিৱসৰ মুকলি সভা অনুষ্ঠিত হয়।

মহাবিদ্যালয় সংগীত 'উজ্জ্বলি উঠিছে আজি, শিখাৰ পোহৰ' শীৰ্ষক গীতটিৰে আৰম্ভ কৰা অনুষ্ঠানত অধ্যক্ষ ড° খনিকৰে আদৰণি ভাষণ প্ৰদান কৰি কয় যে মহাবিদ্যালয়খনে এতিয়া ৰাষ্ট্ৰীয় পৰ্যায়ত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। তদুপৰি মহাবিদ্যালয়খনৰ বৃত্তিমূলক পাঠ্যক্ৰম, স্নাতকোত্তৰ পাঠ্যক্ৰম, এনচিচি আদিয়ে মহাবিদ্যালয়খনৰ আন এক মাত্ৰা প্ৰদান কৰিছে। ভাষণ প্ৰসংগত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ কথাও অধ্যক্ষই উল্লেখ কৰে। মহাবিদ্যালয়খনক স্বায়ত্তশাসিত মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা কৰাৰ লক্ষ্যৰে কাম কৰি অহা বুলিও তেওঁ গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। স্মৃতি তৰ্পক উপেন বৰাই অনুষ্ঠানত কয় যে সোণাপুৰ কলেজৰ প্ৰতিটো ইটাই অতীতৰ কথা কয়। সোণাপুৰ কলেজ যদিও ১৯৯১ত স্থাপন হৈছিল, প্ৰকৃততে ১৯৮৪ত ইয়াৰ পৰিকল্পনা কৰা হৈছিল। বৰাই প্ৰতিষ্ঠাকালৰ স্মৃতি ৰোমন্থন কৰি প্ৰতিষ্ঠা সময়ৰ সকলো সদস্য লৈ শ্ৰদ্ধা জ্ঞাপন কৰে। প্ৰতিষ্ঠা দিৱসৰ স'তে সংগতি ৰাখি মুকলি সভাত এটি অন্তৰংগ অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে সোণাপুৰ মহাবিদ্যালয় 'নিউজ বুলেটিন' উন্মোচন কৰা হয়। অনুষ্ঠানত নিউজ বুলেটিন উন্মোচন কৰে সভাত উপস্থিত থকা বিশিষ্ট অতিথিসকলে।

অন্তৰংগ অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰতিষ্ঠাপক সদস্য হেৰেম্ব প্ৰসাদ শইকীয়াই মহাবিদ্যালয়খন উন্নতি লাভ কৰি অহাত আনন্দ প্ৰকাশ কৰে। অনুষ্ঠানত অধ্যাপক ড০ বিমান পাটোৱাৰী, প্ৰতিষ্ঠাপক সদস্য অজিত দত্ত, দীপক দাস, অমিয় বৰুৱা, দীপ্তি বৰা প্ৰমুখ্যে ভালে কেইজনমান বিশিষ্ট ব্যক্তিয়ে প্ৰতিষ্ঠা কালৰ মধুৰ স্মৃতি সোঁৱৰ কৰে।

উল্লেখ্য যে ইংৰাজী বিভাগৰ অধ্যাপক ড০ দীপজ্যোতি ডেকাই আঁতধৰা অনুষঅঠানত ছাত্ৰ কপিল গাৱোৰ বাঁহীবাদন আৰু ছাত্ৰ-ছাত্ৰীসকলৰ নৃত্য-গীতেৰে প্ৰতিষ্ঠা দিৱসতই মুখৰিত কৰি তোলে।

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4, Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

# হীৰাপাৰাত বৰলীয়া নৈৰ তীব্ৰ খহনীয়াত শংকিত নৈপৰীয়া ৰাইজ



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২ আগষ্ট ঃ** কামৰূপ আৰু নলবাৰী জিলাৰ সীমান্তৱৰ্তী বৰলীয়া নৈৰ তীব্ৰ খহনীয়াৰ বাবে বৰভাগৰ বিস্তীৰ্ণ অঞ্চলৰ ৰাইজ শংকিত হৈ পৰিছে। উল্লেখ্য যে এইবেলি জুনত হোৱা প্ৰবল বৰষুণৰ ফলত নৈখন ফেনেফুটুকাৰে বাঢ়ি দুইটাইত মথাউৰি ছিঙি পূবদিশৰ সমগ্ৰ পশ্চিম বড়িগোগ মৌজাৰ লগতে হাজো সমষ্টিৰ উত্তৰাঞ্চল পানীৰে বুৰাই বিপৰ্যস্ত কৰিছিল। উক্ত মথাউৰি ছিঙাৰ ফলত নলবাৰী জিলাৰো দুখন গাঁও ক্ষতিগ্ৰস্ত হৈছিল। বৰ্তমান পানী কমিছে যদিও নৈখনে ঠায়ে ঠায়ে তীব্ৰ খহনীয়াৰ সৃষ্টি কৰি নৈপৰীয়া ৰাইজলৈ ভাবুকি কঢ়িয়াই আনিছে। ইতিমধ্যে খহনীয়াৰ ফলত নৈৰ পাৰত থকা গছ-গছনি উটুৱাই নি বহুতো অনুষ্ঠানৰ বিস্তৰ ক্ষতি কৰিছে। অন্য ঠাইৰ লগতে হীৰাপাৰৰ খহনীয়াৰ বাবে জনসিঞ্চন বিভাগৰ হাতীমাৰী কেন্দ্ৰটোলৈ ভাবুকি আনিছে। ইতিমধ্যে কেন্দ্ৰটোৰ মেচিন ঘৰৰ দেৱালৰ নিচেই কাষ পাইছে খহনীয়া।

যিকোনো মুহীৰ্ততে উটুৱাই নিব পাৰে জলসিঞ্চন কেন্দ্ৰটো। এই সম্পৰ্কে স্থানীয় ৰাইজে বিভাগীয়ভাৱে অৱগত কৰিছে যদিও জলসিঞ্চন আৰু জলসম্পদক দুয়োটা বিভাগে নলবাৰী সংমণ্ডলৰ বিষয়া-কৰ্মচাৰীসকলক ধিক্কাৰ দিছে। মনকৰিবলগীয়া যে জলসম্পদ বিভাগৰ নলবাৰী সংমণ্ডলৰ পৰা খহনীয়া প্ৰতিৰোধ কোনো আঁচনিয়ে আজিলৈকে কাৰ্যকৰী কৰা দেখা নাই। ৰাইজে অনতিপলমে খহনীয়া প্ৰতিৰোধৰ বাবে বিভাগীয় বিষয়া-কৰ্মচাৰীক দাবী জনাইছে।

# উত্তৰ গুৱাহাটীৰ কালী মন্দিৰত সাপৰ প্ৰৱেশক লৈ অলৌকিক কাহিনী



অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ২ আগষ্ট ঃ** পবিত্ৰ শাওণৰ দ্বিতীয় সোমবাৰৰ দিনটোত এক আজব ঘটনাক লৈ হুৱাদুৱা লাগে উত্তৰ গুৱাহাটীত। কৌতূহলৰ কাৰণ এটা কালী মন্দিৰত এডাল প্ৰকাণ্ড ফেটীসাপ মন্দিৰত প্ৰৱেশ কৰি মন্দিৰৰ কালীমূৰ্তিত মেৰ খাই থাকে। মন্দিৰৰ দুৱাৰ মুখত এজাক লোকে সাপ দেখি ভিৰ কৰে। সকলোৱে জুমি জুমি মন্দিৰৰ ভিতৰলৈ চাই কোনোৱে ক'লে 'মায়ে' দেখা দিছে। কোনোৱে আকৌ চাকি-বন্তি জ্বলাই কালীমূৰ্তিত সমুখত প্ৰণিপাত জনায়। ভগবন্ত হেনো ভক্তৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ নিজে দেখা দিছে। লাহে লাহে খবৰ বিয়পি পৰিল। দুঃসাহসী দুই-এক মন্দিৰৰ ভিতৰলৈ গৈ ওচৰৰ পৰা চাইছে আৰু ফটোও তোলে। মন্দিৰৰ ভিতৰত সাপৰ বিচৰণৰ খবৰ শুনি হুৱাদুৱা লাগে অঞ্চলটোত। মুখে মুখে বচন হ'ল অলৌকিক কাহিনী। ভক্তৰ দুৰ্গতি বিনাশৰ বাবে অহা বুলি মন্দিৰত চলিল পূজা-অৰ্চনা।

বজ্ৰাংগ



এম. এম. টেব (ফোৰ্ট)
আৰু
ডাইবিক্যোৰ
নিৰ্ভৰযোগ্য ডাইবিটিজ (পেশাব ও ৰক্তত চেনী, মধুমেহ) নাশক, অত্যন্ত বলবীৰ্য আৰু স্বাস্থ্যবৰ্দ্ধক ঔষধ।

অম্লশূলশমন চূৰ্ণ
অম্লপিত্ত, পিত্তশূল, গেছ, বুকু পুৰা, কোষ্টবদ্ধতা, শূল আদি পেটৰ সকলো ৰোগ নাশক।

শ্ৰী বজ্ৰাংগ আয়ুৰ্বেদ ভৱন
(আয়ুৰ্বেদোক্ত বিশুদ্ধ ও অনুভূত ঔষধৰ সুপৰিচিত নিৰ্মাতা)
মুৰলীধৰ শৰ্মা ৰোড, ফাঁচী বজাৰ, গুৱাহাটী-১ (অসম)
ফোন ঃ (০৩৬১) ২৫৪৭৭৮৯ (কা.) ২৫২২৫৭৪ (ফেক্টৰী)

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com